भारत सरकार
GOVERNMENT OF INDIA
राष्ट्रीय पुस्तकालय, कलकत्ता
NATIONAL LIBRARY, CALCUTTA
वर्ग संख्या
Class No. A 922.945
पुस्तक संख्या
Book No. S561a
रा० पु०/N. L. 38.
H7/Dte/NL/Cal/79—2,50,000—1-3-82—GIPG.

रा० पु०-44
N. L.-44

भारत सरकार
GOVERNMENT OF INDIA
राष्ट्रीय पुस्तकालय
NATIONAL LIBRARY
कलकत्ता
CALCUTTA

अंतिम अंकित दिनांक वाले दिन यह पुस्तक पुस्तकालय से ली गई थी। दो सप्ताह से अधिक समय तक पुस्तक रखने पर प्रतिदिन 6 पैसे की दर से विलम्ब शुल्क लिया जायगा।

This book was taken from the Library on the date last stamped. A late fee of 6 P. will be charged for each day the book is kept beyond two weeks.

9 JAN 1991
(Spt)

GMGIP (Pub. Unit), Sant.—S7—4LNL/80—20-8-80—250,000.

# ঐতিহাসিক পটভূমিত মহাপুৰুষ শংকৰদেৱ

ঐতিহাসিক পটভূমিত মহাপুৰুষ শংকৰদেৱ

বাপচন্দ্ৰ মহন্ত

ऐतिहासिक पटभूमित महापुरुष शंकरदेव : असमके प्रमुख धर्मगुरु, कलाकार तथा समाजसुधारक महापुरुष शंकरदेवकै सम्बन्धमें ऐतिहासिक पटभूमिसहित गवेषणात्मक अध्ययन। लेखक-बापचन्द्र महन्त।

SHELFLISTED

ঐতিহাসিক পটভূমিত মহাপুৰুষ শংকৰদেৱ

লেখক – বাপচন্দ্ৰ মহন্ত

A
৭২২·৭৪৫
[illegible]

প্ৰকাশক – বাপচন্দ্ৰ মহন্ত
আৰু
কেশদা মহন্ত

গোহাঁইটেকেলাগাওঁ, যোৰহাট—১

যোগাযোগৰ ঠিকনা
বৰকটকী কোম্পানী
এ, টি, ৰড, যোৰহাট ১
পিন–৭৮৫০০১

NATIONAL LIBRARY
৬৪২৭
৭·১·৮৭
CALCUTTA

প্ৰথম প্ৰকাশ জুন, ১৯৮৭ চন
জেঠ ১৯০৯ শকাব্দ

বিক্ৰী-মূল্য — ৬৫·০০ ( পয়ষষ্ঠি টকা )

মুদ্ৰক —শ্ৰীশিৱপ্ৰসাদ বৰুৱা
পূৰ্বশ্ৰী প্ৰিণ্টাৰ্ছ
যোৰহাট—৯

# আগৰ কথা

কোনো কোনো পাঠকৰ মতে বহুত কথাই বিতৰ্কমূলক হ'লেও আমাৰ 'মহাপুৰুষ শংকৰদেৱ' নামৰ পুথিখনে অসমৰ পাঠকসকলৰ পৰা যথেষ্ট সমাদৰ লাভ কৰিলে। এই পুথিৰ দ্বিতীয় সংস্কৰণৰ কথাও আমাক অনেকে কয়; কিন্তু সময়ৰ লগতে বিচাৰৰ পদ্ধতি আৰু বিষয়ৰ পৰিধিও সলনি হৈ যায়. কাৰণে আজিতকৈ একুৰি চাৰি বছৰৰ আগতে লিখা পুথি এখনৰ দ্বিতীয় সংস্কৰণ প্ৰকাশৰ ইচ্ছা আমাৰ নহ'ল। দ্বিতীয় সংস্কৰণৰ পৰিবৰ্তে একে বিষয়ৰে নতুন বিচাৰৰ নতুন গ্ৰন্থহে পাঠকসকললৈ আগবঢ়োৱাটো উচিত যেন ধাৰণা হ'ল। এইবাৰ ঐতিহাসিক পটভূমিৰ ওপৰত গুৰুত্ব দি শংকৰদেৱৰ ধৰ্ম, দৰ্শন, কলা আৰু সমাজ সম্বন্ধে আলোচনা কৰাৰ চেষ্টা কৰা হৈছে। গতিকে **'ঐতিহাসিক পটভূমিত মহাপুৰুষ শংকৰদেৱ'** এই নতুন নামত পুথিখন অসমৰ পাঠক সমাজলৈ আগবঢ়োৱা হৈছে। অনেক ক্ষেত্ৰত বিষয়ৰ সাদৃশ্য থাকিলেও আগৰ পুথিৰ এক শতাংশ বাক্যও এই পুথিত নাই।

শংকৰদেৱৰ জীৱন-বৃত্তৰ ওপৰত অধিক গুৰুত্ব দি কেৱল ভকতীয়া দৃষ্টিৰে বিচাৰ কৰা লোকসকলৰ কাৰণে এই পুথি লিখা হোৱা নাই। দলীয় আৰু সাম্প্ৰদায়িক দৃষ্টিৰে বিচাৰ কৰা সমালোচক তথা অন্ধবিশ্বাসী ভক্তসকলৰ অপ-চেষ্টাই শংকৰদেৱৰ প্ৰতি অন্যায় কৰাৰ লগতে অসমৰ সামাজিক জীৱনৰো অহিত-সাধন কৰি আহিছে। ধৰ্ম আৰু সংস্কৃতি দুয়োটাই অন্ধবিশ্বাস আৰু সাম্প্ৰদায়িক-তাতকৈ ওপৰৰ বস্তু। ধৰ্মক দাৰ্শনিক আৰু বৈজ্ঞানিক আধাৰত প্ৰতিষ্ঠিত কৰিব নোৱাৰিলে সি সমাজক ধাৰণ কৰিব পৰা ক্ষমতা হেৰুৱাই পেলায়। তেনে অৱস্থাত ধৰ্মই হিতৰ বিপৰীতে অহিতহে সাধন কৰে। সংস্কৃতিয়েও প্ৰধান ভাবে আৰ্থিক ব্যৱস্থা আৰু কলাত্মক বিকাশ এই দুয়োটা বস্তুৰ ওপৰত নিৰ্ভৰ কৰে। ধৰ্মগুৰু হোৱাৰ লগতে সাংস্কৃতিক নেতৃত্বও বহন কৰা শংকৰদেৱক আমি এনে এটা মুকলি দৃষ্টিভংগীৰে চোৱাৰ অভ্যাস বহু দিনৰ আগতেই কৰিব লাগিছিল; কিন্তু গতানু-গতিক আলোচনাত অভ্যস্ত আমাৰ ৰুচিবোধৰ কাৰণে আমি আজিলৈকে তেনে অভ্যাস গঢ় দিব পৰা নাই! এই পুথিত সামাজিক বিকাশৰ বাবে প্ৰয়োজনীয় মানৱীয় দৃষ্টি ভংগীৰে শংকৰদেৱক চাবলৈ যত্ন কৰা হৈছে। তাৰ সফলতা আৰু বিফলতাৰ জোখ-মাখ সময়ৰ হাতত থাকিল।

পাচঁশ বছৰৰ আগৰ এটা বিষয়ৰ আলোচনা কৰিবৰ সময়ত আমিও পাচঁশ বছৰৰ আগৰ সামাজিক স্থিতিৰ লগত সম্পৰ্ক স্থাপন কৰি ল'ব লাগিব। তাকে কৰিবলৈ যাওঁতে উপযুক্ত ঐতিহাসিক তথ্যৰ অভাৱে যথেষ্ট পৰিমাণে বাধা সৃষ্টি কৰোঁ। আশা কৰোঁ এই ক্ষেত্ৰত হোৱা আমাৰ ভুল-ভ্ৰান্তিবোৰ শুধৰাই লৈ জিজ্ঞাসু সমালোচকসকলে ভৱিষ্যৎ পুৰুষৰ কাৰণে পথ সুগম কৰি তুলিব। উঠি অহা নতুন পুৰুষে আমাৰ সকলো সিদ্ধান্ত ভুল বুলি প্ৰমাণ কৰিব পাৰিলেও আমি আনন্দহে পাম। নিৰ্জীৱ স্থিতিশীলতাতকৈ ভুল ভ্ৰান্তি থাকিলেও গতিশীল সজীৱতাটোৰ মূল্য প্ৰগতিশীল সমাজৰ কাৰণে নিশ্চয় বেছি। এই ক্ষেত্ৰত কিবা অপ্ৰিয় সত্যৰ উল্লেখ কৰিব লগীয়া হ'লেও তাক সুস্বাদু অপথ্যতকৈ হিতকৰ কটু ঔষধৰ দৰেই ব্যাধিগ্ৰস্ত সমাজৰ বাবে প্ৰয়োজনীয় বুলি ধৰিব লাগে।

'মহাপুৰুষ শংকৰদেৱ' ৰচনাৰ ক্ষেত্ৰত যিবিলাক প্ৰকাশিত আৰু অপ্ৰকাশিত পুথিৰ সহায় লোৱা হৈছিল, সেইবিলাক পুথিৰ সহায় কম-বেছি পৰিমাণে এই ক্ষেত্ৰতো লোৱা হৈছে। গতিকে সেই সকলো পুথি ব্যৱহাৰৰ কাৰণে আমাক সুবিধা দিয়া লোক সকলৰ প্ৰতি পুনৰ কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল। এইবাৰ নতুনকৈ ব্যৱহাৰ কৰা প্ৰকাশিত আৰু অপ্ৰকাশিতপুথিৰ অধিকাৰী সকললৈকো কৃতজ্ঞতা জ্ঞাপন কৰা হৈছে। এই সকলৰ ভিতৰত শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ অধিকাৰ ৺চন্দ্ৰহাস গোস্বামীদেৱ, ৺চক্ৰধৰ মহন্তদেৱ, শ্ৰীযুতমোহনচন্দ্ৰ মহন্তদেৱ ( যোৰহাটৰ অধিবক্তা ), গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যেতা ডঃ কৃষ্ণনাৰায়ণ প্ৰসাদ মাগধ' আৰু যোৰহাটৰ শ্ৰৱণী সত্ৰৰ গোসাঁই শ্ৰীযুত অৰবিন্দ মহন্তৰ নাম বিশেষ ভাবে উল্লেখযোগ্য। জগন্নাথবৰুৱা মহাবিদ্যালয় যোৰহাট-নৰ্মাল স্কুল আৰু যোৰহাটৰ চৰকাৰী হাইস্কুলৰ পুথি ভঁৰালৰ পৰাও বহুত সহায় পোৱা গৈছে। গতিকে এই তিনিওটা শিক্ষানুষ্ঠানৰে সংশ্লিষ্ট বিষয়াসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰা হৈছে।

শংকৰদেৱ আৰু শংকৰদেৱৰ লগত জড়িত নানা বিষয়ৰ প্ৰবন্ধ অসমৰ বাহিৰত প্ৰচাৰ হোৱাৰ সুবিধা দি এই ক্ষেত্ৰত আমক উৎসাহিত কৰি অহা বিশ্ব-ভাৰতী পত্ৰিকা ( শান্তিনিকেতনৰ পৰা প্ৰকাশিত ত্ৰৈমাসিক হিন্দী ) পৰিষদ্ পত্ৰিকা ( বিহাৰ চৰকাৰৰ বিহাৰ ৰাষ্ট্ৰভাষা পৰিষদ্, পাটনাৰ পৰা প্ৰকাশিত ত্ৰৈমাসিক হিন্দী ) আৰু সন্দৰ্ভ ভাৰতী ( কলিকতাৰ পৰা প্ৰকাশিত ভাৰতীয় ভাষা পৰিষদৰ ত্ৰৈমাসিক হিন্দী) পত্ৰিকাৰ সম্পাদকসকলো এই লেখকৰ কৃতজ্ঞতাৰ পাত্ৰ। পুণেৰ পৰা প্ৰকাশিত মহাৰাষ্ট্ৰ ৰাষ্ট্ৰভাষা প্ৰচাৰ সভাৰ মুখপত্ৰ 'ৰাষ্ট্ৰবাণী'ৰ চেপ্টেম্বৰ আৰু অক্টোবৰ মাহৰ দুটা সংখ্যা শংকৰদেৱ বিশেষাংক ৰূপে ১৯৭১

চৰেতে প্ৰকাশ পাইছিল। এই কাৰ্যত আমাক সহায় কৰা বাবে প্ৰচাৰ সভাৰ কৰ্তৃপক্ষৰ প্ৰতিও ধন্যবাদ জনোৱা হৈছে। কলাৰ প্ৰসংগত দিয়া চিত্ৰটো (হাতী-সহ সিংহৰ) অৱধনন্দনৰ তমিল সাহিত্য আৰু সংস্কৃতি নামৰ পুথিৰ (প্ৰকাশক সৎসাহিত্য প্ৰকাশন, দিল্লী) মুখপৃষ্ঠাৰ পৰা লোৱা হৈছে। এই চিত্ৰৰ কাৰণে সেই পুথিৰ প্ৰকাশক আৰু লেখকৰ প্ৰতিও কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল।

ড° মাগধ'ৰ 'শংকৰদেৱ সাহিত্যকাৰ ঔৰ বিচাৰক' নামৰ হিন্দীগ্ৰন্থখন পাটিয়ালাৰ পঞ্জাবী বিশ্ববিদ্যালয়ে তথা 'মাধৱদেৱ-ব্যক্তিত্ব আৰু কৃতিত্ব' নামৰ পুথি পূৰ্বোত্তৰীয় মাৰোৱাৰী সম্মেলন প্ৰকাশ কৰিছে। এইবিলাক উদাহৰণৰ পৰা বুজা যায় যে— শংকৰদেৱ আৰু মধ্যযুগৰ অসমীয়া সমাজ-সাহিত্য সম্বন্ধে অসমৰ বাহিৰত প্ৰচাৰৰ প্ৰয়োজনৰ লগতে সুযোগ আৰু সুবিধাও একেবাৰে নাই বুলি ক'ব নোৱাৰি; কিন্তু প্ৰচাৰৰ বাবে উপযোগী কৰি নিজৰ বিচাৰ আগবঢ়াব নোৱাৰিলে, ভুল তথ্যৰ প্ৰচাৰৰ পৰা হিততকৈ অহিত সাধনৰ সম্ভাৱনাও নোহোৱা নহয়। এনে স্থলত হিন্দী, ইংৰাজী প্ৰভৃতি ভাষাত প্ৰচাৰৰ চেষ্টা অব্যাহত ৰখাৰ লগে লগে নিজৰ ভাষাত উন্নত মানদণ্ডৰ গ্ৰন্থৰচনাৰ দায়িত্বও আমি পালন কৰিব লাগিব। আমাৰ নিজৰ ভাষাত এনে গ্ৰন্থ নাথাকিলে বহিঃৰাগত গৱেষক-লেখক সকলেও ভুলতথ্যপূৰ্ণ গ্ৰন্থ ৰচনা কৰি প্ৰচাৰ কৰিলে, সেই সকলক দোষাৰোপ কৰাৰ অধিকাৰ আমাৰ নাথাকিব। ওপৰত উল্লেখ কৰা গ্ৰন্থসমূহৰ বাহিৰেও আৰু কেইবাখনো এনে বিষয়ৰ গ্ৰন্থ হিন্দী আৰু ইংৰাজীত প্ৰকাশ পাইছে। সেই লেখক আৰু প্ৰকাশকসকল ধন্যবাদৰ পাত্ৰ। আনহাতে সেই লেখকসকলৰ অনিচ্ছাকৃত ত্ৰুটিৰ বাবে অসমৰ সচেতন বিদ্বানসকল দায়ী। বিশ্ববিদ্যালয় আৰু সাহিত্যসভাৰ নিচিনা অনুষ্ঠানসমূহো দায়ী নোহোৱা নহয়।

শংকৰদেৱৰ জীৱনচৰিত সম্বন্ধে আলোচনাৰ ক্ষেত্ৰত অপ্ৰকাশিত এখন চৰিতপুথিৰ ভালেখিনি পদ আমি গ্ৰহণ কৰিছোঁ। পুথিখনৰ পাছৰ অংশৰ ৰচনা বহুত পাছত হৈছিল বুলি তাৰ বিষয় বস্তুৱেই প্ৰমাণ দিয়ে। আগৰ অংশৰ লেখকৰ নাম পুথিত আছে। পাছৰ অংশৰ লেখকৰ নাম নাই। আমি লেখকৰ নাম থকা অংশলৈকেহে আলোচনাৰ বাবে গ্ৰহণ কৰিছোঁ। এই অংশৰ কিছুমান কথা সমাজত প্ৰচলিত কথাৰ লগত সংগতিপূৰ্ণ যেন দেখা যায়। গতিকে লেখকৰ ৰচনাকাল আৰু সামাজিক পৰম্পৰালৈ চাইহে পুথিখনক প্ৰামাণিক গ্ৰন্থৰ লগত ঠাই দিয়া হৈছে। তথাপি সেই পুথিৰ মত সৰ্বজন-গ্ৰাহ্য হ'ব বুলি আমি আশা কৰা নাই। আনহাতে শংকৰদেৱৰ পৰম্পৰাৰ জনদিয়েক গুৰুৰ জীৱনচৰিতত থকা একপক্ষীয়

বিচাৰৰ পৰিপূৰক ৰূপে অন্য এক পক্ষৰ বিচাৰ সম্বন্ধে এই অপ্ৰকাশিত পুথিখনে দিগ্দৰ্শন কৰিব পাৰিব। 'সন্তমালা' নামে পৰিচিত এই পুথি সত্ৰীয়াসমাজৰ বহুত ঠাইতে পৰিচিত। আমি এই পুথিৰ নকল মাত্ৰ পাইছোঁ +। মূল প্ৰতিলিপি কিমান দিনীয়া সেইটো তাত উল্লেখ নাই। পাঠান্তৰসহ সুসম্পাদিত হৈ প্ৰকাশ নাপায় মানে এই পুথিৰ বিষয়ে নিশ্চিত মতামত দিব নোৱাৰি। গতিকে আমি এই পুথিৰ পৰা উদ্ধৃত কৰা পদ সম্বন্ধে বাদ-বিবাদত নমাৰ প্ৰশ্ন নুঠে। জিজ্ঞাসুসকলৰ বিচাৰ আৰু গৱেষণাৰ সুবিধালৈ চকু ৰাখিহে অপ্ৰকাশিত পুথিৰ পদ উদ্ধৃত কৰা হ'ল। *

কেনেধৰণৰ সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিত শংকৰদেৱৰ আদৰ্শ বিকৃত হৈ আহিল, সেই সম্বন্ধে বহল আলোচনা কৰা ন'হলে বৰ্তমান যুগত তাৰ প্ৰয়োজন, মূল্যায়ন আদি অনেক বিষয়ৰ সিদ্ধান্ত গ্ৰহণ কৰাটো সম্ভৱ নহয়; এই পুথিত বৰ্তমান যুগত শংকৰদেৱৰ পুনৰ মূল্যায়নৰ সম্বন্ধে আলোচনা কৰাৰ ইচ্ছা আছিল যদিও সেইটো হৈ নুঠিল। মধ্যযুগৰ আলোচনাতে বহুত কথা সোমাই পৰা বাবে পুথিৰ কলেৱৰ বাঢ়ি যোৱাৰ ভয়ত সিমানতে সামৰণি মৰা হ'ল। পুথিৰ আয়তন বাঢ়ি গ'লে প্ৰকাশক আৰু পাঠক উভয়ৰ কাৰণে আৰ্থিক বোজা বেছি হয়। এনে স্থলত বৰ্তমান যুগৰ বিষয়ে আমি নিজে ক'ব লগীয়া কথা কোৱাৰ পৰা বিৰত থাকি পাঠকসকলৰ কাৰণে বিচাৰৰ পটভূমি প্ৰস্তুত কৰি দিব পাৰিলেও আমাৰ উদ্দেশ্য সিদ্ধি হ'ব বুলি ধৰি লৈছোঁ।

যিসকলে শংকৰদেৱক নিজৰ দল বা সংহতিৰ সংকীৰ্ণ সীমাৰে সীমাবদ্ধ কৰিবলৈ বিচাৰে তেওঁলোক আমাৰ বিচাৰৰ লগত একমত হ'ব নোৱৰাটো স্বাভাৱিক। সেই শ্ৰেণীৰ লোকো নিজৰ ৰুচি মতে ভাবিবৰ আৰু মন্তব্য প্ৰকাশ

---

+ যোৰহাটৰ 'তৈলপানী সত্ৰ'ৰ গোসাঁই শ্ৰীযুতমোহনচন্দ্ৰ মহন্ত বিঃ এলঃ দেৱৰ সংগৃহীত গ্ৰন্থসমূহৰ ভিতৰত এই নকল পোৱা হৈছে। নকলৰ শেষত তেখেতে লিখিছে—"১৮৭৪ শকৰ ২৩ কাতিক ৰবিবাৰে কৃষ্ণাসপ্তমী তিথিৰ চতুৰ্থ প্ৰহৰ সময়, তিতাবৰস্থ ছিপহা সত্ৰৰ পৰা পোৱা ৭৩ পত্ৰৰ সাঁচিপতীয়া "সন্তমালা" পুথিৰ নকল শ্ৰীমোহনচন্দ্ৰ মহন্তৰ দ্বাৰা শেষ কৰা হয়। ইতি (সমাপ্ত)

* তিতাবৰৰ চুপহা সত্ৰৰ পুথিত লিপিৰ সময় পোৱা নগ'ল; কিন্তু অন্যান্য ঠাইতো এই নামৰ আৰু একে বিষয়ৰ পুৰণি পুথিৰ প্ৰচলন আছে। গতিকে প্ৰকাশিত পুথি নহলেও ইয়াক আলোচনাৰ বাবে গ্ৰহণ কৰা হ'ল।

কৰিবৰ অধিকাৰী। গতিকে আমি বহুজনৰ কটূক্তিৰ লক্ষ্য বস্তু হ'ব লাগিব, তাত সন্দেহ নাই আৰু তাৰ বাবে অসন্তুষ্টও নহওঁ। এই ক্ষেত্ৰত আমি মহাপুৰুষৰ উক্তিৰেই নিজৰ বক্তব্যৰ সামৰণি মাৰিছোঁ—

যিটোজনে অজিজ্ঞাসি হঠাতে নিন্দয় আসি
তাকো মোৰ অঞ্জলি সম্পুট।
কহোঁ মই সাঙে সাঙে তাতো মহালাভ আছে
নিন্দি মাত্ৰ হোক মোত তুষ্ট ॥ ৫৪৮
বিনাশে স্বধৰ্মচয় মোৰ পাপ কৰৈ ক্ষয়
দেখা সিটো কেনে উপকাৰী।
তাকো নেক্ষেমিবো যেবে মোত পৰে আছে তেবে
আউৰ কোন মহা অহংকাৰী ॥ * * ৫৪৯ একাদশ স্কন্ধ

বাপচন্দ্ৰ মহন্ত
যোৰহাট

# সূচীপত্র

বিষয় আৰু পৃষ্ঠসংখ্যা একেলগে দিয়া হৈছে।

**উদ্‌ঘাটন —১**

গ্ৰন্থৰ উদ্দেশ্য -১, দৰ্শন -৩, ইতিহাস ৪, ব্যক্তিত্বৰ মূল্যায়ন -৬, সাংস্কৃতিক মূল্যবোধ — ১২

## প্ৰথম খণ্ড

**সামাজিক পটভূমি —১৪**

প্ৰাক্ ঐতিহাসিক যুগ -১৪, অন্ধকাৰ যুগত কৃত্ৰিম পোহৰ -১৭, প্ৰাগ্‌জ্যোতিষ -১৬, কামৰূপ -২০।

**প্ৰাচীন যুগ —২৩**

ইতিহাসৰ সামগ্ৰী -২৩, ভাস্কৰ্য আৰু লিপি -২৩, কালিকাপুৰাণ আৰু নাথ-পন্থী সাহিত্য -২৪, জনগোষ্ঠীৰ পৰম্পৰা -২৬।

**প্ৰাচীন যুগৰ জনসমূহ —৩৪** ( আৰ্থিক সামাজিক আৰু সাংস্কৃতিক জীৱন )

জনসমূহ -৩৪, ভাৰতীয় সমাজ-ব্যৱস্থা -৪০।

**প্ৰাচীন কামৰূপত ভাৰতীয় কলা-ধৰ্ম আৰু ভাষা — ৪৭**

কলা আৰু ধৰ্ম -৪৭, ইতিহাসৰ নামত ভ্ৰম -৬০।

**মধ্যযুগ —৭৩**

ৰাজনৈতিক আৰু সামাজিক পৰিবৰ্তন -৭৩, ব্ৰাহ্মণ আৰু কায়স্থৰ ৰাজত্ব-৭৩

## দ্বিতীয় খণ্ড

**জীৱন বৃত্ত আৰু পৰম্পৰা —৭৯**

শংকৰদেৱৰ সম্বন্ধীয় সামগ্ৰী -৭৯, (ক) সাহিত্য-সামগ্ৰী -৭৯, (খ) বংশ-লতা -৮৮, (গ) জন্মদিন -৮৯, (ঘ) বাল্যকাল -৯১, (ঙ) অধ্যয়ন আৰু যোগাভ্যাস -৯২, (চ) পাৰিবাৰিক জীৱন আৰু আদৰ্শ -৯৩, (ছ) তীৰ্থভ্ৰমণ -৯৫, (জ) প্ৰথমবাৰ তীৰ্থ ভ্ৰমণৰ পাছত—৯৮, কোচ ৰাজ্যলৈ যোৱাৰ আগতে -১০৩, (ঝ) কোচ ৰাজ্যত শংকৰদেৱ -১০৬, (ঞ) শংকৰদেৱৰ প্ৰমুখ ভক্তসকল -১০৯, ( ৰামৰাম গুৰু, মাধৱদেৱ—ৰামদাস, নাৰায়ণ ঠাকুৰ, ৰামৰায়, সতানন্দ বৰভকত, দামোদৰদেৱ, হৰিদেৱ, কণ্ঠভূষণ, শংকৰদেৱৰ অন্যান্য ভক্তসকল ) (ট) পাৰিবাৰিক জীৱন -১২৭, গীতাপ্ৰাপ্তি আৰু চৈতন্যদেৱৰ লগত সাক্ষাৎ -১২৯, শংকৰদেৱৰ ধৰ্মৰ পৰম্পৰা -১৩০, প্ৰথমস্তৰ -১৩০, দ্বিতীয়স্তৰ -১৩১ (ক) মাধৱদেৱৰ

আজ্ঞাপৰ গুৰুসকল -১৩২, (খ) দামোদৰদেৱৰ আজ্ঞাপৰ আচাৰ্যসকল -১৩৩, তৃতীয়স্তৰ -১৩৩, চতুৰ্থ আৰু পঞ্চমস্তৰ -১৩৪, চতুৰ্থস্তৰ -১৩৫, বদুলাআতা আৰু গোপালআতা -১৩৬, শংকৰদেৱৰ নাতি জীয়াৰীৰ পৰা বঢ়া সত্ৰসমূহ -১৩৮, পৰম্পৰাৰ বিস্তাৰ আৰু বিভাজন ১৩৯, গুৰু বিপৰ্যয় -১৪০, (ক) দামোদৰদেৱৰ গুৰু -১৪০, (খ) বিপৰ্যয়ৰ সামাজিক পটভূমি—১৫৪, (গ) পুৰুষোত্তম ঠাকুৰ আৰু ভৱানীপুৰীয়া গোপাল আতা -১৬৪, (ঘ) কাল সংহতি -১৭৫, ( শিষ্যৰ সংখ্যাবৃদ্ধি, জাতীয়তাবোধ, সাংস্কৃতিক উন্নয়ন-ব্যৱস্থা, গৃহকলহ, ৰাজদ্ৰোহ, আদৰ্শবিপৰ্যয় )

## তৃতীয় খণ্ড


**কাৰ্যাৱলী — ১৯৯**

(ক) শ্ৰেণী-বিভাগ -১৯৯, (খ) দৰ্শন —২০০, দৰ্শনৰ পৰম্পৰা-২০০, শংকৰী দৰ্শনৰ পূৰ্বপৰম্পৰা-২০২, পৰম্পৰাৰ সমন্বয়-২০৬, পঞ্চৰাত্ৰৰ পৰমতত্ত্ব-২০৭, পঞ্চৰাত্ৰ বা ভাগৱত সম্প্ৰদায়ৰ সাহিত্য—২১৩, ভাৰতীয় বৈষ্ণৱ দৰ্শন আৰু শংকৰদেৱৰ দৰ্শন-২১৫, শংকৰদেৱৰ দৰ্শন-২১৭, (তত্ত্বজ্ঞান, সাধনমাৰ্গৰ দিগ্দৰ্শন, লীলাৰ স্বৰূপ, অদ্বৈত লীলাবাদ সৃষ্টিতত্ত্ব) সাধনমাৰ্গ—,২৪৪ (মহাপুৰুষীয়াধৰ্ম, এক-শৰণধৰ্ম, ভাগৱতী বৈষ্ণৱধৰ্ম, নামধৰ্ম) শংকৰদেৱৰ সাধনমাৰ্গত চাৰিতত্ত্ব-২৬৫ (গুৰু, শংকৰদেৱৰ গুৰু, দেৱ, ভক্ত) সাধনাৰ পটভূমি—২৭৭ (পূৰ্বপ্ৰস্তুতি, নামৰ প্ৰতিপাদ্য, যুগধৰ্ম, নামৰ ব্যাপ্তি, নামৰ অপৰাধ, পৰম্পৰা বিৰোধী উক্তি) অন্য দেৱ-দেৱীৰ স্তুতি—৩০০, অনুষ্ঠানৰ আৱশ্যকতা-৩০৩, মূৰ্তি আৰু তীৰ্থ—৩১০, শংকৰী কলাৰ শ্ৰেণী বিভাগ—৩১৬, সাহিত্য—৩১৬, (কাব্য, তত্ত্বউপদেশ বিষয়ক পদভাঙনি, ব্যৱস্থাগ্ৰন্থ) লঘুগীত—৩২৮, প্ৰবন্ধসংগীত—৩৩১ (কীৰ্তন), শাস্ত্ৰীয় সংগীত—৩৪১, (বৰগীত, শাস্ত্ৰীয় সংগীত আৰু বৰগীত), অংকীয়া নাট—৩৪৮, অংকীয়া নাট আৰু লোক নাট্য—৩৫৬ (ৰাস, ভাগৱতমেল, কথকলিৰ পটভূমি, যাত্ৰা, কীৰ্তনীয়া, মিথিলাৰ নাট্য পৰম্পৰা, বিদাপত, সংগীতক পৰম্পৰা) অংকীয়া নাটৰ বৈশিষ্ট্য-৩৬৪, শংকৰী সাহিত্যৰ ভাষা—৩৬৬, প্ৰাক্শংকৰী সাহিত্যৰ ভাষা—৩৬৮, ব্ৰজাৱলী ভাষা—৩৭২, দৃশ্যকলা-৩৭৬, বাস্তু, মূৰ্তি আৰু চিত্ৰকলা—৩৭৭ (নামঘৰৰ মূৰ্তি, ভাৰতীয় কলাৰ দৃষ্টিত অসমৰ কলা—৩৮৩, সমাজ সংগঠন—৩৮৬ (সংগঠনৰ স্বৰূপ, ব্যক্তি আৰু সমাজ, সত্ৰ আৰু নামঘৰ, তন্ত্ৰ, নাথপন্থ, পৌৰাণিক আদৰ্শ, চৰিত্ৰ আৰু আচৰণ, দিনচৰ্যা, বাৰ্ষিক উৎসৱ, জীৱন-চৰ্যা) ।

পৰিশিষ্ট —৪১৭

সহায়কগ্ৰন্থ —৪২৩,

শব্দনিৰ্দেশিকা —৪২৫





संकेत— महाभारतके अनुसार — अर्जुनकी दिग्विजयका पथ —।—।—।—।
भीमकी ,, ,, — — — —
सहदेवकी ,, ,, - - - - - - -

रामायणके अनुसार — पश्चिमी समुद्रके बीच *

रघुवंशके अनुसार – रघुकी दिग्विजयका पथ वर्णनके अनुसार जहाँ हो सकता है —×—×—×

रघुवंशके वर्णनक्रमके अनुसार दिये हूणोंका स्थान यहाँ शुद्ध नहीं। ग्रन्थोंकी भिन्नताके आधारपर प्रागज्योतिषकी भी भिन्न भिन्न स्थितियाँ दिखाई गईं।


स्थानोंका परिचय
भवानीपुर और सुन्दरीदिया
बरपेठाके पास
हि मा ल य प र्व त
भु टा न रा ज्य
का म रू प
कोचबिहार
बरनगर
बरपेटा
हाजो
गोवालपारा
गुवाहाटी
तेजपुर
लखीमपुर
शिवसागर
जोरहाट
डिब्रुगढ़
परशुरामकुंड
डिमापुर
न गा लैं ड
म णि पु र
बां ग ला दे श
मे घा ल य रा ज्य
(गा रो जा ति)
(खा सी और जयन्तीया)
(क छा री रा ज्य)
तिस्ता नदी
करतोया नदी
बराक नदी
दिहिंग नदी
लोहित नदी
सोवणशिरि
गौ ड़ रा ज्य
शंकरदेवसे सम्बन्धित
भूखंडका मानचित्र
एक इंच ६० मीलके समान

# ঐতিহাসিক পটভূমিত
# মহাপুৰুষ শংকৰদেৱ

## উদ্ঘাটন

**প্ৰস্তুৰ উদ্দেশ্য :—** পাৰহৈ যোৱা দিনবোৰৰ কথাকে সাধাৰণতে আমি ইতিহাস বুলি কওঁ ; কিন্তু পাৰহৈ যোৱা দিনৰ সকলো কথাই ইতিহাসৰ প্ৰকৃত তথ্য নহয়। বোৱতী নদীৰ পানীৰ দৰে ইতিহাসৰ প্ৰকৃত তথ্যবোৰ গতি-শীল স্থায়ী মূল্যৰ বস্তু। নদীৰ ঘোলাপানীত মাটি মিহলি হৈ থাকিলেও সেই মাটিবোৰ নদীৰ পানীৰ বাবে অপৰিহাৰ্য উপাদান নহয়। সেইদৰে ঐতিহাসিক সত্যৰ স্থায়ী মূল্যৰ লগত অস্থায়ী মূল্যবো কিছুমান কথা মিহলি হৈ থাকে। এই শ্ৰেণীৰ কথাবোৰ প্ৰকৃত ইতিহাসৰ তথ্য বা উপাদান বুলি আমি ধৰিব নোৱাৰোঁ। ভৱিষ্যতৰ বিকাশৰ কাৰণে অতীতে থৈ যোৱা স্থায়ী মূল্যৰ সত্যবোৰহে প্ৰকৃত ইতিহাসৰ উপাদান। এই স্থায়ী মূল্যৰ স্বৰূপটো কি ? ই গতিশীল সমাজক আগবাঢ়ি যাবৰ কাৰণে পাছ ফালৰ পৰা দিয়া পোহৰৰ দৰে এটা বিকাশধৰ্মী অনুপ্ৰেৰণা। এনে অনুপ্ৰেৰণা দিব নোৱৰা অতীতৰ ঘটনাৱলী ইতিহাসৰ বাটৰ আবৰ্জনামাত্ৰ। পাছফালৰ পোহৰে আগবাঢ়ি যোৱা মানুহৰ সমুখত সৃষ্টি কৰা ছাঁটোৰ দৰে ইতিহাসৰ আবৰ্জনাবোৰেও মানৱ-সমাজৰ ক্ৰমবিকাশৰ পথত বাধা সৃষ্টি কৰিব পাৰে। এইদৰে নিজৰ শৰীৰৰ ছাঁটোৱেই নিজৰ গতি পথত বাধা সৃষ্টি কৰা সময়ত স্বকীয় দৃষ্টি-শক্তিৰ উপযুক্ত প্ৰয়োগৰ প্ৰয়োজন হৈ পৰে। এই দৃষ্টি-শক্তিটোৱেই হৈছে 'দৰ্শন'।

শংকৰদেৱ এজন ঐতিহাসিক ব্যক্তি। সেই বাবে তেওঁৰ পৰা আজিৰ সমাজে কিবা পাবলৈ হ'লে, ইতিহাস আৰু দৰ্শন উভয়ৰে সহায় ল'ব লাগিব। অৰ্থাৎ তেওঁৰ কাৰ্য্যাৱলীক ঐতিহাসিক আৰু দাৰ্শনিক দুয়োটা দৃষ্টিৰে বিচাৰ কৰি চাব লাগিব। মহাপুৰুষ শংকৰদেৱৰ বিষয়ে অসমীয়া ভাষাৰ পত্ৰ পত্ৰিকা-

সমূহত হোৱা আলোচনাৰ সংখ্যা কম নহয়। সাহিত্যৰথী বেজবৰুৱাদেৱৰ সময়ৰে পৰা আজি পৰ্যন্ত এই বিষয়ত কেইবাখনো পুথিও প্ৰকাশিত হৈছে। ইংৰাজী, হিন্দী প্ৰভৃতি অন্যান্য ভাষাতো শংকৰদেৱ সম্বন্ধে কম পৰিমাণে হ'লেও কিছু আলোচনা কৰা হৈছে; কিন্তু শংকৰদেৱৰ দৰ্শন আৰু ঐতিহাসিক পটভূমি সম্বন্ধে আশানুৰূপ আলোচনা এতিয়াও হোৱা নাই।

শংকৰদেৱৰ দৰ্শন সম্বন্ধে হ'বলগীয়া বিচাৰৰ অভাৱটোৱে কেৱল শংকৰদেৱৰ মূল্যায়নৰ ক্ষেত্ৰতেই নহয় অসমৰ জাতীয় বৈশিষ্ট্য ৰক্ষাৰ ক্ষেত্ৰতো প্ৰবল আঘাত হানি আহিছে। যোৱা ১৯৫৯/৬০ চনত শংকৰদেৱৰ দাৰ্শনিক মতৰ প্ৰসংগত কেইবামাহো অসমৰ সংবাদ-পত্ৰসমূহত বাদ-বিবাদ হোৱা দেখা গৈছিল। তামিলনাদুৰ পৰা অহা শ্ৰীনিবাসন মূৰ্তি নামৰ এজন গৱেষকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সেই সময়ৰ কলাগুৰু ৺বিৰিঞ্চিকুমাৰ বৰুৱা ডাঙৰীয়াক পথ-প্ৰদৰ্শক স্বৰূপে লৈ শংকৰদেৱৰ ধৰ্মমত সম্বন্ধে কিছু পৰিমাণে গৱেষণা কৰি পি, এইচ, ডি, ডিগ্ৰী লৈছিল। শ্ৰীমূৰ্তিৰ গৱেষণা মতে হেনো শংকৰদেৱৰ দাৰ্শনিক সিদ্ধান্ত তমিলনাদুৰ বৈষ্ণৱ গুৰু ৰামানুজাচাৰ্যৰ বিশিষ্টাদ্বৈতৱাদী। * তেওঁৰ এই মত কিমান শুদ্ধ অশুদ্ধ সেইটো বিচাৰ কৰিবৰ কাৰণে, সেই সময়ৰ অসমৰ পণ্ডিতসকল প্ৰস্তুত নাছিল। দুখৰ কথা আজিও প্ৰস্তুত হৈছে বুলি ক'ব পৰা প্ৰমাণ আমাৰ চকুৰ আগত নাই। সেই সময়ত শ্ৰীমূৰ্তিৰ মতৰ বিৰুদ্ধে অনেকজনে কেৱল অসন্তুষ্টিহে প্ৰকাশ কৰিছিল; কিন্তু বিপৰীতে সবল যুক্তি দাঙি ধৰিব পৰা নাছিল। অৱশেষত এজন প্ৰশ্নকৰ্তাৰ একেটা কথাই সেই বাদানুবাদ সমাপ্ত কৰিছিল। তেওঁৰ প্ৰশ্নটো আছিল এনে ধৰণৰ — "শ্ৰীনিবাসন মূৰ্তিৰ মত যদি শুদ্ধ নহয়েই, তেনেহ'লে শংকৰদেৱৰ দাৰ্শনিক সিদ্ধান্তৰ স্বৰূপটোনো কি? এই কথা আমাৰ আলোচকসকলে দাঙি নধৰে কিয়? শ্ৰীনিবাসন মূৰ্তিৰ মত খণ্ডন কৰিব নোৱাৰিলে, সেই মতকে শুদ্ধ বুলি ধৰিব লাগিব।" সংবাদ-পত্ৰৰ বাদ-বিবাদ সিমানতে অন্ত পৰিল; কিন্তু এনে বাদ-বিবাদৰ পাছতো শংকৰদেৱৰ দৰ্শন সম্বন্ধে অসমৰ পণ্ডিতসকলৰ মাজত চৈতন্য উদয় হোৱাৰ ইংগিত পোৱা নগ'ল। ডাঙৰ বস্তুৰ গাটো সহজে নলৰে।

এইখিনিতে আৰু এটা কথা ভাবি চাব লগীয়া যে — বিশ্ববিদ্যালয়ৰ দ্বাৰা স্বীকৃত হ'লেই সকলো কথা শুদ্ধ বুলি সকলো সময়তে ধৰি ল'ব পাৰি জানো? বিশ্ববিদ্যালয়ৰ বিদ্বানসকলৰ বিচাৰ-বিবেচনাও নতুন গৱেষণা আৰু

* শ্ৰীমূৰ্তিৰ গৱেষণা-পত্ৰ তেতিয়া পাণ্ডুলিপি ৰূপতহে আছিল। সেই পাণ্ডুলিপি দেখি কোৱা কথাৰ আধাৰতেই বাদ-বিবাদ চলিছিল। বৰ্তমান তাৰ ছপা ৰূপ পোৱা যায়।

সময়ৰ গতিৰ লগে লগে সলনি হৈ যায়। তদুপৰি সকলো সত্য উদঘাটনৰ দায়িত্ব কেৱল বিশ্ববিদ্যালয়সমূহেই পালন কৰি অহা নাই। অনেক ক্ষেত্ৰত বিশ্ববিদ্যালয়সমূহেও সামাজিক চেতনাৰ প্ৰতিনিধিত্ব কৰিব নোৱাৰে। প্ৰকৃততে সমাজ চেতনাইহে বিশ্ববিদ্যালয় প্ৰভৃতি শিক্ষানুষ্ঠান আৰু গৱেষণা কেন্দ্ৰবোৰক প্ৰকৃত গতিপথৰ সন্ধান দিয়ে।

**দৰ্শন** ঃ— শংকৰদেৱৰ দাৰ্শনিক মত সম্বন্ধে আলোচনা কৰিবৰ কাৰণে কেনে ধৰণৰ সামগ্ৰী আৰু পাণ্ডিত্যৰ প্ৰয়োজন, সেইটোও অৱশ্যে বিচাৰ কৰি চাব লগীয়া কথা। শংকৰদেৱৰ ৰচনাৱলী, কাৰ্যাৱলী আৰু ধৰ্মীয় পৰম্পৰাত এই সামগ্ৰী সমূহৰেই অভাৱনে, ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰি অহা গুৰুসকল আৰু বিদ্বান আলোচকসকলৰ চেষ্টা অথবা বিচাৰ-বুদ্ধিৰে অভাৱ. এই বিষয়ে আলোচনা কৰি থাকিলেও প্ৰকৃত সমস্যাৰ সমাধান নহয়; কিন্তু এই কথা নিশ্চিত ভাবে ক'ব পাৰি যে— সৎসাহস আৰু মৌলিক চিন্তাৰ অভাৱতেই আমি বহুত ক্ষেত্ৰত পিছ পৰি থাকিব লগীয়া হৈছে। আগবাঢ়ি যাবৰ বাবে পাণ্ডিত্যতকৈয়ো মৌলিক চিন্তাৰ প্ৰয়োজন বেছি। আগবঢ়াৰ গতি-পথ নিৰ্ণয় কৰে মৌলিক চিন্তাইহে, পাণ্ডিত্যই মাত্ৰ তাক সহায় কৰে। পণ্ডিতসকল লোকে ঘটি থৈ যোৱা ধনৰহে অধিকাৰী হয়; কিন্তু মৌলিক চিন্তা কৰা লোকে নিজে ধন ঘটে আৰু আনকো ধন ঘটাব বাট দেখুৱাব পাৰে। এই প্ৰসংগত মন কৰিবলগীয়া এটা কাহিনী তলত দিয়া হৈছে।

চৈতন্যপন্থীসকল মূলতে দ্বৈতবাদী মাধবাচাৰ্যৰ মতৰ অনুগামী আছিল। খ্ৰীঃ ১৮ শতিকা মানতহে তেওঁলোকে নিজক সেই মতৰ পৰা পৃথক্ 'অচিন্ত্যভেদাভেদবাদী' নামে নতুনকৈ পৰিচিত কৰিলে। * এই সম্পৰ্কে প্ৰচলিত কাহিনী মতে ১৭/১৮ শতিকামানত প্ৰস্থানত্ৰয়ী( উপনিষৎ, গীতা আৰু ব্ৰহ্মসূত্ৰ )ৰ নিজা ভাষ্য নথকা সম্প্ৰদায়বোৰক অবৈদিক বুলি ধৰা এটা মত পণ্ডিতসকলৰ মাজত প্ৰচলিত আছিল। সেইবাবে জয়পুৰত এবাৰ গৌড়ীয় বৈষ্ণৱসকল কঠিন সমস্যাৰ সন্মুখীন হৈছিল। তেতিয়া বলদেৱ বিদ্যাভূষণে পণ্ডিতসকলৰ ওচৰত নিজৰ ভাষ্য দেখুৱাবলৈ দিন ল'লে আৰু সেই মতে অতি কম দিনৰ ভিতৰতে বেদান্তসূত্ৰৰ ভাষ্য লিখি উলিয়ালে। এই ভাষ্যকে অচিন্ত্যভেদাভেদবাদী 'গোবিন্দভাষ্য' বোলা হয়। এই ভাষ্যৰ ৰচনাকাল খ্ৰীঃ ১৮ শতিকাৰ উত্তৰাৰ্ধ। শংকৰদেৱৰ দৰে বিবিধ শ্ৰেণীৰ ৰচনাৱলী আৰু কাৰ্যাৱলী সামগ্ৰী স্বৰূপে নথকা সত্ত্বেও

* বলদেৱ উপাধ্যায়ৰ ভাৰতীয়দৰ্শন পৃঃ ৫০৩ চতুৰ্থ সংস্কৰণ, ১৯৪৯ খ্ৰীঃ

চৈতন্যদেৱৰ দুশবছৰৰ পাছত বলদেৱ বিদ্যাভূষণে চৈতন্যদেৱৰ ধৰ্মমতক এটা দাৰ্শনিক ভেঁটিত প্ৰতিষ্ঠিত কৰিব পাৰিলে। কেৱল বলদেৱবিদ্যাভূষণেই নহয়, তেওঁৰ পূৰ্ববৰ্তী ৰূপগোস্বামী, কৃষ্ণমিশ্ৰকবিৰাজ প্ৰভৃতিয়েও এই দিশত কাম কৰি আহিছিল। সেই বাবেহে বিদ্যাভূষণৰ কাৰণে এই কাৰ্য সম্ভৱ হৈ উঠিছিল। মুঠ কথা হ'ল এই যে— বংগীয় বৈষ্ণৱসকলৰ মাজত নতুন চিন্তাৰ এটা সামাজিক পৰিৱেশ আছিল; কিন্তু অসমত সেই পৰিৱেশ এতিয়াও গঢ় লৈ উঠা নাই। আমাৰ বিদ্বানসকল আৰু শিক্ষানুষ্ঠানসমূহো এই ক্ষেত্ৰত উদাসীন বা নিজৰ দায়িত্ব-পালনৰ পৰা বিৰত বুলি বহুত ক্ষেত্ৰত ক'ব পাৰি।

শংকৰদেৱৰ পৰম্পৰাৰ ধৰ্মগুৰু আৰু পণ্ডিতসকলৰ নিষ্ক্ৰিয়তা আৰু নৈতিক দুৰ্বলতাৰ কাৰণেই আজি শংকৰদেৱক ভাৰতৰ অন্যান্য বৈষ্ণৱ সম্প্ৰদায়ৰ অনু-গামী বুলি দেখুৱাবৰ কাৰণে বাট মুকলি কৰি দিয়া হৈছে। শংকৰদেৱৰ পৰ-বৰ্তী গুৰুসকল আৰু পণ্ডিতসকলৰ চিন্তাৰ সংকীৰ্ণতা তথা আত্মকলহে কেৱল শংকৰদেৱকে নহয়, লগতে সমগ্ৰ অসমভূমিকে আত্মসন্মানত কুঠাৰাঘাত কৰি আহিছে। এনে স্থলত এই শ্ৰেণীৰ গুৰু আৰু পণ্ডিতসকলৰ ওপৰতে নিৰ্ভৰ কৰি বহি থকাটো সকলোৰে কাৰণে সম্ভৱ নহয়। সেইবাবে পাণ্ডিত্য আৰু সামাজিক স্বীকৃতিৰ বাধা-নিষেধলৈ আওকাণ কৰি যথাশক্তি নিজৰ কৰ্তব্যপালন কৰাটোকে উচিত বুলি বিবেচনা কৰা হ'ল।+

**ইতিহাস**ঃ— কেৱল দৰ্শনৰ ক্ষেত্ৰতেই নহয়, ইতিহাসৰ ক্ষেত্ৰতো আমাৰ বিচাৰ বহুত পাছপৰি আছে। ঐতিহাসিক ব্যক্তি শংকৰদেৱৰ প্ৰকৃত মূল্য নিৰূপণৰ কাৰণে তৎকালীন সমাজৰ স্বৰূপ সম্বন্ধেও আলোচনা কৰাৰ প্ৰয়োজন আছে; কিন্তু তাৰ বাবে যি পৰিমাণে ঐতিহাসিক তথ্য সম্বন্ধে বিচাৰ-বিবেচনা হোৱা উচিত, সেই পৰিমাণে আজিলৈকে হোৱা নাই। ৰামায়ণ, মহাভাৰত আৰু পুৰাণ-উপপুৰাণৰ কাহিনী কিছুমানৰ লগত অসমৰ কিছুমান ঠাই আৰু জাতি-

---

+ ১৯৬১/৬২ চনত এই উদ্দেশ্যেই 'ভাৰতীয় ধৰ্মসাধনা আৰু মহাপুৰুষ শংকৰদেৱ' নাম দি এখন পুথি ৰচনা কৰা হৈছিল; কিন্তু আৰ্থিক কাৰণত সম্পূৰ্ণ পুথি প্ৰকাশ কৰাটো সম্ভৱ হৈ নুঠিল। গতিকে ১৯৬৪ চনত 'মহাপুৰুষ শংকৰদেৱ' আৰু ১৯৬৭ চনত 'ভাৰতীয় ধৰ্মসাধনা' সুকীয়া-সুকীয়া দুখন পুথি ৰূপত প্ৰকাশ কৰা হ'ল। এনে স্থলত শংকৰদেৱ বিষয়ক কিছুমান কথা (ভাৰতীয় অন্য বৈষ্ণৱ মতৰ লগত শংকৰী মতৰ তুলনা প্ৰভৃতি) ভাৰতীয় ধৰ্ম-সাধনাতহে প্ৰকাশ পালে। বৰ্তমান দুয়োখন পুথিয়েই দুষ্প্ৰাপ্য।

উপজাতিৰ নাম জড়িত কৰি আত্মসন্তুষ্টি লাভ কৰাৰ ব্যৱস্থাটোৱে প্ৰকৃততে আজিৰ যুগৰ লগত খাপখোৱা ইতিহাস ৰচনা কৰিব নোৱাৰে। এনেধৰণৰ ত্ৰুটীপূৰ্ণ তথ্যেৰে ভৰা গ্ৰন্থসমূহকে আমি আজিও বিশ্ববিদ্যালয়ৰ পাঠ্য গ্ৰন্থ ৰূপেও গ্ৰহণ কৰি আছোঁ। এনে স্থলত সমাজক ক্ৰমবিকাশৰ বাটেদি আগবঢ়াই নিবলৈ যেনে স্পষ্ট আদৰ্শৰ প্ৰয়োজন, তেনে আদৰ্শ দিব পৰা ক্ষমতা আমাৰ ইতিহাস-গ্ৰন্থসমূহৰ নোহোৱাটোৱেই স্বাভাৱিক। ইতিহাসৰ সত্যক দলীয় ৰাজনীতিৰ সঁজুলি স্বৰূপে লৈ বিকৃত ৰূপ দিয়াৰ নতুন কৌশলে ক্ৰমবিকাশৰ বিপৰীতে আমাৰ সমাজ-চেতনাক এটা আন্ধাৰ ভৱিষ্যতৰ ফালেহে ঠেলি দিছে যেন ধাৰণা হয়। ঐতিহাসিক ব্যক্তি ৰূপে শংকৰদেৱৰ মূল্য নিৰূপণ কৰিবলৈ যাওঁতে অসমৰ ইতিহাসৰ যুগবিভাজন আমি তলত দিয়া ধৰণে কৰিছোঁ —

(১) প্ৰাক্ ঐতিহাসিক যুগ— অজ্ঞাত কালৰ পৰা খ্ৰী° ৪ শতিকালৈকে

(২) প্ৰাচীন যুগ বা ভাৰতীয়কৰণৰ যুগ — ৪ শতিকাৰ পৰা ১২ শতিকালৈকে

(৩) মধ্যযুগ — ১৩ শতিকাৰ পৰা ১৮ শতিকালৈকে

(৪) নতুন যুগ — ১৯ শতিকাৰ পৰা

শংকৰদেৱক এই মধ্যযুগৰ মাজভাগত (১৫/১৬ শতিকাত) দেখা পাওঁ। ভাৰতৰ ইতিহাসৰ ক্ষেত্ৰত এই সময়ছোৱা মধ্যযুগৰ শেষভাগতহে পৰে। কিয়নো ভাৰতৰ ইতিহাসত খ্ৰী° ৮ শতিকামানৰ পৰাই মধ্যযুগ আৰম্ভ হয় আৰু ১৮ শতিকামানতে তাৰ সমাপ্তি ঘটে। আনহাতে ১৬ শতিকামানতেই ইউৰোপত নতুন যুগৰ সূচনা হয়।


প্ৰকৃততে সময় বা যুগ বিভাজন কৰা কথাটোৱে মানৱীয় চিন্তা আৰু কাৰ্য্যাৱলী বা আচৰণৰ ওপৰতহে নিৰ্ভৰ কৰে। ভাৰতৰ ইতিহাসত চিন্তা আৰু কাৰ্যাৱলীৰ চৰম বিকাশ ঘটিছিল গুপ্ত যুগত, অৰ্থাৎ প্ৰাচীন যুগৰ শেষ ভাগত। অসমত কিন্তু সেই সময়ত প্ৰাচীন যুগ আৰম্ভহে হৈছিল। তাৰপাছত প্ৰায় ৮'শ বছৰ কালৰ খ্ৰী° ৪—১২ শতিকালৈ) ব্ৰহ্মপুত্ৰ উপত্যকাৰ ইতিহাসক ভাৰতীয়-কৰণৰ ইতিহাস বুলি ক'ব পাৰি। ভাৰতীয় ইতিহাসৰ মধ্যযুগৰ শেষৰ ফালেও এটা পুনৰ্জাগৰণৰ লক্ষণ দেখা গৈছিল। ১৪ শতিকামানত আৰম্ভ হোৱা এই পুনৰ্জাগৰণৰ লগত সংগতি ৰাখি ব্ৰহ্মপুত্ৰ উপত্যকাত যি জাগৰণ হৈছিল, তাত শংকৰদেৱৰ ভূমিকা সৰ্বশ্ৰেষ্ঠ আছিল। এই ঐতিহাসিক ব্যক্তিত্বৰ কাৰণেই শংকৰদেৱ অসমৰ সমাজচেতনাৰ দিক্দৰ্শক হোৱাৰ লগতে ভাৰতৰ ইতিহাসতো এক মূল্যবান বস্তু স্বৰূপ হৈ পৰিছে ; কিন্তু অসমৰ আলোচকসকলৰ সুস্পষ্ট

ঐতিহাসিক মূল্যবোধৰ অভাৱে তেওঁৰ প্ৰতিভা আৰু কাৰ্যাৱলীৰ মূল্য নিৰূপণত বাধা সৃষ্টি কৰি আহিছে।

সামাজিক ক্ৰমবিকাশৰ ওপৰত আলোকপাত কৰিব পৰা অসমৰ ইতিহাস এখন আজিও আমাৰ ভাষাত ৰচনা কৰা হোৱা নাই। সেই বাবে আমি এই ক্ষেত্ৰত নিজা দৃষ্টি-ভংগীৰে আৰু সীমাবদ্ধ সামগ্ৰীৰে যি চিত্ৰ দাঙি ধৰিবৰ চেষ্টা কৰিছোঁ, সি প্ৰাসংগিক হোৱাৰ লগতে সংক্ষিপ্ত হোৱাটোও স্বাভাৱিক। গতিকে প্ৰমাণ স্বৰূপে দাঙি ধৰিব লগীয়া সকলো তথ্যৰ সমাৱেশ ইয়াত ঘটোৱা হোৱা নাই। বিচাৰশীল লোকৰ বাবে আমি আঙুলিয়াই যোৱা দিশবোৰত অদূৰ ভৱিষ্যতে ইতিহাসবিদসকলৰ পৰা যথাযোগ্য আলোচনা পাম বুলি আশা ৰাখিলোঁ। এজন ব্যক্তিৰ ঐতিহাসিক মূল্যটো কেৱল ইতিহাসৰ ওপৰতেই নিৰ্ভৰশীল নহয়। স্থান-কাল এঁকে হ'লেও ব্যক্তিগত বৈশিষ্ট্যই ঐতিহাসিক ব্যক্তিত্বৰ প্ৰধান উপাদান স্বৰূপে কাম কৰিব পাৰে। এই দৃষ্টিত শংকৰদেৱৰ মূল্যায়নৰ প্ৰচেষ্টা সম্বন্ধীয় বিচাৰ-পদ্ধতি পাছৰ অধ্যায়ত দিয়া হৈছে।

**ব্যক্তিত্বৰ মূল্যায়ন :** ব্যক্তিত্ব শব্দটোৱে ব্যক্তিগত যোগ্যতাকে সূচায় বুলিয়েই সাধাৰণতে ধৰা হয়। তথাপি এই ব্যক্তিগত যোগ্যতাটো প্ৰধান ভাৱে সমাজ-সাপেক্ষহে। সমাজৰ ওপৰত থকা প্ৰভাৱৰ জোখ কাঠীৰেই ব্যক্তিত্বৰো জোখ লোৱা হয়। আনহাতেদি সমাজৰ ওপৰত ব্যক্তিত্বৰ এই প্ৰভাৱৰ মূলতে আছে সমাজৰ লগত থকা তেওঁৰ সম্পৰ্কৰ গাঢ়তা আৰু বিবিধতা। গতিকে এজন ব্যক্তিৰ ব্যক্তিত্ব আৰু তাৰ মূল্যায়ন এই দুয়োটা কথাই তেওঁৰ কেৱল জন্মগত প্ৰতিভা আৰু ব্যক্তিগত যোগ্যতাৰ ওপৰতে নিৰ্ভৰ নকৰে। তেওঁৰ ব্যক্তিগত যোগ্যতা কিমান পৰিমাণে সমাজৰ লগত জড়িত আৰু সমাজ তেওঁৰ সেই যোগ্যতাৰ দ্বাৰা কিমান পৰিমাণে প্ৰভাৱিত, এই দুটা বস্তুৰ বিচাৰ কৰি চালেহে তেওঁৰ ব্যক্তিত্বৰ প্ৰকৃত মূল্যায়ন হ'ব পাৰে।

ব্যক্তিগত যোগ্যতাৰো আকৌ দুটা পক্ষ আছে। এটা জন্মজাত প্ৰতিভা আৰু বংশানুক্ৰমিক সুবিধা; আনটো সেই প্ৰতিভা আৰু সুবিধাৰে লাভ কৰা গুণ। প্ৰতিভা আৰু সুবিধা থাকিলেও সাধনা নহ'লে এই গুণৰ অধিকাৰী হ'ব নোৱাৰে। সেইবাবে এই গুণসমূহক চমু কথাত সাধনালব্ধগুণ বুলি ক'ব পাৰি। জন্মজাত প্ৰতিভা আৰু বংশানুক্ৰমিক সুবিধাকো চমু কথাত বংশানুক্ৰমিক গুণ বুলিয়েই ক'ব পাৰি। গতিকে ব্যক্তিত্বৰ আঁৰত থকা ভাৱ আৰু কাৰ্যাৱলীৰ চিত্ৰটো তলত দিয়া ধৰণে গ্ৰহণ কৰিব পাৰি।




শংকৰদেৱৰ ক্ষেত্ৰতো এই সকলো কথাই খাটে। ইয়াৰ প্ৰথম (ক,খ,গ) তিনিটাৰ পৰিণতি স্বৰূপেই চতুৰ্থটোৱে (সমাজৰ ওপৰত পৰা প্ৰভাৱে) তেওঁক 'মহাপুৰুষ' বিশেষণেৰে অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী বুলি স্বীকৃতি দিছে।

সাধাৰণ ব্যক্তিৰ সাধনাই সামাজিক প্ৰয়োজনৰ ভিত্তিত কৰিব লগীয়া কাৰ্যাৱলীৰ সীমাকে অতিক্ৰম কৰিব নোৱাৰে। অৰ্থাৎ সমাজৰ ক্ৰমবিকাশৰ লগত সংগতি ৰাখি ব্যক্তি নিজে কিছু আগবাঢ়ি যায় যদিও, সেই স্তৰৰ ব্যক্তিয়ে উপলব্ধি আৰু কাৰ্যাৱলীৰ ক্ষেত্ৰত সমাজৰ প্ৰতিনিধিত্ব কৰিব নোৱাৰে। সমাজক পথ দেখুৱাই আগবঢ়াই নিবৰ কাৰণে সমাজৰ চিন্তাতকৈ ব্যক্তিৰ চিন্তা অধিক আগবঢ়া আৰু কাৰ্যাৱলীও সেই চিন্তাৰ অনুৰূপ হোৱাৰ প্ৰয়োজন। এনে ব্যক্তিত্বৰ অধিকাৰীজনেহে প্ৰকৃততে সমাজৰ প্ৰতিনিধিত্ব কৰিব পাৰে। সমাজৰ প্ৰতিনিধিত্বৰ অৰ্থ সমাজৰ তৎকালীন উপলব্ধি, চিন্তা আৰু কাৰ্যাৱলীৰ প্ৰতিনিধিত্বতে সীমাবদ্ধ বুলি ধৰিব নালাগে। সমাজৰ গতিশীল চৰিত্ৰটোলৈ লক্ষ্য ৰাখি অদূৰ আৰু সুদূৰ ভৱিষ্যতৰ প্ৰয়োজন-সিদ্ধিৰ ব্যৱস্থাইহে এই প্ৰতিনিধিত্বক সাৰ্থক কৰে। এই স্তৰৰ উপলব্ধি আৰু চিন্তাৰ অনুকূল কাৰ্যক্ষমতা থকাজনৰ সাধনাইহে ব্যক্তিগত উপলব্ধিৰ সংকীৰ্ণ সীমাবদ্ধতাক অতিক্ৰম কৰিব পাৰে। সেই বাবে মহাপুৰুষ সকলৰ উপলব্ধি আৰু কাৰ্যাৱলীয়ে নতুন যুগৰ সূচনা কৰে, — সমাজ নতুন গঢ়ত আগবাঢ়িবলৈ ধৰে। মহাপুৰুষ সকলৰ ব্যক্তিত্বৰ মহত্ত্ব এইখিনিতে প্ৰকট হৈ উঠে। * শংকৰদেৱৰ ব্যক্তিত্বৰ এই মহত্ত্বটোৰ বিষয়ে আলোচনা

* উদাহৰণ স্বৰূপে ভাৰতৰ জাতীয় কংগ্ৰেছ আৰু গান্ধীজীৰ কথা এই প্ৰসংগত উল্লেখযোগ্য। গান্ধীজীৰ পূৰ্বকালীন কংগ্ৰেছৰ নেতাসকলে কেৱল সামাজিক

কৰিবলৈ হ'লে, ব্যক্তিত্বসম্বন্ধীয় প্ৰথম তিনিওটা বস্তুৰে [ ক,খ,গ ] নিৰপেক্ষ বিশ্লেষণৰ প্ৰয়োজন। এই সম্পৰ্কে পাছত বহলাই আলোচনা কৰা হ'ব ; কিন্তু সেই সময়ত পাৰস্পৰিক সংগতি ৰাখিবৰ কাৰণে তলত এই সম্বন্ধে এটা চমু পৰিচয় দাঙি ধৰা হৈছে।

(ক) শংকৰদেৱৰ উপৰিপুৰুষ সকল উচ্চথাপৰ সামন্ত শাসক আছিল। সেইবাবে আৰ্থিক, বৌদ্ধিক আৰু সামাজিক প্ৰতিপত্তিৰ অভাৱ তেওঁৰ নাছিল। ব্যক্তিগত সাধনাৰ বাবে প্ৰয়োজনীয় সুবিধাবোৰো তেওঁ যথেষ্ট পৰিমাণে পাইছিল। এই প্ৰসংগত এইটোও নিশ্চিত ভাবে স্বীকাৰ কৰিব লগীয়া কথা যে—এনে-ধৰণৰ সুবিধা পালেও সকলোৱে তাৰ সদ্ব্যৱহাৰ কৰিব নোৱাৰে। শংকৰদেৱে এই সুবিধাৰ সদ্ব্যৱহাৰ কৰি এটা স্বকীয় জীৱনদৰ্শন গঢ় দি ল'ব পাৰিছিল আৰু জন্মজাত মেধাশক্তিয়ে তেওঁক এই ক্ষেত্ৰত যথেষ্ট সহায় কৰিছিল।

(খ) শংকৰদেৱৰ ব্যক্তিগতসাধনাৰ প্ৰধান দিশ চাৰিটা। ১ — যোগ-সাধনা, ২— অধ্যয়নজনিত পাণ্ডিত্য ৩— বংশানুক্ৰমিক সামন্ত-বৃত্তিৰ জ্ঞান বা তৎকালীন ৰাজনীতি আৰু প্ৰশাসন সম্বন্ধীয় অভিজ্ঞতা ৪— ভাৰতৰ বিভিন্ন অঞ্চলত ভ্ৰমণ কৰি লাভ কৰা সমাজচেতনা। এইবোৰৰ ভিতৰত যোগসাধনাই তেওঁক সু-স্বাস্থ্যৰ লগতে শাৰীৰিক আৰু মানসিক বলবৃদ্ধিত সহায় কৰিছিল। শাৰীৰিক আৰু মানসিক সবলতা নোহোৱা হ'লে পাণ্ডিত্য, ভ্ৰমণ, প্ৰশাসন প্ৰভৃতি অন্যান্য দিশতো আগবঢ়াত যথেষ্ট বাধাগ্ৰস্ত হ'লহেঁতেন। শাৰীৰিক আৰু মানসিক সবল-তাই তেওঁক এইবোৰ ক্ষেত্ৰত বাধা অতিক্ৰম কৰাত সহায় কৰিছিল। শ্ৰুতি-স্মৃতি ব্যাকৰণ, কাব্য-পুৰাণ প্ৰভৃতিৰ অধ্যয়নো সেই সময়ৰ সম্ভ্ৰান্ত ব্ৰাহ্মণ-কায়স্থ আদি পুৰোহিত আৰু সামন্ত শ্ৰেণীৰ লোকৰ মাজত প্ৰয়োজনীয় বুলি সম্ভৱতঃ

---

পটভূমিৰ ওপৰত নিৰ্ভৰ কৰি নিজৰ জ্ঞান বুদ্ধি আৰু কাৰ্যাৱলীৰ প্ৰয়োগ কৰিছিল। তেওঁলোকে সেই সময়ৰ ৰাজনৈতিক প্ৰয়োজন-সিদ্ধিৰ উদ্দেশ্যে কেৱল ৰাজনৈতিক কাৰ্যাৱলীৰ ওপৰতহে গুৰুত্ব দিছিল। তেওঁলোকে শাসন-সংস্কাৰৰ দাবীৰে তৎ-কালীন সমাজৰ প্ৰতিনিধিত্ব কৰিছিল ; কিন্তু গান্ধীজীয়ে ৰাজনীতিৰ ক্ষেত্ৰতকৈ বহল সামাজিক চেতনাৰ আদৰ্শত চিন্তা আৰু কাৰ্যাৱলী উভয়কে নতুন ৰূপ দিলে। তাৰ ফলত সংকীৰ্ণ দলীয় চেতনাৰে পৰিচালিত আন্দোলন সৰ্বতোমুখী জন আন্দোলনলৈ ৰূপান্তৰিত হ'ল। এই জন আন্দোলনৰ ফলত কেৱল ৰাজনীতিৰ ক্ষেত্ৰতে নহয়, আৰ্থিক, সামাজিক, নৈতিক সকলো দিশতে এটা নতুন যুগৰ আৰম্ভ হ'ল। অৰ্থাৎ গান্ধীজী কেৱল সামাজিক পটভূমিৰ সৃষ্টি হৈ নাথাকিল ; তেওঁৰ প্ৰভাৱে সামাজিক পটভূমিকে নতুন ৰূপ দিলে।

ধৰা হৈছিল ; কিন্তু পুৰোহিত আৰু সামন্তসকলৰ মাজত এনে অধ্যয়নৰ অভ্যাসো ক্ৰমে বাঢ়ি আহিছিল। তাৰ ফল স্বৰূপে অধ্যয়নবিৰত পুৰোহিত আৰু সামন্ত সকলৰ বহুতলোকেই সময়োপযোগী সমাজচেতনাৰ অভাৱত সামাজিক বিকাশৰ স্বাভাৱিক গতিৰ লগত খোজ মিলাই আগবাঢ়িবলৈ অসমৰ্থ হৈ পৰিছিল। তেনে-স্থলত তেওঁলোক প্ৰগতিশীল বিচাৰ-বুদ্ধিৰ বিৰুদ্ধে পৰম্পৰা ৰক্ষাৰ নামত মাত্ৰ সংৰক্ষণশীল বা প্ৰতিক্ৰিয়াশীল হৈ উঠাটো স্বাভাৱিক আছিল। শংকৰদেৱ এই শ্ৰেণীৰ পুৰোহিত আৰু সামন্তলোকৰ বিৰোধৰ সমুখীন হ'ব লগাত পৰিছিল। কোনো কোনো ক্ষেত্ৰত তেওঁ ৰাজশক্তিৰ দ্বাৰা বাধাগ্ৰস্ত হোৱাৰ কাৰণো এয়ে আছিল। কিন্তু সেই যুগৰ সমাজচেতনাৰ লগতে ৰাজনৈতিক আৰু প্ৰশাসনীয় জ্ঞান তথা পাণ্ডিত্য থকা কাৰণে তেওঁ সেই বাধাসমূহকো অতিক্ৰম কৰিবলৈ সক্ষম হৈছিল। এনে সময়োপযোগী চেতনা আৰু পাণ্ডিত্যৰ অধিকাৰী আছিল কাৰণেহে তেওঁৰ ভ্ৰমণো আন বহুজনভ্ৰমণকাৰীতকৈ অধিক ফলপ্ৰসূ হ'ব পাৰিছিল। তেওঁৰ জীৱন-সাধনাৰ এই পটভূমিতেই নতুন আদৰ্শৰ এখন নতুন সমাজৰ চিত্ৰ স্পষ্ট ভাবে জিলিকি উঠিছিল যেন ধাৰণা হয়। এই নতুন যুগৰ মানস-চিত্ৰৰ মহান কলা-কাৰ ৰূপেই শংকৰদেৱ আজিও আমাৰ মাজত সজীৱ হৈয়ে আছে।

কলাকাৰ শংকৰদেৱৰ মূল্যায়ন আমি আজিও কৰিব পৰা নাই। তেওঁৰ এই জীৱনকলাৰ মূল্য নিৰূপণৰ কাৰণে কলাসমালোচকৰ যেনে যোগ্যতাৰ প্ৰয়োজন; সেই যোগ্যতা অসমবাসী সমালোচকৰ আজিও হোৱা নাই। তাৰ বাবে প্ৰয়োজনীয় বিষয়জ্ঞানৰ ব্যাপ্তি আৰু উপলব্ধিৰ গভীৰতা এই দুয়োটা বস্তুৰেই আমাৰ অভাৱৰ ঘৰতহে আছে। সাধকক বুজি পাবলৈকো সাধনাৰ প্ৰয়োজন। সাধনাৰ ক্ষেত্ৰত আমাৰ চকুৰ আগত কিছুমান প্ৰশ্ন উপস্থিত হয়। সেইবোৰ এনেধৰণৰ— (১) বৰ্তমান যুগত সমাজচেতনাৰ বিভিন্ন দিশত আমাৰ সাধনা কিমানদূৰ আগবাঢ়িছে ? (২) সাধনাৰহিত অযোগ্যজনৰ সংকীৰ্ণ বিচাৰ-বুদ্ধিৰে শংকৰদেৱৰ আদৰ্শ আৰু কাৰ্যাৱলীৰ বিচাৰ কৰিবলৈ গৈ আমি বাৰু শংকৰদেৱৰ নামত সমাজক পথভ্ৰষ্ট কৰা নাইনে ? (৩) সমালোচনা কৰিব পৰা যোগ্যতা আমাৰ হোৱা নাই বুলি ধৰি লৈ মনে মনে বহি থাকিলে প্ৰকৃত মূল্যায়নৰ সম্ভাৱনা আছেজানো ?

এই তিনিওটা প্ৰশ্নৰ উত্তৰ দিবলৈ গ'লে আমি এনে এটা সিদ্ধান্ততে উপনীত হ'বগৈ লাগিব যে— মূল্যায়নৰ প্ৰচেষ্টা অব্যাহত থাকিবই লাগিব। এনে প্ৰচেষ্টাইহে আমাৰ সাধনাৰ পথ দৃঢ় আৰু প্ৰশস্ত কৰি তুলিব পাৰিব। তদুপৰি মূল্যায়নৰ কাৰণে আগতে কৰি অহা প্ৰচেষ্টাৰ ভুল ত্ৰুটীবোৰ পাছৰ প্ৰচেষ্টাই শুধৰাই

যাব পাৰিব। এই দৰে আগবাঢ়ি গ'লে সময়ে আমাক প্ৰয়োজনীয় তথ্যখিনি গ্ৰহণ কৰি অনাৱশ্যকীয়খিনি বাদ দি প্ৰকৃত মূল্যায়নৰ ক্ষেত্ৰত সহায় কৰিব।

(গ) তৎকালীন সামাজিক পটভূমিৰ আধাৰত শংকৰদেৱৰ কাৰ্যাৱলীৰ মূল্য নিৰূপণৰ চেষ্টা এই পৰ্যন্ত বহুত আলোচকে কৰি আহিছে; কিন্তু সামাজিক পটভূমি সম্বন্ধীয় আমাৰ ধাৰণা এতিয়ালৈকে বহুত অস্পষ্ট হৈয়ে আছে। শংকৰদেৱৰ সমকালীন সমাজ-ব্যৱস্থা সম্বন্ধে যথেষ্ট আলোচনা হৈছে বুলি ক'ব নোৱাৰি। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমাজ-ব্যৱস্থাৰ ক্ৰমবিকাশৰ ঐতিহাসিক চিত্ৰ এখন সন্মুখত নৰথাকে শংকৰদেৱৰ সমকালীন সমাজৰ চিত্ৰ অংকন কৰিব পৰা নাযায়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সামাজিক বিকাশৰ এই চিত্ৰখন আকৌ সমকালীন ভাৰতীয় সমাজ-ব্যৱস্থাৰ লগত জড়িত হৈ আছে। গতিকে শংকৰদেৱৰ সামাজিক পটভূমিৰ চিত্ৰখনৰ পৰিসৰ যথেষ্ট বহ'ল। এই প্ৰসংগত আমি সাহিত্য, সংগীত-মূৰ্তি প্ৰভৃতি বিবিধ শ্ৰেণীৰ কলা-শিল্পৰ সহায় ল'ব লাগিব।

শংকৰদেৱৰ পূৰ্বকালীন তথা সমকালীন ভাৰতৰ আৰু অসমৰ সংস্কৃত সাহিত্যৰ বাহিৰেও অন্যান্য লোক-ভাষাসমূহে এই ক্ষেত্ৰত যথেষ্ট সহায় কৰিব পাৰে। এই দিশত আমাৰ অধ্যয়ন অতি পুতৌ কৰিব লগীয়া হৈ আছে। শংকৰদেৱৰ পৰৱৰ্তী এই শ্ৰেণীৰ সাহিত্যতো তেওঁৰ সমকালীন সমাজৰ ইংগিত থাকিব পাৰে! আমাৰ চৰিত-গ্ৰন্থবোৰৰ নিচিনাকৈয়ে আন ঠাইৰ চৰিত গ্ৰন্থবোৰেও সামাজিক চিত্ৰটো স্পষ্ট কৰি তোলাত সহায় নকৰাকৈ নাথাকে। চৈতন্যচৰিতামৃত, ভক্তমাল প্ৰভৃতি এই শ্ৰেণীৰ চৰিত সাহিত্য। এই দিশত যোগমাৰ্গী নাথ সাহিত্যৰ ভূমিকাও কম গুৰুত্বপূৰ্ণ নহয়। পৌৰাণিক ধৰ্মৰ সমান্তৰাল গতিত চলি অহা বৌদ্ধধৰ্ম আৰু নাথ ধৰ্মৰ পৰম্পৰাই শংকৰদেৱৰ সমকালীন সামাজিক পটভূমিৰ চিত্ৰত ৰং নসনাকৈ থকা নাছিল। শংকৰদেৱৰ ৰচনাৱলীতো এই শ্ৰেণীৰ সাহিত্যৰ প্ৰভাৱ সম্বন্ধে আলোচনা কৰিব লগীয়া আছে।

অসমৰ সমাজত শংকৰদেৱৰ ধৰ্মীয় পৰম্পৰাৰ প্ৰভাৱ স্পষ্ট হ'লেও তাৰ যোগেদি শংকৰদেৱৰ সময়ৰ ব্যৱস্থা সম্বন্ধে নিশ্চিত ভাৱে কোৱাটো সম্ভৱ নহয়। কিয়নো তেওঁৰ পৰৱৰ্তী অনুগামীসকলে স্থান, কাল আৰু সমাজ ভেদে সুকীয়া হোৱা প্ৰয়োজনলৈ চকু ৰাখি আদৰ্শ আৰু সমাজ-ব্যৱস্থাৰ ব্যাখ্যাও কিছু সুকীয়া ধৰণে কৰিবলৈ ধৰিলে। এনে কৰিবলৈ যাওঁতে বিশুদ্ধ শংকৰী পৰম্পৰাৰ বাহিৰৰ উপাদানো শংকৰদেৱৰ ব্যৱস্থা-পৰম্পৰাত সোমাই গৈছিল। তাৰ ফলস্বৰূপে পৰৱৰ্তী গুৰুসকলৰ দ্বাৰা স্বীকৃত পৰস্পৰ বিৰোধী কিছুমান সিদ্ধান্ত আৰু আচৰণ

লৈ মতভেদ হোৱাটো স্বাভাৱিক কথা ; কিন্তু এই ক্ষেত্ৰত প্ৰত্যেকটো মতৰ সমৰ্থক সকলে নিজৰটোকে অবিকৃত বা শুদ্ধ বুলি দাবী কৰিবলৈ যোৱা বাবে বহুত সময়ত আমি সত্যৰ পথৰ পৰা আঁতৰি যাবলৈ বাধ্য হওঁ। কেতিয়াবা নিজৰ দলীয় স্বাৰ্থ ৰক্ষাৰ কাৰণে আৰু কেতিয়াবা অজ্ঞতাবশতঃ এই দৰেই শংকৰদেৱৰ সমাজ-ব্যৱস্থাৰ স্বৰূপ নিৰ্ণয়ৰ ক্ষেত্ৰত আমি পথভ্ৰষ্ট হৈছোঁ বা বিফল হৈছোঁ।

ধৰ্মীয় পৰম্পৰাৰ দৰেই চৰিতগ্ৰন্থসমূহো বহুত ক্ষেত্ৰত দলীয় পক্ষপাত-যুক্ত কাৰণে সম্পূৰ্ণ নিৰ্দোষ নহয়। সেইবাবে চৰিতগ্ৰন্থসমূহে কোৱা সকলো কথাকে যথাতথ্য ৰূপে গ্ৰহণ কৰিব পৰা নাযায় ; কিন্তু জীৱনবৃত্ত ৰূপে সত্য নহ'লেও চৰিতগ্ৰন্থৰ বিবৰণসমূহে সেই সময়ৰ সামাজিক চিন্তাৰ একো একোটা অংশৰ প্ৰতিনিধিত্ব কৰিব পাৰে। এই দৃষ্টিত চৰিতগ্ৰন্থসমূহৰ অনেক শ্ৰেণীৰ ঘটনাৱলী সত্য বুলি স্বীকাৰ নকৰা অৱস্থাতো সামাজিক পটভূমিৰ চিত্ৰাংকনত সেইবিলাকৰ ঐতিহাসিক মূল্য স্বীকৃত হ'ব পাৰে।

(ঘ) সমাজৰ ওপৰত ব্যাপক আৰু স্থায়ী প্ৰভাৱেই শংকৰদেৱক প্ৰকৃততে মহাপুৰুষ কৰি তুলিছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সামাজিক বিকাশৰ ইতিহাসত শংকৰদেৱ এনে এটা চৰম বিন্দু ৰূপে স্বীকৃত হ'ল যে - মধ্যকালীন অসমৰ সমাজ, ধৰ্ম, কলা আৰু সাহিত্যৰ বিচাৰ কৰিব লগীয়া হ'লে আজি আমি প্ৰাক্‌শংকৰী, শংকৰী আৰু উত্তৰশংকৰী এই তিনিটা ভাগত বিভক্ত কৰিব লগীয়া হয়। সমাজৰ ইতিহাসক এজন ব্যক্তিৰ নামেৰে পৰিচিত কৰিব লগীয়া হোৱা ব্যক্তিত্বটোৰ অধিকাৰী অসমভূমিত শংকৰদেৱৰ বাহিৰে আন কোনো এজনেই আজি পৰ্যন্ত হ'ব পৰা নাই। সংগীত, নাটক, মূৰ্তি, চিত্ৰ প্ৰভৃতি কলাৰ একো একোটা অংশৰ ক্ষেত্ৰত সাময়িক ভাবে এনে প্ৰতিষ্ঠা দুই-এজনে পালেও, সেই প্ৰতিষ্ঠা শংকৰদেৱে লাভ কৰা স্তৰৰ গভীৰ আৰু ব্যাপক নহয়।

ক্ষমতা আৰু ধনৰ অধিকাৰীসকলৰ ব্যক্তিত্বই মানুহক ভয় আৰু আশাৰে বশ কৰি ৰাখিব পাৰে। এই দুয়োটাই ক্ষণস্থায়ী আৰু উপৰুৱা ; কিন্তু যি জনে এই দুটাৰ এটাও নোহোৱাকৈ শ্ৰদ্ধাৰ পাত্ৰ হ'ব পাৰে, তেওঁৰ ব্যক্তিত্বই প্ৰকৃততে কিহৰ ওপৰত নিৰ্ভৰ কৰে, সেইটোৱেই এই ক্ষেত্ৰত আলোচনাৰ মূল বিষয়ে হোৱা উচিত।

দেখাত শংকৰদেৱ এজন ধৰ্মগুৰু। সাধাৰণ মানুহৰ কাৰণে ধৰ্মৰ মূলতেই ভয় আৰু আশাই কাম কৰি থাকে। শংকৰদেৱৰ প্ৰচাৰিত মতত ভয় আৰু আশা দুয়োটাৰে উপাদান আছে। জন্ম-মৃত্যু আৰু পৰকালৰ প্ৰতি ভয়ৰ লগতে

ইহকাল-পৰকাল উভয়তে সুখলাভৰ আশাও তেওঁ দেখুৱাইছে। পৌৰাণিক ধৰ্মৰ এই দুটা সাধাৰণ লক্ষণ। এই ক্ষেত্ৰত অন্যান্য ধৰ্মগুৰু আৰু শংকৰদেৱৰ মাজত পাৰ্থক্য নাই। শংকৰদেৱৰ মহাপুৰুষত্বটো কিন্তু এই দুটা সাধাৰণ লক্ষণতে সীমাবদ্ধ নহয়। ধৰ্ম আৰু মানৱ-চৰিত্ৰৰ এই চিৰন্তন লক্ষণ দুটা স্থান, কাল, পাত্ৰভেদে, উপযুক্ত ৰূপত সজাই তুলিব পৰা নতুন দৃষ্টিভংগীয়েহে তেওঁক আন বহুত ধৰ্ম-গুৰুতকৈ সুকীয়া কৰিছে।

পাৰ্থিৱ সুখৰ বাবে প্ৰয়োজনীয় ধন আৰু ধনৰ প্ৰাধান্য থকা ৰাজ-ক্ষমতা-জনিত ভয় আৰু আশাতকৈ ধৰ্মৰ মূলত থকা ভয় আৰু আশাৰ স্বৰূপটো পৃথক্ শ্ৰেণীৰ। পাৰ্থিৱ ভয় আৰু আশাতকৈ ধৰ্মৰ মূলত থকা আধ্যাত্মিক ভয় আৰু আশা অধিক সূক্ষ্ম স্তৰৰ বস্তু। এই আধ্যাত্মিক ভয় আৰু আশা-নিৰপেক্ষ জীৱন এটাৰ আমি কল্পনাও কৰিব নোৱাৰোঁ। স্থিতপ্ৰজ্ঞ সাধকৰ জীৱনতো এই আধ্যাত্মিক ভয় আৰু আশাই সুকীয়া ধৰণে ক্ৰিয়া কৰি থাকে।

জীৱনটো উপলব্ধিহীন কিছুমান ক্ৰিয়াৰ সমষ্টিৰূপ এটা যন্ত্ৰ নহয়। তাৰ বিপৰীতে উপলব্ধিৰ ব্যাপ্তি আৰু গভীৰতাৰ ওপৰতেই জীৱনৰ সাৰ্থকতাই নিৰ্ভৰ কৰি আছিছে। মানৱতাৰ বিকাশৰ বিভিন্ন স্তৰত এই উপলব্ধিৰ স্তৰ আৰু স্বৰূপ সুকীয়া হ'ব পাৰে। আনহাতে একেখন সমাজৰে সকলো মানুহৰ উপলব্ধিৰ স্তৰ আৰু স্বৰূপ একে হ'ব নোৱাৰে। গতিকে যথাৰ্থতে সমাজ-সচেতন ব্যক্তিয়ে এটা নিৰ্দিষ্ট সাঁচত সকলো মানুহকে একে ৰূপত গঢ় দিয়াৰ যত্ন নকৰে। সমাজৰ সকলো ব্যক্তি নিজ নিজ স্থিতিৰ পৰা উৰ্দ্ধগামী হোৱাৰ ব্যৱস্থা দিব পৰাটোহে প্ৰকৃততে সুযোগ্য সমাজ-সংগঠকৰ সমাজ-চেতনাৰ পৰিচায়ক হৈ উঠে। এই ব্যৱস্থাত সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিয়ে পাৰস্পৰিক সহযোগিতাৰে আগ বাঢ়ি যোৱাৰ সুবিধা লাভ কৰিব পাৰে। এই ক্ষেত্ৰত কলাই উপলব্ধিক সূক্ষ্মতা আৰু ব্যাপ্তি দিয়ে, সহযোগিতাই তাক স্থায়িত্ব আৰু দৃঢ়তা দিয়ে। ৰহস্যধৰ্মী কলাই আধ্যাত্মিক আশাৰে জীৱনক আগবাঢ়ি যোৱাত সহায় কৰে। ক্ষণস্থায়ী পাৰ্থিৱ বস্তুৰ হানিত সৃষ্টি হোৱা ভয়েও মানুহক সূক্ষ্ম দৃষ্টি-সম্পন্ন ৰহস্যমুখী হ'বলৈ বাধ্য কৰে। এই ক্ষেত্ৰত শংকৰদেৱে কেনে ভূমিকা গ্ৰহণ কৰিছিল তাৰ ওপৰতেই তেওঁ সমাজৰ শ্ৰদ্ধাৰ পাত্ৰ হ'ব পৰা গুণবোৰে নিৰ্ভৰ কৰিছে।

**সাংস্কৃতিক মূল্যবোধ :—** সকলো ধৰ্মৰে ব্যক্তিগত আৰু সামাজিক দুটা দিশ আছে। এই দুয়োটা দিশেই আকৌ চাৰিটা স্তৰত বিভক্ত। সাম্প্ৰদায়িক বা আঞ্চলিক ধৰ্ম ইয়াৰ প্ৰথম স্তৰ। এই স্তৰত ধৰ্ম প্ৰধান ভাৱে আচৰণপ্ৰধান। সামাজিক বাধা-নিষেধৰ সীমাৰে আবদ্ধ বাবে এই ধৰ্মটো অনুশাসনপ্ৰধানো। এই স্তৰৰ ধৰ্মই ধৰ্মৰ নামত বহুত সময়ত মানুহৰ পশুবৃত্তিক সজাগ কৰি সামাজিক সংঘৰ্ষ আৰু ৰাজনৈতিক স্তৰৰ যুদ্ধ-বিগ্ৰহকো প্ৰশ্ৰয় দিব পাৰে। মানৱ-ধৰ্মৰ

উদাৰ দৃষ্টি-ভংগীৰে বিচাৰ কৰাৰ অভ্যাস নহ'লে সাম্প্ৰদায়িক ধৰ্মই মানুহক পশুত্বৰ পৰা উদ্ধাৰ কৰাটো টান হৈ পৰে। মানৱ-ধৰ্মটো এটা সাৰ্বজনীন ধৰ্ম। সকলো শ্ৰেণীৰ মানুহৰে বিকাশৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাৱলীহে মানৱ-ধৰ্মৰ ব্যৱস্থাৱলীৰ অন্তৰ্ভুক্ত হ'ব পাৰে। মানৱ-ধৰ্মও আকৌ প্ৰকৃতি-ধৰ্মৰ শাশ্বত নিয়মাৱলীৰ ওপৰত নিৰ্ভৰশীল। গতিকে এই স্তৰত ধৰ্মই দৰ্শন আৰু বিজ্ঞানৰ আধাৰত নিজক সংস্কৃত ৰূপ দিবলৈ বাধ্য হয়। শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে গঢ় দি লোৱা জীৱন-চৰ্যাৰ ব্যৱস্থাৱলীয়ে এইখিনিতে সংস্কৃতিকো ধৰ্মৰ লগত মিলাই দিয়ে। আনহাতে দৰ্শন আৰু বিজ্ঞানৰ ক্ৰমোন্নতিয়ে মানৱ-মনক অধিক পৰিমাণে ৰহস্যমুখী কৰি তোলে। এই ৰহস্যমুখিতাই ধৰ্মৰ চৰম বিকাশৰ স্তৰ। এই স্তৰত ধৰ্মৰ আচৰণ-পক্ষ যান্ত্ৰিক বা পাশৱিক নহৈ কলাত্মক হ'ব পাৰে। দৰ্শনৰো মনস্তাত্ত্বিক দিশটোৱেই প্ৰভাৱ আনবোৰ দিশতকৈ কলাৰ ক্ষেত্ৰত বেছি।

ধৰ্মৰ লগত জড়িত হৈ থকা দৰ্শনৰ আন দুটা দিশ হ'ল — কৰ্তব্যবোধ আৰু বস্তুজগৎ সম্বন্ধীয় স্পষ্ট ধাৰণা। বস্তুজগৎ সম্বন্ধীয় ধাৰণা বা তত্ত্ব-জ্ঞানৰ লগত পদাৰ্থবিদ্যা প্ৰভৃতি শুদ্ধ বৈজ্ঞানিক চিন্তা আৰু গৱেষণাৰ সম্বন্ধ আছে। ধৰ্মই এই খিনিতে অন্ধবিশ্বাসক অতিক্ৰম কৰিব লগীয়া হয়। আনহাতে জীৱনৰ উপাদান কেৱল পদাৰ্থ আৰু যুক্তি নহয়। গতিকে জড় পদাৰ্থ আৰু চেতন আত্মাৰ মাজত সম্পৰ্ক স্থাপন কৰা মনস্তত্ত্বই কলাৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰাৰ দৰেই কৰ্তব্য-নিৰ্ণয়ৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে। সেই বাবে সমাজচেতনা বুলিলে সামূহিকতাবোধৰ লগতে বিজ্ঞান, দৰ্শন আৰু কলাৰ সমন্বয়ত গঢ় লোৱা সাংস্কৃতিক দায়িত্ববোধটোৰ কথাও মনত ৰাখিব লগীয়া। এনেস্থলত প্ৰগতিশীল জীৱন-ব্যৱস্থাৰ পৰিভাষা স্বৰূপ সংস্কৃতিৰ সকলো দিশ সামৰি ল'ব নোৱৰালৈকে ধৰ্ম পূৰ্ণাংগ হ'ব নোৱাৰে। প্ৰকৃততে সমাজচেতনা, ধৰ্মীয়চেতনা প্ৰভৃতি শব্দবোৰে সাংস্কৃতিক চেতনাৰ একো একোটা দিশত দিয়া গুৰুত্বৰহে সূচনা কৰে।

শংকৰদেৱ কেৱল ধৰ্মগুৰু নাছিল। তেওঁ ধৰ্মক যথা সম্ভৱ পূৰ্ণতা দিয়াৰ চেষ্টাত সাংস্কৃতিক সাধনাৰ প্ৰয়োজন উপলব্ধি কৰিছিল আৰু সেই বাবেই শংকৰদেৱ আজিৰ অসমৰ কাৰণেও সাংস্কৃতিক নেতা ৰূপে স্বীকৃত হৈ থাকিব পাৰিছে। মানুহে নিজক সংস্কৃতিৰ মাজত বিচাৰি পায়। মানুহৰ আত্মপ্ৰকাশৰ মাধ্যমো সাংস্কৃতিক ব্যৱস্থা মাত্ৰ। এনে সাংস্কৃতিক ব্যৱস্থাৰ লগত জড়িত কাৰণেই শংকৰদেৱ এজন মহাপুৰুষ যুগপ্ৰৱৰ্তক, মহান কলাকাৰ প্ৰভৃতি বহুত ৰূপত আমাৰ আপোন আৰু শ্ৰদ্ধাৰ পাত্ৰ হৈ আছে। গতিকে সাংস্কৃতিক মূল্যবোধৰ দৃষ্টিৰে আজি আমি তেওঁৰ কাৰ্যাৱলীৰ বিষয়ে আলোচনা কৰিব লাগে। ধৰ্ম আৰু সংস্কৃতিক পৃথক্ দুটা দৃষ্টিৰে চালে শংকৰদেৱৰ বিচাৰ আৰু কাৰ্যাৱলীৰ প্ৰকৃত মূল্যায়ন সম্ভৱ হ'ব নোৱাৰে।

# প্ৰথম খণ্ড

## সামাজিক পটভূমি

শংকৰদেৱৰ সামাজিক পটভূমি বুলিলে আমি কি বুজো? এই প্ৰশ্নৰ উত্তৰ ব্যক্তিভেদে সুকীয়া সুকীয়া হ'ব পাৰে। সাধাৰণ অৰ্থত শংকৰদেৱৰ সমকালীন সমাজেই তেওঁৰ সামাজিক পটভূমি: কিন্তু সেই সময়ৰ স্পষ্ট সামাজিক চিত্ৰ আমাৰ হাতত নাই। সেই বাবে তাক স্পষ্ট কৰিবৰ উদ্দেশ্যে কেৱল মধ্যযুগৰ ইতিহাসেই নহয়, প্ৰচীন যুগৰ ইতিহাসো আমাৰ আলোচ্য বিষয়ৰ ভিতৰত ল'ব লগীয়া হয়। এই পৰ্যন্ত প্ৰকাশিত অসমবুৰঞ্জীবোৰত প্ৰাক্ ঐতিহাসিক যুগকো প্ৰাচীন যুগৰ লগত সামৰি লোৱা দেখা যায়। আমি এই ক্ষেত্ৰত প্ৰাক্-ঐতিহাসিক যুগটো প্ৰাচীন যুগৰ পৰা আঁতৰাই লৈছোঁ।

### প্ৰাক্ ঐতিহাসিক যুগ:

ব্ৰহ্মপুত্ৰ উপত্যকাত কেতিয়াৰ পৰা কোন গোষ্ঠীৰ মানুহে বস-বাস কৰি আহিছে, সেই বিষয়ে স্পষ্ট ভাবে ক'ব পৰা একো প্ৰমাণ আমাৰ হাতত নাই। তদুপৰি কোন কোন জনগোষ্ঠীৰ লোক পৰ্বতৰ পৰা সমভূমিলৈ কেতিয়া নামিল আৰু কোন কোন জনগোষ্ঠীৰ লোক সমভূমিৰ পৰা পৰ্বতলৈ উঠিল প্ৰভৃতি অনেক কথাৰে আঁত বিচাৰি পোৱা টান। এই প্ৰসংগত আমাৰ আলোচনাই বিশেষ ভাবে সমভূমি অঞ্চলৰ লগতহে সম্পৰ্ক ৰক্ষা কৰিব। অনেক পণ্ডিতৰ মতে বৰ্তমান খাচিয়া জয়ন্তীয়া পাহাৰত বাস কৰা অষ্ট্ৰিক ভাষা-গোষ্ঠীৰ লোকসকল মূলতঃ বৃহৎ মংগোলীয় জাতিৰ লোক হ'লেও তেওঁলোকেই এই অঞ্চলৰ ভিতৰত সকলোতকৈ পুৰাণ বাসিন্দা। আংগামী, চাং আৰু কন্যাক নগাসকলো এই শ্ৰেণীৰ ভিতৰত পৰে। নগা জনজাতিৰ অনেক লোক নেগ্ৰিটো গোষ্ঠীৰ বুলিও কোৱা হয়। এওঁলোকো এই অঞ্চলৰ প্ৰাচীন অধিবাসী।

অষ্ট্ৰিক আৰু নেগ্ৰিটোসকলৰ পাছত মংগোলীয়সকলৰ আন এটা শাখা তিব্বতবৰ্মী বা কিৰাতসকল এই অঞ্চললৈ আহে। এওঁলোক ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ আৰু পূব দিশেদি এই অঞ্চললৈ আহিছিল। এওঁলোকৰ এভাগ অসমৰ উত্তৰ-পূবৰ পৰা পঞ্জাবলৈকে হিমালয়ৰ নামনি অঞ্চলত বিস্তৃত হৈ পৰিছিল।

পণ্ডিতসকলৰ মতে গাৰো, মিজো, মণিপুৰী, কাৰ্বি আদি ব্ৰহ্মপুত্ৰ উপত্যকাৰ দক্ষিণ দিশত থকা লোকসকল তথা ভৈয়াম আৰু উত্তৰৰ পৰ্বতীয়া অঞ্চলত বাস কৰা বড়ো, চুতীয়া, মৰাণ, মেচ, কোচ, তিৱা, কছাৰী, মিছিং অ'কা, ডফলা, আদী, মিচিমি, খামতি প্ৰভৃতি জাতিৰ লোকসকলো এওঁলোকৰেই বংশধৰ। নগাসকলো ভালেখিনি এই শ্ৰেণীৰ লোক।

বৰ কম দিনৰ ভিতৰত আৰু একেলগে এই লোকসকলে বৰ্তমান থকা ঠাইত থিতাপি লোৱাটো সম্ভৱ নাছিল। তেওঁলোকৰ পূৰ্বৰ বাসস্থানতকৈ এই ঠাইবোৰৰ জলবায়ু সুকীয়া হাবে জীৱিকাৰ উপায়ো সুকীয়া হৈ যোৱাটো স্বাভাৱিক আছিল। গতিকে জীৱিকাৰ উপায় আৰু জলবায়ুৰ লগত নিজক খাপখুৱাই ল'বলৈ যথেষ্ট সময়ৰ আৱশ্যক হৈছিল। তিব্বতৰ উত্তৰৰ শীত প্ৰধান অঞ্চলৰ পৰা অহা কাৰণে তেওঁলোকে পাৰ্বত্য অঞ্চলতকৈয়ো গ্ৰীষ্ম-প্ৰধান সমভূমি ভাগত নিজক খাপখুৱাই লবলৈ টান পাইছিল। সেইবাবেই তেওঁলোকে ব্ৰহ্মপুত্ৰৰ উপত্যকা অঞ্চলত বাস কৰিবলৈ লোৱাটো বৰ পুৰণি কথা নহ'বও পাৰে।

অসমলৈ অহা তিব্বতবৰ্মী বা কিৰাত গোষ্ঠীৰ লোকসকলৰ আদি বাসস্থান সম্বন্ধেও সামান্য মত ভেদ আছে। চীনৰ উত্তৰ অংশত থকা মংগোলিয়া অঞ্চল মংগোলসকলৰ আদি বাসস্থান বুলি ধৰিলেও গুৱাহাটীৰ পৰা সৰল ৰৈখিক গতিত মংগোলিয়াৰ দূৰত্ব আফগানিস্থানৰ দূৰত্বৰ সমান। শ্ৰীভৱেন নাজিৰ মতে এই মংগোলসকল খ্ৰী° পূঃ দুহেজাৰ চন মানত চাইবেৰিয়া অঞ্চলত সিচঁৰিত হৈ আছিল।+ মংগোলিয়াৰ পৰা চাইবেৰিয়াৰ দূৰত্ব উত্তৰফালে আৰু আঠ-ন শ মাইল বেছি। গুৱাহাটীৰ পৰা আফগানিস্থান আৰু মংগোলিয়া উভয়লৈকে সৰল ৰৈখিক দূৰত্ব বাৰশ মাইলতকৈয়ো বেছি। গতিকে খ্ৰী° পূঃ দুহেজাৰ চনৰ পাছত চাইবেৰিয়া অঞ্চলৰ পৰা হিমালয় অতিক্ৰম কৰি ( দুহেজাৰ মাইল দূৰৰ পৰা আহি অসমৰ সমভূমি অঞ্চলত বাস কৰিবলৈ লওঁতে দুহেজাৰ বছৰৰ ওচৰা-উচৰি সময় লাগিব পাৰে। আফগানিস্থানৰ সীমান্তৰ পৰা বৈদিক আৰ্যসকল ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰালৈকে দুহেজাৰ বছৰতকৈ সৰহ দিনহে লাগিছিল।

কিৰাত গোষ্ঠীৰলোকসকলৰ এভাগ হিমালয় অঞ্চলৰ পৰা দক্ষিণৰ সমভূমি অঞ্চললৈ নামি অহাৰ এটা ঐতিহাসিক কাৰণ তলত দিয়া ধৰণৰ হ'ব পাৰে। খ্ৰী° পূঃ দুই শতিকাত আফগানিস্থানৰ উত্তৰে আমুদৰিয়াৰ অৱবাহিকাত

+ দ্ৰঃ— অসমৰ জনজাতি, প্ৰথম বছৰ, প্ৰথম সংখ্যা;

থকা বলখ অঞ্চলত চীনৰ পাট কাপোৰ আৰু বাহঁৰ বস্তু বিক্ৰী হৈছিল। হিমালয় অঞ্চলত থকা কিৰাতসকলে হিমালয়ৰ নিম্ন ভাগেদি থকা বাটেদি চীন আৰু ভাৰতৰ মাজত বাণিজ্যসম্পৰ্ক স্থাপন কৰিছিল। সেই বাবে ভাৰতৰ মাজেদি গৈ চীনৰ বস্তু বলখৰ বজাৰত বিক্ৰী হৈছিল। খ্ৰীং পূঃ দুই শতিকাৰ শেষভাগত চীনৰ সম্ৰাটে তাৰিম নদীৰ উপত্যকাইদি নিজৰ সৈন্য পঠিয়াই চিৰ্দাৰিয়াৰ উপত্যকাত থকা খোকন্দ পৰ্য্যন্ত অধিকাৰ কৰাৰ পাছত বলখ আৰু চীনৰ মাজত পোন বাট ওলাই পৰিল।* কিন্তু এই পোনবাটটো ওলোৱা বাবে হিমালয় অঞ্চলৰ কিৰাতসকলৰ বাণিজ্য আৰু শিল্পত কিছু বাধাৰো সৃষ্টি হ'ল। চীনৰ লগত তেওঁলোকৰ বাণিজ্যৰ পৰিমাণ কমি আহিল। গতিকে পুৰণি শিল্প আৰু বাণিজ্যৰ উপৰিও জীৱিকাৰ বাবে আন উপায় বিচাৰি সমভূমি অঞ্চললৈ নামিব লগীয়া হ'ল। জীৱিকাৰ আন এটা উপায় চিকাৰৰ পৰিমাণ লাহে লাহে কমি আহিছিল। কিয়নো মানুহে খাদ্যৰূপে গ্ৰহণ কৰা জীৱজন্তুৰ সংখ্যা মানুহৰ সংখ্যা বৃদ্ধিৰ বিপৰীতে কমি যোৱাটো স্বাভাৱিক আছিল। এনেস্থলত এটা নতুন উপায় ৰূপে কৃষিকাৰ্যৰ প্ৰতি তেওঁলোক আকৃষ্ট হৈছিল।

চাইবেৰিয়াৰপৰা তিব্বত আৰু হিমালয়ৰ পাদদেশলৈকে গোটেই অঞ্চলটো শীত-প্ৰধান কাৰণে সেই অঞ্চলৰ কৃষি আৰু হিমালয়ৰ দক্ষিণত থকা গ্ৰীষ্মপ্ৰধান সমভূমি অঞ্চলৰ কৃষি একে জাতীয় হ'ব নোৱাৰে। গতিকে কিৰাতসকলে ব্ৰহ্মপুত্ৰ উপত্যকালৈ নামি আহিও এটা সুগম জীৱিকাৰ পথ উলিয়াই ল'বলৈ বহুত দিন লাগিছিল। আনহাতে এই নতুন অঞ্চলত জীৱজন্তুৰ অভাৱ আগৰ অঞ্চলতকৈ কিছু কম আছিল। সেইবাবে কিছুদিনৰ কাৰণে হ'লেও তেওঁলোক পুনৰ কৃষিজীৱী হোৱাতকৈ চিকাৰজীৱী হোৱাৰ সুবিধা ঘটিল। বোধ হয় এই কাৰণেই কিৰাতসকলৰ বহুতেই দক্ষিণৰ পৰ্বতীয়া ঠাইত থাকিবলৈ ল'লে আৰু সমভূমিত থকাসকলো কৃষিকাৰ্যত বহু কাললৈকে বেছি আগবাঢ়িব নোৱাৰিলে। প্ৰাক্‌ঐতিহাসিক যুগৰ পাছতো কৃষি আৰু বাণিজ্যৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ উপত্যকাৰ আগৰ চাম লোকতকৈ গংগা উপত্যকাৰ পৰা অহা নতুন চাম লোক আগবঢ়াৰ এইটোৱেই ঘাই কাৰণ হ'ব পাৰে। গংগাউপত্যকাৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ অহালোকসকলৰ পূৰ্বপুৰুষে খ্ৰীং পূঃ দুহেজাৰ চনৰে পৰা সিন্ধু আৰু গংগাৰ উপত্যকাত কৃষিপ্ৰধান সমাজ গঢ়ি দি অহাৰ সুবিধা পাই আহিছিল। তাৰ ফলত অৰ্থনীতি, সংস্কৃতি আৰু কলা-শিল্পই এটা সুকীয়া সমাজব্যৱস্থা সমভূমি অঞ্চলত বাস কৰা

---

* দ্ৰঃ জয়চন্দ্ৰ বিদ্যালংকাৰৰ 'ভাৰতীয় ইতিহাসৰ উন্মীলন পৃঃ ১৮৬/৮৭

লোকৰ বাবে সৃষ্টি কৰি লৈছিল। খ্ৰী° চতুৰ্থ শতিকাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ লোক-সকল গুপ্তসভ্যতাৰ সম্পৰ্কলৈ অহাৰ লগে লগে এটা নতুন জীৱন-পদ্ধতিৰ লগত পৰিচিত হ'বলৈ বাধ্য হ'ল। এই নতুন পদ্ধতিটোৱে এওঁলোকক ভাৰতীয় সাঁচত গঢ় দিবলৈ ধৰিলে আৰু প্ৰাক্ঐতিহাসিক যুগৰ পৰা ঐতিহাসিক যুগৰ নতুন বাটেদি যোৱাৰ দুৱাৰ মেলি দিলে।

সিন্ধু-গংগা উপত্যকাত খ্ৰী° পূ° দুই-ডেৰহেজাৰ বছৰমানতে সোমাবলৈ ধৰা নতুন শ্ৰেণীৰ মানুহক বৈদিক আৰ্য বোলা হয়। বৈদিক আৰ্যৰ অনুপ্ৰৱেশৰ আগতে সেই অঞ্চলবোৰত দ্ৰাবিড়, অষ্ট্ৰিক আৰু কম পৰিমাণে হ'লেও নেগ্ৰিটো গোষ্ঠীৰ লোক থকাই সম্ভৱ আছিল। মংগোল গোষ্ঠীৰ লোক বৈদিক আৰ্যতকৈ আগতে সম্ভৱতঃ অহা নাছিল: কিন্তু সেই অঞ্চলবোৰৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ অহা লোকসকল বিশুদ্ধ কোনো এটা গোষ্ঠীৰ লোক নাছিল, মিশ্ৰিত তেজ আৰু সংস্কৃতি লৈহে তেওঁলোকে ইয়াত প্ৰৱেশ কৰিছিল। তথাপি বৈদিক আৰ্য পৰম্পৰাৰ ভাষা আৰু সংস্কৃতিৰ প্ৰভাৱ সেই বিলাকৰ ভিতৰত বেছি আছিল। সেই কাৰণে আলোচনাৰ ক্ষেত্ৰত এওঁলোকৰ কথা কওঁতে 'আৰ্যপ্ৰধান' ভাষা-সংস্কৃতিৰ লোক বুলি চমুকৈ কোৱা হ'ব আৰু দ্ৰাবিড়, অষ্ট্ৰিক তথা মংগোলসকলক একেলগে সামৰি ক'বলগীয়া হ'লে 'আৰ্যভিন্ন' শব্দ ব্যৱহাৰ কৰা হ'ব। এই শব্দ দুটাৰ এটাই আনটোক অধিক শ্ৰেষ্ঠ বা নিকৃষ্ট বুজাই বুলি ধৰি ল'ব নালাগিব।

খ্ৰী° চতুৰ্থ শতিকাৰ পৰা মুখ্য ভাবে সিন্ধু-গংগা উপত্যকাৰ লোকৰ উপৰিও গৌণ ভাৱে সমগ্ৰ ভাৰতৰে লোক ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহিবলৈ ধৰিলে। গতিকে ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ সাংস্কৃতিক প্ৰভাৱে এই অঞ্চলত এটা নতুন সংস্কৃতিৰ জন্ম দিলে। খ্ৰী° ১৩ শতিকাত পুনৰ পশ্চিমৰ পৰা অহা তুৰ্ক আৰু পূবৰ পৰা অহা শান বা টাই জাতিৰ লোকে ইতিহাসৰ গতিত দিশ পৰিৱৰ্তন ঘটালে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰাচীন যুগৰ ইতিহাসো এইখিনিতেই শেষ হ'ল।

**অন্ধকাৰ যুগত কৃত্ৰিম পোহৰ :** ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰাক্-ঐতিহাসিক যুগৰ কোনো প্ৰামাণিক তথ্য নথকা সত্বেও আমাৰ বুৰঞ্জীগ্ৰন্থবোৰত পুৰাণ, মহাকাব্য প্ৰভৃতি নানা শ্ৰেণীৰ গ্ৰন্থ আৰু মুখ-প্ৰচলিত বস্তুবে সেই যুগৰ ইতিহাসৰ নামত ভ্ৰম সৃষ্টিৰ চেষ্টা কৰা আছে। এই ক্ষেত্ৰত প্ৰাগ্‌জ্যোতিষ্ আৰু কামৰূপ শব্দ দুটাই বৰ সহায় কৰে। লৌহিত্য শব্দয়ো নকৰাকৈ নাথাকে। সেই বাবে এই শব্দ কেইটাৰ অৰ্থ সম্বন্ধে বিচাৰ কৰি চোৱা আৱশ্যক।

**প্ৰাগ্‌জ্যোতিষ্‌ঃ** ৰামায়ণ, মহাভাৰত, হৰিবংশ প্ৰভৃতি পুৰাণ-উপ-পুৰাণ আৰু ৰঘুবংশ প্ৰভৃতি ধৰ্ম-নিৰপেক্ষ গ্ৰন্থসমূহতো এই শব্দটো পোৱা যায়। ইয়াৰ সংস্কৃত অৰ্থ পূবৰ জ্যোতিষ্‌ বা পূবৰ পোহৰ হোৱাৰ দৰে আগৰ জ্যোতিষ্‌ বা আগৰ পোহৰো হ'ব পাৰে। এই ক্ষেত্ৰত আমি গুপ্ত যুগৰ বহুত পাছত বৰ্তমান ৰূপ গ্ৰহণ কৰা মহাপুৰাণ আৰু উপপুৰাণসমূহৰ কথা বাদ দি গুপ্ত যুগত বৰ্তমান ৰূপ লোৱা মহাভাৰত, হৰিবংশ, ৰামায়ণ আৰু ৰঘুবংশৰ 'প্ৰাগ্‌জ্যোতিষ্‌' শব্দটোৰ বিষয়ে আলোচনা কৰিব খুজিছোঁ। কিয়নো গুপ্তযুগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগত ভাৰতৰ আন ঠাইৰ সম্পৰ্ক বাঢ়ি যোৱা বাবে এই বিষয়ৰ ভুল ধাৰণাও দূৰ হ'ল।

(ক) ৰামায়ণৰ কিষ্কিন্ধাকাণ্ডত সুগ্ৰীৱই সুষেণ প্ৰভৃতি বানৰসকলক সীতা-অন্বেষণৰ কাৰণে পশ্চিমফালে পঠাওঁতে প্ৰাগ্‌জ্যোতিষ্‌ ৰাজ্য পাবগৈ বুলিছে। সেই মতে পশ্চিম-সাগৰৰ মাজত বৰাহপৰ্বতত প্ৰাগ্‌জ্যোতিষ্‌ নামে সুৱৰ্ণময় নগৰ আছে আৰু তাত নৰক নামৰ দুষ্টাত্মা দানৱ আছে।

> যোজনানি চতুঃষষ্টিৰ্বৰাহো নাম পৰ্বতঃ।
> সুবৰ্ণ শৃংগঃ সুমহানগাধে বৰুণালয়ে। ৩০।
> তত্ৰ প্ৰাগ্‌জ্যোতিষং নাম জাতৰূপময়ংপুৰম্
> যস্মিন্‌ বসতি দুষ্টাত্মা নৰকোনাম দানৱঃ। ৩১॥ [ ৪ সৰ্গ ]

(খ) মহাভাৰতৰ তিনিটা প্ৰধান ঘটনাৰ প্ৰসংগত প্ৰাগ্‌জ্যোতিষ্‌পুৰৰ কথা আছে। দ্ৰোণপৰ্বত ভগদত্ত আৰু অশ্বমেধপৰ্বত বজ্ৰদত্তৰ লগত অৰ্জুনৰ যুদ্ধৰ কথা আছে; কিন্তু ভগদত্তৰ ৰাজ্য প্ৰাগ্‌জ্যোতিষ্‌ ক'ত, তাৰ ভৌগোলিক বিৱৰণ নাই। সভাপৰ্বৰ পাণ্ডৱৰ দিগ্বিজয় প্ৰসংগত প্ৰাগ্‌জ্যোতিষৰ ৰজা ভগদত্তৰ লগত অৰ্জুনৰ যুদ্ধৰ কথা কোৱা হৈছে। সভাপৰ্বৰ বিৱৰণ মতে অৰ্জুনে ইন্দ্ৰপ্ৰস্থৰ পৰা (বৰ্তমান দিল্লীৰ পৰা) উত্তৰফালে থকা ৰাজ্যবোৰ জয় কৰিবলৈ গৈছিল। সেই যাত্ৰাত তেওঁ ক্ৰমে আনৰ্ট, কালকূট, কুলিন্দ, সুমণ্ডলৰ ৰাজ্য, শাকল আৰু প্ৰতিবিন্ধ্য পৰ্বতৰ ৰজা সকলক পৰাস্ত কৰি তেওঁলোকৰ সহায় লৈ প্ৰাগজ্যোতিষ্‌পুৰ আক্ৰমণ কৰে। ভগদত্তৰ সহায়ক সেনাবোৰৰ ভিতৰত কিৰাত, চীন প্ৰভৃতি সমুদ্ৰ-তটবৰ্তী দেশৰ মানুহো আছিল। তাৰ পাছত তেওঁ আৰু আগ বাঢ়োঁতে ক্ৰমে উত্তৰলৈ পুৰু, কাশ্মীৰ, লোহিত, বাহ্লীক, দৰদ, কম্বোজ আৰু ঋষিক দেশ জয় কৰা বুলিছে। এইবোৰৰ ভিতৰত কাশ্মীৰ, বাহ্লীক দৰদ আৰু ঋষিক সম্পূৰ্ণ উত্তৰে নহয়, কিছু উত্তৰ পশ্চিম দিশে পৰে; কিন্তু কাশ্মীৰ পাৰ হৈ পোৱা লোহিত আৰু প্ৰাগজ্যোতিষপুৰৰ ৰজাক সহায় কৰা সমুদ্ৰতটবৰ্তী কিৰাত, চীন-

সকলৰ কথা মন কৰিব লগীয়া। 'লোহিত' শব্দই হয়তো লোহ বা তিব্বত দেশৰ লগত কিবা সম্পৰ্ক ৰাখিছে। সমুদ্ৰ শব্দটো এই ক্ষেত্ৰত কোনোবা বৃহৎ জলাশয় বা হ্ৰদ সূচকহে হোৱা সম্ভৱ। গুপ্তযুগতকৈ কেইবাশও বছৰৰ আগৰে পৰাই চীনৰ লগত ভাৰতৰ সম্পৰ্কৰ কথা জনা যায়। গতিকে বিদেশী সৈন্যও থকা অৰ্থত ভগদত্তৰ সেনা বাহিনীত চীনৰ উল্লেখ কৰা হ'ল। এই যাত্ৰাতে অৰ্জুনে হিমালয়, মানস সৰোবৰ আৰু উত্তৰ হৰিবৰ্ষও পায় বুলিছে। এনে স্থলত অৰ্জুনৰ দিগ্বিজয় পথত পৰা এইখন প্ৰাগজ্যোতিষপুৰ বৰ্তমান অসমৰ গুৱাহাটী হ'ব নোৱাৰে।

ৰাজসূয় যজ্ঞৰ বাবে পূব দিশে দিগ্বিজয় কৰিবলৈ যোৱা ভীমে বাটত পুলিন্দ, চেদী, কোশল অযোধ্যা মিথিলা, গিৰিবজ্ৰ (মগধ) আৰু বংগ জয় কৰি লৌহিত্যৰ তীৰত উপস্থিত হোৱা বুলিছে; কিন্তু তেওঁ প্ৰাগ্‌জ্যোতিষ্‌ ৰাজ্য পোৱা বোলা নাই।

(গ) কালিদাসৰ ৰঘুবংশত থকা বিবৰণো মহাভাৰতৰ লগত কিছু মিলে। তাত ৰঘুৰ বিজয়-যাত্ৰাৰ ক্ৰম এনেধৰণৰ — প্ৰথমতে পূব দিশে গৈ সমুদ্ৰতীৰত উপস্থিত হয় আৰু বংগৰ ৰজাসকলক পৰাস্ত কৰি কপিশা নদী পাৰ হৈ কলিংগ দেশলৈ যায়। কলিংগৰ পৰা দক্ষিণমুৱা হৈ কাবেৰী আৰু তাম্ৰপৰ্ণী নদী থকা পাণ্ড্য ৰাজ্য জয় কৰি সহ্য(পশ্চিমঘাট)পৰ্বত পাৰ হয়। তাৰ পাছত তেওঁ পশ্চিম দিশত কেৰল আৰু পাৰসীক বা যৱন ৰাজ্য জয় কৰে। ইয়াৰ পাছত উত্তৰ দিশৰ সিন্ধু নদীৰ তীৰস্থ দেশবোৰ অতিক্ৰম কৰি হূণ, কম্বোজ, কিৰাত ৰাজ্য অধীনলৈ আনি লৌহিত্য নদী পাৰ হৈ প্ৰাগজ্যোতিষ্‌ ৰাজ্যত উপনীত হয়। মন কৰিব লগীয়া যে মহাভাৰতৰ বৰ্ণনা মতে লোহিত ৰাজ্য প্ৰাগজ্যোতিষৰ উত্তৰত। কিন্তু কালিদাসৰ বৰ্ণনাত ৰঘু পশ্চিমৰ পৰা ওলোটা দিশত অহা বাবে প্ৰাগ্‌-জ্যোতিষ পোৱাৰ আগতে লৌহিত্য নদী পাৰ হৈছে। গতিকে মহাভাৰতৰ লোহিত সকলৰ দেশত থকা নদীয়েই ৰঘুবংশত উল্লিখিত লৌহিত্য নদী হ'ব পাৰে। সেয়ে হলে 'লৌহিত্য' শব্দই ব্ৰহ্মপুত্ৰক নুবুজায় আৰু প্ৰাগ্‌জোতিষ্‌পুৰো বৰ্তমান অসমৰ গুৱাহাটী নহয়। *

(ঘ) হৰিবংশতো নৰকাসুৰবধ প্ৰসংগত প্ৰাগ্‌জ্যোতিষ্‌পুৰৰ উল্লেখ আছে। তথাপি মহাভাৰত আৰু ৰঘুবংশৰ নিচিনা ভৌগোলিক স্থিতিৰ উল্লেখ ইয়াত নাই; কিন্তু গৰুড় পক্ষীক কামৰূপী বোলা হৈছে। এই প্ৰসংগত কামৰূপ শব্দৰো অৰ্থ মন কৰিবলগীয়া।

---

* দ্ৰষ্টব্য- ৰঘুবংশ, চতুৰ্থ সৰ্গ।

**কামৰূপ ঃ—** ৰঘুবংশত প্ৰাগ্‌জ্যোতিষৰ ৰজাক কামৰূপেশ্বৰ বোলা হৈছে। সেইবাবে পাছত প্ৰাগ্‌জ্যোতিষ্‌ আৰু কামৰূপ একে দেশবাচক শব্দ ৰূপে ব্যৱহাৰ কৰিবলৈ ধৰা হ'ল। প্ৰকৃততে ইচ্ছানুসৰি ৰূপধাৰণকাৰী বা কামনা অনুসাৰে পৃথক্ পৃথক্ ৰূপ ধৰিব পৰা ব্যক্তি অৰ্থত 'কামৰূপ' শব্দৰ প্ৰয়োগ সংস্কৃত সাহিত্যত হৈছিল। পাছৰ টীকাকাৰসকলে তেনে ধৰণৰ ব্যক্তি সমূহৰ দেশকে 'কামৰূপ' নাম দি এটা স্থায়ী ভ্ৰম সৃষ্টি কৰিলে। এই প্ৰসংগত তলৰ শ্লোক সমূহ মন কৰিব লগীয়া।

(ক) চক্ৰে মুখসহস্ৰংহি কামৰূপী মহাবলঃ ॥ হৰিবংশ বিষ্ণুপৰ্ব ১২২/১৭, ( ইয়াত কামৰূপী গৰুড় পক্ষীয়ে সহস্ৰমুখ ৰূপ ধাৰণ কৰা বুলিছে )

(খ) জাতংবংশে ভুৱনবিদিতে পুষ্কৰাৱৰ্তকানাং। জানামি ত্বাং প্ৰকৃতিপুৰুষং কামৰূপং মঘোন। মেঘদূত ১/৬ ; ইয়াত ইচ্ছানুসৰি ৰূপ সলনি কৰিব পৰা কাৰণে মেঘক কামৰূপ বোলা হৈছে।

al Library Calcutta-27

(গ) তমীশঃ কামৰূপাণামত্যাখণ্ডলবিক্ৰমম্ । ×× ৰঘুবংশ, ৪।৮৩

(ঘ) কামৰূপেশ্বৰস্তস্য হেমপীঠাধিদেৱতাম । ××× ৰঘুবংশ ৭।৮৪

এই দুই ঠাইতে কামৰূপ শব্দটো দেশবাচক বুলি ধৰিলেও মূলতঃ ব্যক্তিবাচক হ'ব পাৰে। সম্ভৱতঃ ভাৰতীয় সংস্কৃত সাহিত্যৰ প্ৰাচীন যুগত প্ৰাগ্‌জ্যোতিষ্‌পুৰৰ স্থিতি সম্বন্ধে স্পষ্ট ধাৰণা নাছিল। নদীসূচক 'লৌহিত্য' শব্দও লোহিত আৰু লোহ শব্দৰ লগত জড়িত বাবে ভ্ৰমাত্মক আছিল। মহাভাৰত আৰু ৰঘুবংশৰ দৰে হৰিবংশতো 'লোহিতংগ' নামে এখন ঠাইৰ নাম উল্লেখ কৰা হৈছে। নৰক-ৰধৰ বাবে যাওঁতে শ্ৰীকৃষ্ণই প্ৰাগ্‌জ্যোতিষ পোৱাৰ আগতে এই ঠাই পাইছিল। টীকাকাৰে এই 'লোহিতাংগ' সিন্ধু অঞ্চলৰ এখন ঠাই বুলিছে। মন কৰিব লগীয়া যে ৰামায়ণ, মহাভাৰত আৰু হৰিবংশত কামৰূপ শব্দৰ প্ৰয়োগ প্ৰাগজ্যোতি-ষৰ পৰ্যায়বাচী অৰ্থত কৰা নাই। কেৱল ওপৰত উদ্ধৃত শ্লোকৰ আধাৰত ৰঘু-বংশৰ 'কামৰূপ' শব্দ প্ৰাগ্‌জ্যোতিষৰ পৰ্যায়বাচী বুলি ধৰা হ'ল

ঐতিহাসিক দৃষ্টিত ভাৰতৰ লগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাংস্কৃতিক আৰু ৰাজনৈতিক সম্বন্ধটো তিনিটা স্তৰত বিভক্ত কৰিব পাৰি। প্ৰথম স্তৰত ভাৰতৰ ভিতৰত বৃহত্তম সাম্ৰাজ্য মগধৰ সীমান্তবৰ্তী হ'লেও ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগত মগধৰ সাংস্কৃতিক সম্পৰ্ক খ্ৰীঃ ২।১ শতিকা মানলৈকে সম্ভৱতঃ হোৱা নাছিল। বুদ্ধযুগৰ ১৬ জন পদৰ ভিতৰত প্ৰাগ্‌জ্যোতিষ্‌ বা কামৰূপৰ নাম নাছিল। হীন-

যান বৌদ্ধ সাহিত্য আৰু অশোকৰ দিনৰ শিলালেখ আদিতো এই অঞ্চলৰ লেখ নাই। দ্বিতীয় স্তৰত গংগাৰ উপত্যকা বা মধ্যদেশত থকা ৰাজনৈতিক আৰু সাংস্কৃতিক নেতাসকলে প্ৰাগ্‌জ্যোতিষ্ ৰাজ্যৰ ভৌগোলিক স্থিতিৰ বিষয়ে ভালকৈ নজনা বাবে সমুদ্ৰ, পৰ্বত অৰণ্যময় প্ৰভৃতি অগম্য স্থানত বুলি ভাবিছিল আৰু সাহিত্যতো তাৰ তেনে চিত্ৰকে দাঙি ধৰিছিল। তৃতীয় স্তৰত ৰাজনৈতিক সম্বন্ধ আৰম্ভ হ'ল আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰাগ্‌জ্যোতিষ্ আৰু কামৰূপ শব্দই আগৰ কাল্পনিক প্ৰাগ্‌জ্যোতিষক তল পেলালে। কোনো কোনো আলোচকে কৌটিল্যৰ 'অৰ্থ-শাস্ত্ৰ'ত কামৰূপৰ কথা আছে বুলি কয় যদিও, স্পষ্ট ভাবে কামৰূপ বা প্ৰাগ্‌জ্যোতিষ্ শব্দৰ উল্লেখ অৰ্থশাস্ত্ৰত নাই। ২ অধিকৰণৰ ১১ অধ্যায়ত থকা লৌহিত্য অঞ্চলৰ 'ভদ্ৰশ্ৰী কৰ্পূৰ'ৰ উল্লেখেই কামৰূপক সূচাব নোৱাৰে। 'লৌহিত্য' শব্দৰ অৰ্থ স্পষ্ট নহয়, কিয়নো লৌহিত্য-লোহিত আদি শব্দত অতিব্যাপ্তি দোষ আছে।

সমুদ্ৰগুপ্তৰ দিগ্বিজয়ৰ বৰ্ণনা থকা প্ৰয়াগপ্ৰশস্তিৰ কামৰূপ' শব্দই ব্ৰহ্মপুত্ৰ উপত্যকাৰ সামাজিক জীৱনলৈ নতুন যুগ অনাৰ দৰেই ভাৰতৰ সাহিত্যতো এই দিশত চিন্তাৰ পৰিবৰ্তন ঘটিল। আগতে পৰিচয় নথকা আৰ্যভিন্ন গোষ্ঠীৰ শব্দই সংস্কৃত সাহিত্যত সংস্কৃতগঢ় লৈ দেখা দিলে। আনহাতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভিতৰত প্ৰচলিত পুৰণি শব্দবোৰও আগৰ ৰূপ এৰি নতুন ৰূপ ল'বলৈ আৰম্ভ কৰিলে আৰু ভাৰতৰ আন ঠাইৰ বিষয়-বস্তুৰ লগত নতুন সম্পৰ্ক স্থাপন কৰিলে। প্ৰাগ্‌জ্যোতিষ্, কামৰূপ, কামাখ্যা প্ৰভৃতি এইদৰে নতুন সাঁচত গঢ়লোৱা শব্দহে। 'কামৰূপ' শব্দটো প্ৰয়াগৰ প্ৰশস্তিত ব্যৱহাৰ হ'লেও তাৰ মূল ৰূপটো হয়তো সুকীয়া আছিল। প্ৰাগ্‌জ্যোতিষ্ শব্দৰ মূল সম্বন্ধে এনেধৰণৰ মত আছে। এই সম্পৰ্কীয় দুটা মত তলত দিয়া হ'ল।

(ক) 'প্ৰাক্+জিথ' শব্দৰ পৰা প্ৰাগ্‌জ্যোতিষ্ শব্দ হৈছে। তাৰ অৰ্থ হ'ল পূব ফালে যোৱা বাট। জিথ শব্দই বাট বুজায়।+ গতিকে কাশ্মীৰৰ ওচৰতো প্ৰাক্‌জিথ > প্ৰাগ্‌জ্যোতিষ্ নামৰ ঠাই থকাটো অসম্ভৱ নাছিল। কিয়নো তাৰ পৰা পূব দিশলৈ হিমালয়ৰ কাষে কাষে চীন পৰ্যন্ত বেহা বেপাৰ চলা বাট থকা কথা ইতিহাসত পোৱা যায়। গতিকে মহাভাৰত আৰু ৰঘুবংশৰ প্ৰাগ্‌জ্যোতিষ্

---

+ দ্ৰ° ড° বাসুদেৱশৰণ অগ্ৰৱালৰ গুৱাহাটীত অনুষ্ঠিত প্ৰাচ্যবিদ্যা সন্মেলনৰ সভাপতিৰ অভিভাষণ।

প্ৰাচীন কালৰ ভৌগোলিক সত্য হ'ব পাৰে। খ্ৰী° শতিকা আৰম্ভ হোৱাৰ লগে লগে এই বাট বন্ধ হোৱা বাবে কাশ্মীৰৰ ওচৰৰ প্ৰাগ্‌জ্যোতিষৰ গুৰুত্বও লোপ পালে আৰু প্ৰাগ্‌জ্যোতিষ্ নামটোৱে পূবৰ ব্ৰহ্মপুত্ৰ উপত্যকাত থিতাপি লোৱাৰ সুবিধা ওলাল। আনহাতে মন কৰিবলগীয়া যে হিমাচল প্ৰদেশত বৰ্তমানেও 'কামৰূ' নামৰ এখন ঠাই আছে।

(খ) অষ্ট্ৰিক ভাষাগোষ্ঠীৰ 'প্ৰাগাৰ্ জুহতিষ্' শব্দটোৱেই বৰ্ণ সাদৃশ্যৰ বাবে সংস্কৃতৰ 'প্ৰাগ্‌জ্যোতিষ্' ৰূপ সহজে গ্ৰহণ কৰিব পাৰে। ইয়াৰ অৰ্থ হ'ল ওখ পৰ্বতৰ শাৰী থকা ঠাই। * গুৱাহাটীৰ প্ৰাকৃতিক স্থিতিৰ লগত এই অৰ্থ খাপ খোৱাও। সেইদৰে বিভিন্ন জনজাতিৰ সুকীয়া সুকীয়া বিচিত্ৰ সাজ-পাৰৰ বাবে কামৰূপ( ইচ্ছাধীনবিগ্ৰহম্ )শব্দও এই অঞ্চলৰ কাৰণে সাৰ্থক যেন বোধ হৈছিল।

খ্ৰী° ৪ শতিকাৰ প্ৰয়াগ-প্ৰশস্তিত থকা-'সমতট, ডবাক, কামৰূপ, নেপাল কৰ্তৃপুৰাদি' বাক্যাংশই কামৰূপৰ ভৌগোলিক স্থিতিৰ লগতে প্ৰত্যন্ত ৰাজ্য বা ভাৰতৰ সীমান্তবৰ্তী ৰাজ্য বোলা কথাৰ যোগেদি ঐতিহাসিক স্থিতিৰো সংকেত দিলে। তাৰ পাছত কামৰূপ লাহে লাহে ৰাজনৈতিক, সাংস্কৃতিক আৰ্থিক ক্ষেত্ৰতো ভাৰতৰ সীমান্তৱৰ্তীৰ পৰা অন্তৰ্বৰ্তী হৈ আহিবলৈ ধৰিলে।

---

* দ্ৰ° ড° বাণীকান্ত কাকতিৰ 'পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা' পৃ° ৯।

# প্ৰাচীন যুগ

## ইতিহাসৰ সামগ্ৰী ঃ

এই যুগৰপৰা ব্ৰহ্মপুত্ৰ উপত্যকা বুজাবৰ কাৰণে কামৰূপ শব্দৰ প্ৰয়োগ কৰিব পাৰি যদিও, বহুত ক্ষেত্ৰত কামৰূপ ৰাজ্যৰ সীমাই বৰ্তমানৰ বংগ–বিহাৰ প্ৰভৃতি অন্য ৰাজ্যৰো বহু অংশ সামৰি লয় বাবে, অৱস্থাভেদে তাক বহল অৰ্থত গ্ৰহণ কৰিব লাগিব। কামৰূপ ৰাজ্যৰ সীমাৰেখাৰ পৰিবৰ্তন হ'লেও মূলতঃ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনৈতিক-সামাজিক ক্ৰিয়া–কলাপেই এই যুগৰ কামৰূপ ৰাজ্যৰ প্ৰসাৰণ আৰু সংকোচনৰ ঘাই কাৰণ আছিল। প্ৰকৃততে এইটো আছিল ভাৰতীয়কৰণৰ যুগ। জীৱনৰ সকলো দিশতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ আগবঢ়া শ্ৰেণীৰ লোকে এই যুগত নিজক ভাৰতীয় সাঁচত গঢ় দিবলৈ আৰম্ভ কৰিছিল। এই সম্পৰ্কীয় তথ্যৰ কাৰণে পোৱা সমলবোৰৰ ভিতৰত গুপ্ত, নাগ আৰু চালুক্য ৰজাসকলৰ দিনৰ ভাস্কৰ্য, বৰ্মণ, শালস্তম্ভ আৰু পাল বংশীয় ৰজাসকলৰ অভিলেখ বা আদেশ ফলক, ১০।১১ শতিকা মানত কামৰূপ অঞ্চলত ৰচিত কালিকা-পুৰাণ আৰু নাথপন্থী সাহিত্য প্ৰধান। কিৰাত গোষ্ঠীৰ শাখা-প্ৰশাখা স্বৰূপ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত পৰম্পৰাও এই ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ সমল।

## ভাস্কৰ্য আৰু লিপি ঃ

লেখনকলা, মূৰ্তিশিল্প আৰু মন্দিৰ-নিৰ্মাণৰ প্ৰথা গুপ্ত শাসকসকলৰ আহিত আৰম্ভ হৈছিল। বৰ্তমানলৈকে ব্ৰহ্মপুত্ৰ উপত্যকাত পোৱা লিপিবোৰৰ ভিতৰত সৰ্বপ্ৰাচীন কামাখ্যা পাহাৰৰ উমাচল লিপিৰ কাল খ্ৰীঃ ৫ শতিকামান বুলি ধৰা হৈছে। ব্ৰাহ্মীলিপিৰে সংস্কৃত ভাষাত ৰচনা কৰা এইখন শিলালেখত ৰজা সুৰেন্দ্ৰ বৰ্মণৰ দিনত বলভদ্ৰ স্বামীৰ পূজাৰ অৰ্থে এটা গুহামন্দিৰ নিৰ্মাণ কৰা কথা কৈছে। মন কৰিব লগীয়া যে ইয়াৰ আগতে ব্ৰহ্মপুত্ৰ উপত্যকাত লিখা পঢ়া বিদ্যাৰ প্ৰচলন হোৱা নাছিল। কিৰাত জনগোষ্ঠীৰ ভাষাই কুৰি শতিকাতহে লিখিত ৰূপ ল'বলৈ ধৰিছে। লিপিৰ লগতে শিলকটা বিদ্যা আৰু মন্দিৰ-নিৰ্মাণৰ কথাও মন কৰিব লগীয়া। এই কামবোৰ প্ৰথমতে নিশ্চয় কামৰূপৰ বাহিৰৰ পৰা অহা মানুহে কৰিছিল।

কাৰ্বি আংলং জিলাৰ বৰগংগানদীৰ পাৰত থকা দ্বিতীয় প্ৰাচীন শিলা-লেখতো ব্ৰাহ্মী লিপি আৰু সংস্কৃত ভাষাৰেই প্ৰয়োগ দেখা গৈছে। খ্ৰীঃ ৬ শতিকাৰ এই লেখ মতে ৰজাভূতিবৰ্মাই অশ্বমেধ যজ্ঞ কৰিছিল।

খ্ৰীঃ ৫।৬ শতিকা মানত তেজপুৰৰ ওচৰৰ দহপৰ্বতীয়াত সজোৱা তোৰণৰ কলাই খ্ৰীঃ ২ শতিকা মানৰ প্ৰাক্‌গুপ্তকালীন নাগ বা ভাৰশিৱসকলৰ প্ৰভাৱৰ পৰিচয় দিয়ে। হাতত মালা লৈ কলাত্মক ভংগীত থিয় হৈ থকা গংগা আৰু যমুনা দেৱীৰ নাৰীমূৰ্তি দুটা এই চৌকাঠত নিৰ্মিত হৈছে। ৺কনকলাল বৰুৱাৰ মতে পাটলিপুত্ৰ আৰু বাৰাণসীৰ কলাৰ লগত এই কলাৰ সাদৃশ্য আছে।

খ্ৰীঃ ৭ শতিকাৰ পৰা ১২ শতিকাৰ ভিতৰত ৰজাসকলে ভূমিদান কৰা বিষয়ৰ তাম্ৰফলকবোৰ এই যুগৰ ইতিহাসৰ গুৰুত্বপূৰ্ণ সমল। ৮ শতিকাৰ পৰা ১৩ শতিকাৰ আগভাগলৈকে কামৰূপৰ ভিন্‌ভিন্ ঠাইত সজা ধৰ্মসাপেক্ষ আৰু ধৰ্মনিৰপেক্ষ মূৰ্তিবোৰো যথেষ্ট মূল্যৱান সঁজুলি। তাম্ৰফলকৰ লিপি আৰু মূৰ্তিসমূহৰ পৰা তৎকালীন কামৰূপৰ ধৰ্ম, সমাজ, শিল্প কলা আৰু আৰ্থিক জীৱনৰ বিষয়ে জানিব পৰা হয়।

## কালিকাপুৰাণ আৰু নাথপন্থী সাহিত্য ঃ

কালিকাপুৰাণক প্ৰাচীন কামৰূপৰ ইতিহাস সম্বন্ধে জানিবৰ কাৰণে এক গুৰুত্বপূৰ্ণ সামগ্ৰীৰূপে গ্ৰহণ কৰা হয়; কিন্তু এই কালিকাপুৰাণেই আমাৰ ঐতিহাসিক চিন্তাক কিছুমানক্ষেত্ৰত পথভ্ৰষ্ট কৰি অনৈতিহাসিক পথেদি লৈ যায়। খ্ৰীঃ ১০।১১ শতিকামানত ৰচিত এই উপপুৰাণখনে ৪ শতিকাৰপৰা সেই সময়-লৈকে প্ৰায় ৭শ বছৰৰ ভিতৰত কামৰূপ সম্বন্ধীয় যি জনশ্ৰুতি গঢ় লৈছিল তাৰ ভিত্তিত তৎকালীন কামৰূপৰ ধৰ্মীয় সাধনমাৰ্গ, সামাজিক ৰীতি-নীতি আৰু পৌৰা-ণিক কথাবস্তুৰ মাজত সমন্বয়-সাধনৰ চেষ্টা কৰিছিল। সেইবাবে কালিকাপুৰাণৰ কাহিনীবোৰ যথাতথ্য ইতিহাসৰ কাহিনী নহয়, পৌৰাণিক কাহিনীহে। পুৰাণৰ কাহিনীবোৰৰ বহুতেই প্ৰতীকাত্মক আৰু অতিৰঞ্জিত। গতিকে কালিকাপুৰাণৰ পৰা ঐতিহাসিক তথ্য গ্ৰহণ কৰোঁতে যথেষ্ট সাৱধান হ'ব লাগিব।

কালিকাপুৰাণৰ ভাষা সংস্কৃত। সেইবাবে পুৰোহিত আৰু শাসক বা সামন্ত শ্ৰেণীৰ বাহিৰে আনে তাক বুজা নাছিল; কিন্তু নাথপন্থী সাহিত্যবোৰ জনসাধাৰণৰ বাবে লিখা হৈছিল। সেইবাবে তাৰ ভাষা তৎকালীন সমাজৰ উপ-যোগী লোকভাষা আছিল। যোগসাধনাৰ মহত্ত্ব প্ৰকাশ কৰা যোগমাৰ্গৰ ব্যৱস্থা

দিয়া সাহিত্যৰ উপৰিও যোগীসকলে অষ্টসিদ্ধিৰ বলেৰে দেখুৱাব পৰা চমৎকাৰৰ ওপৰত গুৰুত্ব দিয়া অন্যান্য ধৰ্মনিৰপেক্ষ লোকসাহিত্যও পাছলৈ গঢ় লৈছিল। সাধুকথাবোৰতো এনে চমৎকাৰৰ প্ৰভাৱ লক্ষ্য কৰিলে দেখা যায়। ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত, জনাগাভৰুৰ গীত, কমলাকুঁৱৰীৰ গীত আদি লোকগীতত এনে প্ৰভাৱ লক্ষণীয়। মইনামতীৰ গীতক ঐতিহাসিক আধাৰ দিবলৈকো যত্ন কৰা হয়।+ 'মীনচেতন' বা 'গোৰক্ষবিজয়' গ্ৰন্থৰ বিষয়বস্তু স্পষ্ট ভাবেই নাথ-ধৰ্ম-বিষয়ক ; কিন্তু এই কাহিনী আৰু লোকসাহিত্য সকলোৱেই বৃহত্তৰ কামৰূপৰ পশ্চিম অংশ অৰ্থাৎ ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিমত থকা অঞ্চলতহে জনপ্ৰিয় ৰূপ লাভ কৰিছিল। সেই বাবে তাৰ ভাষাতো পশ্চিমীয়া প্ৰভাৱ বেছি। নাথপন্থী সাহিত্যৰ বিষয়বস্তু আৰু ভাষা সম্বন্ধে কিছু মুকলি আলোচনা পাছত কৰা হ'ব। এই প্ৰসংগত মন কৰিব লগীয়া কথা ইমানেই যে বৰ্তমান প্ৰচলিত উত্তৰ ভাৰতীয় ভাষাসমূহৰ প্ৰাথমিক স্তৰত নাথপন্থী সাহিত্যই এক উমৈহতীয়া ভাৱভূমিৰ সৃষ্টি কৰিছিল। গুৰুগোৰখনাথৰ ধৰ্মীয় আৰু সামাজিক সংগঠনৰ ভিত্তিত এনে সামাজিক সমন্বয়ৰ প্ৰচেষ্টা সমগ্ৰ ভাৰত জুৰি হৈছিল। উচ্চ বৰ্গৰ পুৰোহিত আৰু সামন্তশ্ৰেণীৰ মাজত সীমাবদ্ধ সংস্কৃত ভাষাৰ পৰিবৰ্তে সম্পূৰ্ণ ৰূপে লোকভাষাৰ যোগেদি যোগমাৰ্গৰ উপদেশ দিয়া ব্যৱস্থাই পশ্চিম-ভাৰত আৰু উত্তৰ ভাৰতৰ লগতে পূবভাৰতৰ কামৰূপ পৰ্যন্ত সকলো অঞ্চলতে একে ধৰণৰ ভাৱ আৰু ভাষাৰ অনুপ্ৰেৰণা যোগাব পাৰিছিল। ৰাজনৈতিক যুগান্তৰৰ লগতে সমাজ আৰু সাহিত্যকো প্ৰাচীন যুগৰ পৰা মধ্যযুগলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত নাথপন্থই এই দৰেই বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

গোৰখনাথৰ গুৰু মৎস্যেন্দ্ৰনাথ যোগমাৰ্গী কৌলসাধক আছিল। গোৰক্ষনাথ বা গোৰখনাথ তেওঁৰ শিষ্য হ'লেও সাধনমাৰ্গই গোৰখনাথৰ হাতত কিছু সুকীয়া ৰূপ ল'লে। উচ্চ বৰ্গৰ পুৰোহিত শ্ৰেণীৰ নেতৃত্ব দিয়া শংকৰাচাৰ্যৰ পাছত গোৰখনাথৰ সংগঠনেই সমগ্ৰ ভাৰত জোৰা ব্যাপক বিধৰ আছিল। সাধাৰণ শ্ৰেণীৰ লোকৰ মাজত সংগঠন আৰু জাগৰণৰ পথপ্ৰদৰ্শক ৰূপে গোৰখনাথ সম্ভৱতঃ পৰৱৰ্তী বৈষ্ণৱ গুৰুসকলৰ কাৰণেও অনুপ্ৰেৰণাৰ স্থল আছিল। গোৰখনাথৰ স্থিতিকাল আৰু কালিকাপুৰাণৰ ৰচনা-কাল প্ৰায় একেই; কিন্তু গোৰনাথৰ জন্ম স্থান পশ্চিম ভাৰতৰ পঞ্জাব অঞ্চলেই হোৱাৰ সম্ভৱনা বেছি। তাৰ বিপৰীতে কালিকা-পুৰাণৰ ৰচনা পূৱভাৰতৰ কামৰূপত হৈছিল। কালিকাপুৰাণে পঞ্চমকাৰ আৰু

---

+ ডঃ হজাৰীপ্ৰসাদ দ্বিৱেদীয়ে 'নাথসম্প্ৰদায়' গ্ৰন্থত গোপীচন্দ্ৰ বা গোবিন্দচন্দ্ৰৰ সময় খ্ৰীঃ ১০ শতিকা বুলি স্থিৰ কৰিছে।

ভয়ংকৰ বলিবিধান প্ৰভৃতিৰ ব্যৱস্থা থকা সাধনাৰ বিবৰণ দাঙি ধৰিছে; কিন্তু গোৰক্ষনাথে শুদ্ধ সন্ন্যাস আৰু ব্ৰহ্মচৰ্যৰ ব্যৱস্থাৰে কালিকাপুৰাণ-দ্বাৰা সমৰ্থিত বামমাৰ্গৰ বিৰোধ কৰিছে। প্ৰাচীনযুগ আৰু মধ্যযুগৰ সন্ধিক্ষণৰ এই সংঘাতে চাৰিশ বছৰৰ পাছৰ শংকৰদেৱৰ সময়লৈকে নানা তৰহৰ সামাজিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি আছিল।

## জনগোষ্ঠীৰ পৰম্পৰা

কামৰূপৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত কথাই মহাভাৰত, পুৰাণ-উপপুৰাণ আৰু যোগমাৰ্গৰ লগত সম্পৰ্ক ৰক্ষা কৰা দেখা যায়। তাৰ পৰা বুজা যায় যে এই শ্ৰেণীৰ কথাবস্তু গঢ় লোৱাৰ আগতেই তেওঁলোকৰ মাজত ভাৰতীয়তাবোধ ভালকৈ জাগ্ৰত হৈছিল। এই সম্পৰ্কীয় দুটামান উদাহৰণ তলত দাঙি-ধৰা হৈছে।

(ক) তিৱা বা লালুংসকলৰ লোক-বিশ্বাস মতে বৰাহ ৰূপী ভগৱানেই পানীৰ তলৰপৰা পৃথিৱী উদ্ধাৰ কৰিছিল আৰু তে'ৱেঁই এই সৃষ্টিৰ গৰাকী। 'তি' শব্দই পানী আৰু 'ৱা' শব্দই বৰাহ বুজায়। কাৰ্বিসকলে তিৱাসকলক লালুং বোলাৰ অৰ্থও প্ৰায় একেই। কাৰ্বি ভাষাত লাং শব্দই পানী আৰু লু শব্দই উদ্ধাৰপোৱা অৰ্থ প্ৰকাশ কৰে। গতিকে পানীৰ পৰা উদ্ধাৰ পোৱা অৰ্থত 'লাংলু' শব্দৰ স্বৰবিপৰ্যয় ঘটি 'লালুং শব্দ সৃষ্টি হৈছে বুলি ধৰা হয় +। তিৱা সকলৰ উপাস্যদেৱতা জংকং মহাদেৱৰ পূজা বলিবিধান নোহোৱাকৈ সাত্ত্বিক পদ্ধতিৰে কৰা হয়। এই পূজাৰ পাছত জেঠ মাহত তেওঁলোক খেতিৰ পথাৰত নামে। বৈষ্ণৱ আদৰ্শৰ সাত্ত্বিক পূজা, বৰাহৰ লগত সম্পৰ্ক আৰু শিৱই এওঁলোকৰ মাজত পৌৰাণিক সমন্বয়ৰ পৰিচয় দিছে।

(খ) ডিমাছা সকলৰ মাজত প্ৰচলিত কথামতে তেওঁলোক মূলতে হেৰেম্বডিৰ গৰ্ভজাত আছিল। পাছত তেওঁলোক কেইবা ভাগতো বিভক্ত হৈ পৰিল। তাৰে হিন্দুধৰ্ম গ্ৰহণ কৰাসকল বৰ্মণ নামে পৰিচিত হোৱাৰ উপৰিও তেওঁলোকৰ সমাজ পিতৃপ্ৰধান হ'ল। উত্তৰ কাছাৰত থকা ডিমাছাসকল মাতৃপ্ৰধান হৈয়ে থাকিল। 'হাওচাও' নামৰ এওঁলোকৰ আন এটা শাখা প্ৰথমতে মাতৃপ্ৰধান হৈ আছিল যদিও পাছত হিন্দুৰ দেৱ-দেৱী মানি ভক্তি কৰিবলৈ ধৰিলে। ডিমাছাসকলে পাছত

---

+ শ্ৰীশৈলেশচন্দ্ৰ বৰদলৈৰ 'তিওৱা জাতিৰ চমুবিবৰণ' শীৰ্ষক প্ৰবন্ধৰ সহায়ত। অসমৰ জনজাতি প্ৰথম বছৰ, প্ৰথম সংখ্যা দ্ৰষ্টব্য।

হেৰেম্বডিক ভীমৰ পত্নী হিড়িম্বাৰ লগত অভিন্ন ভাব্ কৰিবলৈ ধৰিলে। খ্ৰী° ১৬ শতিকাৰ অসমীয়া সাহিত্যত ডিমাছা সকলক কছাৰী বোলা হৈছে। উত্তৰ ভাৰতত 'কছাৰ' শব্দই নদীৰ কাষত থকা জীপাল বা সেমেকা অঞ্চলক বুজায়। এই অৰ্থত নদীৰ কাষত থকা লোকেই কছাৰী। মন কৰিব লগীয়া যে — 'ডিমাছা' শব্দৰ অৰ্থ নদীৰ সন্তান। নদীৰ আশ্ৰয়ত জীৱনধাৰণ কৰাটোৱেই ইয়াৰ ভাৱাৰ্থ। নদীৰ কাষত থকা ডিমাপুৰ কছাৰীসকলৰ ৰাজধানী আছিল। পাছত মহা-ভাৰতৰ লগত সম্পৰ্ক দেখুৱাবলৈ গৈ 'ডিমাপুৰ'ক সংস্কৃত ৰূপ দি 'হিড়িম্বাপুৰ' কৰা হ'ল + ।

'প্ৰাগ্‌জ্যোতিষ্' শব্দটোও মূলতে ডিমাছা ভাষাৰ 'প্ৰাগজৌথৈচ' শব্দৰ পৰা অহা বুলি অনেক পণ্ডিতে অনুমান কৰে। এই মতে প্ৰা=সাগৰ, গজৌ=ওখ (পৰ্বত) থৈচ=তেজ বা বংশ; গতিকে ইয়াৰ ভাৱাৰ্থ আছিল—সাগৰ বা জলাশয়ৰ কাষত থকা পৰ্বতীয়া জাতিৰ দেশ * ।

(গে বড়োসকলৰ ধৰ্ম যোগসাধনাৰ লগত জড়িত বুলিও তেওঁলোকৰ জনশ্ৰুতিৰ পৰা বুজা যায় সেই মতে হিড়িম্ববংশৰ পূৰ্বপুৰুষৰ ৰাজ্য গংগা-যমুনাৰ সংগম স্থলত আছিল। তাত এই বংশৰ প্ৰথম ৰজা বড়'ই (জড়পিণ্ড ঈশ্বৰৰ উপাসনা কৰিছিল; কিন্তু জীৱহিংসা নকৰিছিল। তেওঁ জুডংফা বা যযাতিৰ পুত্ৰ দ্ৰুহ্য বা 'দুৰ্জ্জে'ক জোঁৱাই পাতি নিজৰ ৰাজ্য ভাৰ অৰ্পণ কৰি যোগসাধনৰ উদ্দেশ্যে বনযাত্ৰা কৰিলে। দুৰ্জ্জেৰপুত্ৰ 'ডংগুবু'। ডংগুবুৰ বংশৰ থাবুংফাই পাছৰ যুগৰ একেশ্বৰবাদী ধৰ্ম ত্যাগ কৰি শক্তিমন্ত্ৰৰ দীক্ষা ল'লে। তাৰ পাছত তেওঁ দেৱীৰ মূৰ্তিপ্ৰতিষ্ঠা আৰু সেৱা-পূজাৰ ব্যৱস্থা কৰিলে। তেতিয়াৰ পৰাই এই বংশত শাক্ত-ধৰ্ম চলি আহিছে বুলি তেওঁলোকে বিশ্বাস কৰে।

থাবুংফাৰ পুতেক হেৰেমডাও আৰু জীয়েক হেড়েমদী আছিল। এওঁলোকেই যথাক্ৰমে মহাভাৰতৰ হিড়িম্ব আৰু হিড়িম্বা ×। ভীমে হিড়িম্বক বধ কৰাৰ পাছত ভীমৰ ঔৰসত জন্মপোৱা নিজৰ পুত্ৰ ঘটোৎকচ আৰু প্ৰজাসমূহকো এৰি থৈ হিড়িম্বা সপ্তদেৱ

---

+ দ্ৰঃ অসমৰ জনজাতি, ১ম বছৰ, ১ম সংখ্যা— ৺জয়ভদ্ৰ হাগজেৰৰ প্ৰবন্ধ 'কাছাৰ-বাসীডিমাছা'।

* দ্ৰঃ উল্লিখিত অসমৰ জনজাতিত প্ৰকাশিত শ্ৰীমেদিনী চৌধুৰীৰ 'অসমীয়া ভাষা আৰু সংস্কৃতি গঠনত বিভিন্ন জনগোষ্ঠীৰ অৱদান' শীৰ্ষক প্ৰবন্ধ।

× হিমাচল প্ৰদেশৰ কাংগ্ৰা উপত্যকাতো হিড়িম্বৰ মন্দিৰ আছে আৰু ভীম-হিড়িম্বৰ কাহিনী স্থানীয় কথা ৰূপে প্ৰচলিত আছে।

আৰু সপ্তদেৱীসহ উত্তৰ-পূব দিশলৈ আহিল [মন কৰিব লগীয়া যে— মহাভাৰতৰ বৰ্ণনা মতে গংগাৰ কাষতহে হিড়িম্বাৰ ৰাজ্য আছিল] । ইয়াত গংগাউপত্যকাৰ যোগমাৰ্গী মানুহেই শাক্ত ধৰ্ম লৈ পাছত কামৰূপতো সেই ধৰ্ম প্ৰচাৰ কৰাৰ সংকেত পোৱা যায় + ।

(ঘ) খ্ৰী° ১৩ শতিকাৰ আগভাগত বা তাতোকৈ আগৰে পৰা চুতীয়াসকলৰ এভাগে হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল। এই বশংৰ ৰজাসকলৰ দুটা দুটা সংস্কৃতীয়া নাম পোৱা যায় । তাৰে এটাত পাল আৰু এটাত নাৰায়ণ অংশ নামৰ পাছৰ ভাগত দেখা যায় । উদাহৰণ স্বৰূপে খ্ৰীঃ ১২২৩ ৰ পৰা ১৩০৪ পৰ্যন্ত ৰাজত্ব কৰা ৰজাসকলৰ ভিতৰত এজনৰ নাম ৰত্নধ্বজপাল আৰু গোবিনাৰায়ণ ; পিছৰ জনৰ নাম বিজয়ধ্বজপাল আৰু শিৱনাৰায়ণ ইত্যাদি । অপ্ৰকাশিত পুৰণি পুথিত বৰ্ণনা কৰা মতে চুতীয়াসকলৰ প্ৰথম ৰজাজনৰ নাম বীৰবৰ বা বীৰপাল আছিল । তেওঁক মনুৰ সন্তান বুলিও কোৱা হয় । কোনো কোনোবে তেওঁক ভীষ্মক ৰজাৰ বংশধৰ বুলিও কৈছে । সোৱণশিৰী নৈৰ উৎসৰ ফালে সোণাগিৰিৰ নামনিত (পাৰ্বত্য অঞ্চলত) বীৰপালৰ ঘৰ আছিল । তেওঁৰ পুতেকৰ দিনত চুতীয়া ৰাজ্য সমভূমি অঞ্চললৈকো বিস্তৃত হৈছিল । তেওঁকেই ৰত্নধ্বজ বা ৰত্নপালো বোলা হৈছিল । তেওঁ এজন পুতেকক শিক্ষালাভৰ কাৰণে গৌড়দেশত ৰাখিছিল আৰু শদিয়া নগৰো তেৱেঁই স্থাপন কৰিছিল ! ৰত্নপালৰ সময় খ্ৰী° ১২২৩ চনৰ পৰা হ'লে বীৰপালৰ সময় তাতোকৈ আগত অৰ্থাৎ ১৩ শতিকাৰ আৰম্ভণি বা ১২ শতিকাৰ শেষভাগত হ'ব লাগে । সেয়ে হ'লে খ্ৰী° ১২ শতিকাতে বৰ্ত্তমান অৰুণাচলৰ পাৰ্বত্য ভূমিত সংস্কৃত ভাষাৰ নাম আৰু কাহিনী প্ৰচাৰ হোৱা বুলি বুজিব পাৰি ।

খ্ৰী° ৪।৫ শতিকামানত ৰচিত হৰিবংশত থকা বিদৰ্ভৰাজ ভীষ্মকৰ কাহিনীৰ লগত বৰ্ত্তমান অৰুণাচলৰ বীৰপালৰ বংশগত সম্পৰ্ক স্থাপনটো এটা মন কৰিব লগীয়া কথা । বিন্ধ্যৰ দক্ষিণে অৱস্থিত বিদৰ্ভৰ ৰজা ভীষ্মকক হৰিবংশত দাক্ষিণাত্যেশ্বৰ বুলিও কোৱা হৈছে *। সম্ভৱতঃ এই বিদৰ্ভৰাজ্যৰ লোকে খ্ৰী° ১০।১১ শতিকামানতে অৰুণাচলৰ পাৰ্বত্য অঞ্চলত নিজৰ সাংস্কৃতিক প্ৰভাৱ বিস্তাৰ কৰিছিল । সেই বাবেই চুতীয়াসকল পৰ্বতত থকা সময়তে পৌৰাণিক ধৰ্মৰ সম্পৰ্কলৈ গৈছিল আৰু নিজকে ভীষ্মকৰ বশংধৰ বুলি পৰিচয় দিব পৰা ভাৰতীয় হৈছিল ।

---

+ দ্ৰঃ ড° পৱনচন্দ্ৰ শইকীয়াৰ 'দেউৰী চুতীয়া' পুথি ।

* হৰিবংশত শ্ৰীকৃষ্ণ আৰু বুক্মবীৰৰ যুদ্ধও নৰ্মদাৰ তীৰত হোৱা বুলিছে [ ২।৫৯,৬০ অধ্যায় দ্ৰ° ]

খ্ৰী° ৯৷১০ শতিকাৰ কামৰূপৰ ভাস্কৰ্যত চালুক্য কলাৰ প্ৰভাৱেও এই কথা সমৰ্থন কৰে।

খ্ৰী° ৮ আৰু ১১ শতিকাত চালুক্য আৰু কামৰূপ ৰাজ্যৰ মাজত যুদ্ধ হোৱা কথাও ইতিহাসে কয়। ৮ শতিকাৰ চালুক্য ৰজা দ্বিতীয় কীৰ্তিবৰ্মাই কামৰূপৰ ৰজা হৰ্ষদেৱক পৰাস্ত কৰিছিল। ১১ শতিকাতো হৰ্ষপালৰ ৰাজত্বৰ সময়ত চালুক্য ৰজা বিক্ৰমাংকই কামৰূপ আক্ৰমণ কৰা কথা পোৱা যায়। †

খ্ৰী° ১০ শতিকাৰ আকাশীগংগাৰ শিৱমন্দিৰৰ কলাত চালুক্য কলাৰ প্ৰভাৱ আছে বুলি কলাবিদসকলে কয়। তেজপুৰৰ বামুণী পাহাৰৰ স্তম্ভবোৰতো চালুক্যকলাৰ এনে প্ৰভাৱ আছে। অতিশয় অলংকৰণ এই কলাৰ এটা বৈশিষ্ট্য। মন্দিৰসমূহত শিখৰৰ অভাৱো ইয়াৰ আন এটা বিশেষত্ব। আবু পাহাৰৰ জৈন-মন্দিৰ দুটা, ৰাজস্থানৰ যোধপুৰ আৰু গুজৰাতৰ সোমনাথ, গিৰনাৰ, শত্ৰুঞ্জয়ৰ দেৱনগৰ প্ৰভৃতিৰ কলাও এই শ্ৰেণীৰ ভিতৰত পৰে। শিল্প-চমৎকাৰিতা লৈ ১৩ শতিকা পৰ্যন্ত এই কলা জীৱিত আছিল। অসমৰ মাটিত এই কলাৰ প্ৰভাৱে চালুক্যসকলৰ লগত সম্পৰ্ক থকাৰ ইংগিত দিয়ে। সেয়ে হ'লে চুতীয়াসকলৰ ওপৰতো এই চালুক্যৰাজ্যৰ পৰা অহা বিদৰ্ভৰাজ্যৰ আদৰ্শই প্ৰভাৱ বিস্তাৰ কৰিব পাৰে।

(ঙ ভাৰতীয় আদৰ্শ গ্ৰহণৰ ক্ষেত্ৰত সম্ভৱতঃ বৰ্মণ বংশীয় ৰজাসকলেই পথ-প্ৰদৰ্শক আছিল। সেই বাবে সমুদ্ৰগুপ্তৰ সময়ৰ পৰা বৰ্মণবংশীয় ৰজাসকলে লোৱা সংস্কৃত ভাষাৰ নাম পোৱা যায়। তাৰ আগৰ ৰজাৰ নাম আৰু ইতিহাস তাম্ৰফলকবোৰতো পোৱা নাযায়। আনহাতে তাতকৈ তিনিহাজাৰ বছৰ আগতে তেওঁলোকৰ পূৰ্বপুৰুষ নৰকবংশীয় আছিল বুলি পৌৰাণিক কথাৰ লগত সম্পৰ্ক স্থাপনৰ চেষ্টা কৰিছে। সেই নৰকাসুৰক আকৌ পুৰাণৰ অন্য কাহিনীৰ লগত মিলাই প্ৰতীকাত্মক ৰূপ দিয়া হৈছে। বিষ্ণুৰ অৱতাৰ বৰাহ আৰু বসুমতীৰ সন্তান বোলা কথাটো এজন মানুহৰ কাৰণে প্ৰতীকতকৈ সুকীয়া ঐতিহাসিক তথ্য হ'ব নোৱাৰে। পৌৰাণিক কথা মতে নৰকাসুৰ কেইবাজনো আছিল। তাৰে এজনক বৰাহে পাতালত গছকি মাৰিছিল আৰু এজনক নাৰায়ণে বধ কৰিছিল। সেই নৰকাসুৰৰ হাড়ৰ দ'ম হিমালয় অঞ্চলত বদৰিকাশ্ৰমলৈ যাওঁতে পাণ্ডৱে দেখা পাইছিল (দ্ৰ° মহাভাৰত শান্তি পৰ্ব অ ২০৯. বন প° অ° ১৪২) এই দুজনৰ এজনো নৰকাসুৰ বৰাহ আৰু বসুমতীৰ পুত্ৰ নাছিল। প্ৰাগ্‌জ্যোতিষৰনে ক'ৰ তাৰো উল্লেখ নাই। দ্ৰোণপৰ্বত (অ° ২৮) ভগদত্তই প্ৰহাৰ কৰা বৈষ্ণৱাস্ত্ৰৰ কথা শ্ৰীকৃষ্ণই অৰ্জুনক এই বুলি

---

† দ্ৰ° অসমদেশৰ বুৰঞ্জী (প্ৰথম প্ৰকাশ) ড° লক্ষ্মীদেৱী, পৃঃ ৬৩।

কৈছে — ভগৱান শেষশায়ী নাৰায়ণৰ পৰা পৃথিৱীয়ে নিজপুত্ৰ নৰকাসুৰ দেৱতা আৰু অসুৰৰ হাতত অবধ্য হ'বৰ কাৰণে এই বৈষ্ণৱাস্ত্ৰ লৈছিল। এই অস্ত্ৰকে ভগদত্তয়ো পিতাক নৰকাসুৰৰ পৰা পাইছিল। উদ্যোগ পৰ্বৰো দুটা পৃথক্ প্ৰসংগত নৰকাসুৰক শ্ৰীকৃষ্ণই বধ কৰা আৰু অদিতিৰ মণিকুণ্ডল আৰু ১৬ হেজাৰ কন্যা উদ্ধাৰ কৰা কথাৰ উল্লেখ আছে। মহাভাৰতৰ পৰিশিষ্ট স্বৰূপ হৰিবংশৰ দ্বিতীয়খণ্ডতো ( বিষ্ণু পৰ্ব ৬৩।৬৪ অ ; উদ্যোগ পৰ্বৰ অনুৰূপ কথাকে কৈছে। হৰিবংশৰ নৰকাসুৰ প্ৰাগজ্যোতিষৰ ৰজা আৰু ব্ৰহ্মাৰ বৰ পাই অহংকাৰী হোৱা ব্যক্তি। পৃথিৱীৰ পুত্ৰ বোলা সংকেতো ইয়াত আছে [ ৬৩ ১২৪ ] ।

হৰিবংশৰ পাছত ৰচিত বিষ্ণু পুৰাণ, ভাগৱত পুৰাণ প্ৰভৃতি পুৰাণ সমূহত নৰকাসুৰ বৰাহ আৰু পৃথিৱীৰ পুত্ৰ হৈ পৰিল (বিষ্ণু পু° ৫/২৯ অধ্যায়)। এইদৰে হৰিবংশৰ পৰাই নৰকাসুৰ সম্বন্ধীয় কাহিনী এটা সুকীয়া গঢ়ত বিকশিত হৈ আহিবলৈ ধৰিলে। খ্ৰী° ১০/১১ শতিকা মানত কামৰূপত ৰচিত কালিকা পুৰাণৰ নৰকাসুৰ সম্বন্ধীয় কাহিনীয়েই সম্ভৱতঃ পুৰাণ উপ-পুৰাণৰ কাহিনীৰূপে সবাতকৈ অধিক বিকশিত ৰূপ। তাৰ পাছত এই বিষয়ৰ লোক কথা গঢ় ল'লেও সেইবোৰে পৌৰাণিক সাহিত্যত ঠাই পোৱা নাই। কালিকা পুৰাণত নতুনকৈ সংযোগ কৰা নৰকাসুৰ সম্বন্ধীয় কথাবস্তুৰ ভিতৰত বিদেহৰাজ জনকৰদ্বাৰা পালিত নৰকৰ শিশুৰূপ, ঘটকাসুৰবধ, প্ৰাগ্‌জ্যোতিষপুৰ ৰাজ্যলাভ, বিদৰ্ভৰ ৰাজকুমাৰী মায়াৰ লগত বিবাহ, কামাখ্যাদেৱীৰ প্ৰতি ভক্তি, বশিষ্ঠৰ অভিশাপ, বাণৰজাৰ লগত মিত্ৰতা, প্ৰভৃতি বিশেষ উল্লেখযোগ্য।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে— ৰামায়ণ আৰু মহাভাৰতৰ পাছত হৰিবংশৰ পৰা আৰম্ভকৰি পুৰাণ-উপপুৰাণৰ মাজেদি নৰকাসুৰৰ কাহিনীৰ বিকাশ কাল প্ৰায় হেজাৰ বছৰ জোৱা দীঘলীয়া আছিল +। খ্ৰী° ৭ম শতিকাৰ ভাস্কৰবৰ্মাৰ নিধনপুৰ ফলকৰ পৰা আৰম্ভকৰি বৰ্মণ, শালস্তম্ভ আৰু পাল বংশৰ ৰজা-

---

+ আমি ওপৰত হৰিবংশৰ ৰচনা-কাল সাধাৰণ ভাবে ৪/৫ শতিকা বুলি কৈ আহিছোঁ যদিও এই সম্বন্ধে বিশেষ অধ্যয়ন কৰা লোকৰ মতে এই কাল খ্ৰী° ২ শতিকামানো হ'ব পাৰে। সেয়ে হ'লে খ্ৰী° ১১ শতিকালৈকে প্ৰায় এহেজাৰ বছৰ হয়। দ্ৰঃ হৰিবংশপুৰাণকা সাংস্কৃতিক বিবেচন' পৃ. ৬৩—১০৬। ড' বীণাপাণি পাণ্ডে পী. এইচ. ডিঃ। খ্ৰী' ২ শতিকাত ৰচিত হ'লেও আৰু দুই-এশ বছৰৰ পাছলৈকে তাত নতুন কথা সংযোগ কৰাৰ সম্ভৱনা থাকে বাবে ৪/৫ শতিকা বুলি কোৱা হৈছে।

সকলৰ তাম্ৰ ফলক সমূহলৈকে প্ৰায় ছশ বছৰ জুৰি কামৰূপৰ ৰজাসকলে দিয়া দানপত্ৰবোৰত নৰকাসুৰ আৰু ভগদত্তৰ উল্লেখ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সামাজিক ইতিহাসৰ ফালৰ পৰাও এটা গুৰুত্ব পূৰ্ণ কথা। সম্ভৱতঃ কামৰূপৰ ৰজাসকলে দি অহা এই গুৰুত্বলৈ চকু ৰাখিয়েই কালিকাপুৰাণেও নৰকাসুৰৰ কাহিনীটোক আগতকৈ আৰু বিকশিত ৰূপ দিলে।

বৰ্মণ, শালস্তম্ভ আৰু পালবংশী ৰজাসকলে নিজক নৰকাসুৰ-ভগদত্তৰ বংশধৰ বুলি চিনাকি দিয়াৰ লগতে বিষ্ণুৰ অৱতাৰ বৰাহ আৰু পৃথিৱীৰ লগত দেখুৱাই অহা সম্পৰ্কটোও এটা মন কৰিবৰ লগীয়া কথা। পৌৰাণিক ধৰ্মৰ যোগেদি কামৰূপৰ শাসকসকলে নিজক কেনেকৈ ভাৰতীয় সমাজ-সংস্কৃতিৰ লগত মিলাই দিছিল তাৰ এটা ভাল উদাহৰণ ইয়াৰ পৰা পোৱা যায়।

খ্ৰী ৭ শতিকাৰ ভাস্কৰ বৰ্মাই নিধনপুৰৰ ফলকত তেওঁতকৈ ১১ পুৰুষ আগৰ পুষ্যবৰ্মাৰ পৰা নিজ বংশাৱলী দাঙি ধৰিছে। পুষ্যবৰ্মা সমুদ্ৰগুপ্তৰ সময়ৰ ৰজা। সম্ভৱত: সেই সময়ৰ পৰা এই ৰাজবংশৰ লোকে বৰ্মণ উপাধি লৈছিল আৰু ভাৰতীয় পৌৰাণিক ধৰ্মও গ্ৰহণ কৰিছিল। ডিমাছাসকলৰ যি ভাগে হিন্দু ধৰ্ম গ্ৰহণ কৰি পিতৃপ্ৰধান সমাজ-ব্যৱস্থা মানি চলিছিল তেওঁলোকে বৰ্মণ বুলি নিজৰ চিনাকি দিয়া কথা আগতে উল্লেখ কৰা হৈছে। এই বৰ্মণ বা বৰ্মা উপাধি ভাৰতবৰ্ষৰ সকলো অঞ্চলতে কম-বেছি পৰিমাণে পোৱা যায়। সম্ভৱতঃ বৰ্ম বা কৱচ ধাৰণকাৰী ক্ষত্ৰিয় বুজাবৰ কাৰণে এই উপাধি লোৱা হৈছিল। অবৈদিক পৰম্পৰাৰ শাসক বা ৰাজবংশৰ লোকে পৌৰাণিক ধৰ্ম গ্ৰহণ কৰি নিজক ক্ষত্ৰিয় বুলি চিনাকি দিয়াৰ উদাহৰণ ভাৰতৰ ইতিহাসত বিৰল নহয়।

হৰিবংশত বৰ্ণিত নৰকাসুৰৰ কাহিনীৰ প্ৰভাৱ ৭ ম শতিকাৰ ব্ৰহ্মপুত্ৰ উপত্যকাত পৰাটো সমূলি অসম্ভৱ নহয়। খ্ৰী° ৪ শতিকাৰ সমুদ্ৰগুপ্ত আৰু পুষ্যবৰ্মাৰ সময়ৰ পৰা ৭ ম শতিকাৰ ভাস্কৰবৰ্মাৰ সময়লৈকে তিনিশ বছৰৰ ভিতৰত প্ৰাগ্‌জ্যোতিষ্ বা কামৰূপ ৰাজ্যৰ সমাজ-সংস্কৃতি বহু পৰিমাণে ভাৰতীয় হৈ পৰিছিল। লগতে আৰ্থিক জীৱনতো অনেক পৰিৱৰ্তন ঘটিছিল। বিশেষকৈ এই জলবায়ুৰ প্ৰধান খাদ্য চাউল উৎপাদনৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ উপত্যকাৰ কিৰাত গোষ্ঠীৰ লোকসকলতকৈ পশ্চিম আৰু উত্তৰ ভাৰতৰ পৰা অহা লোকসকল বেছি আগবঢ়া আছিল। গতিকে পশুচিকাৰ আৰু হস্তশিল্পৰ ওপৰত বেছি নিৰ্ভৰশীল কিৰাত গোষ্ঠীৰ লোকৰ মাজত কৃষিপ্ৰধান সংস্কৃতিৰ লোকসকলৰ প্ৰভাৱ বাঢ়ি আহিবলৈ ধৰিলে। তেতিয়া এই কৃষিৰ আদৰ্শই বৰাহ, পৃথিৱী আৰু নৰকাসুৰৰ লগতো সম্বন্ধ স্থাপন কৰিলে।

বৈদিক যুগৰ যজ্ঞটো অৰ্থ-ব্যৱস্থাৰ প্ৰতীক আছিল। বিষ্ণু এই যজ্ঞৰ গৰাকী ব্যাবে যজ্ঞেশ্বৰ আৰু পালন কৰ্তাৰূপে মান্য হৈছে। বৰাহকো যজ্ঞ-স্বৰূপ বোলা হৈছে। যেতিয়া অৰ্থব্যৱস্থাই কৃষিপ্ৰধান ৰূপ ল'লে, তেতিয়া ভূ-শক্তি বা পৃথিৱীৰ এটা নতুন ৰূপ প্ৰকাশ পালে। ভূমি কৰ্ষণ কৰা কৃষকেই এই ভূ-শক্তি বা ভূ-দেৱীৰ উদ্ধাৰ কৰ্তা পালক বিষ্ণু বা যজ্ঞেশ্বৰ। কৃষকে কৰা কৰ্ষণ কাৰ্য বৰাহৰ দাঁতৰ আগত মাটি কোমলহৈ যোৱা কাৰ্যৰ অনুৰূপ। পৃথিৱীত থকা উৰ্বৰা শক্তিটো জগাই তোলা কৰ্ষণ কাৰ্য আৰু বৰাহ-পৃথিৱীৰ মিলনৰ মাজত থকা সাম্য এই প্ৰসংগত মন কৰিব লগীয়া কথা। এই সাম্যৰ ভিত্তিতেই পৌৰাণিক কাহিনীত প্ৰতীক-ধৰ্মী কলাই কৃষক আৰু বিষ্ণুক বৰাহ ৰূপত সজালে। বিষ্ণুৰ পূৰ্ণপুৰুষোত্তম ৰূপত অৱতীৰ্ণ হোৱা 'কৃষ্ণ' শব্দৰ মূলতেও 'কৃষ্' ধাতুজনিত কৰ্ষণৰ ভাৱ লুকাই আছে। কৃষ্ণৰ অগ্ৰজ আৰু পঞ্চৰাত্ৰমতৰ চতুৰ্ব্যূহৰ এজন 'সংকৰ্ষণ' শব্দটোতো এই 'কৃষ' ধাতু আৰু প্ৰতীক মূৰ্তিত নাঙলৰো উপযোগিতা তাৎপৰ্যপূৰ্ণ কথা। ৫ম শতিকাৰ উমাচল লিপিত বলভদ্ৰস্বামীৰ পূজাৰ উল্লেখেও এই কথাৰ লগত সংগতি ৰাখিব পাৰে +।

নৰকাসুৰৰ লগত কৃষিৰ সম্পৰ্ক কিয় স্থাপন কৰা হ'ল। সেইটোও এই ক্ষেত্ৰত বিচাৰ্য বিষয় হৈ পৰে। প্ৰকৃততে বৰাহ-প্ৰতীকৰ লগত মানৱ-চৰিত্ৰৰ সংগতি ৰক্ষা কৰাটো টান কথা। নিৰ্জীৱ বস্তু মাটি আৰু শূকৰাকৃতি প্ৰাণীৰ মাজত কোনো-প্ৰকাৰৰ যৌন সম্পৰ্ক ঘটি মানৱ সন্তানৰ সৃষ্টি হ'ব নোৱাৰে। এনে স্থলত কৃষিপ্ৰধান সংস্কৃতিৰ আদৰ্শৰ লগত নিজৰ তেজৰ সম্পৰ্ক দেখুৱাবৰ কাৰণে বৰ্মণ বংশীয় ৰজাসকলে নিজক নৰকাসুৰৰ বংশৰ বুলি প্ৰচাৰ কৰিলে। কিয়নো হৰিবংশৰ ভৌম নৰকাসুৰ ইতিমধ্যে বৰাহ আৰু ভূ-দেৱীৰ সন্তান ৰূপে পৌৰাণিক সাহিত্যত প্ৰখ্যাত হৈ পৰিছিল।

---

+ ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰ দৰেই ব্ৰহ্মপুত্ৰৰ উপত্যকা আৰু দক্ষিণৰ পাৰ্বত্য অঞ্চলতো অষ্ট্ৰিক সকলৰ বসতি বহুত প্ৰাচীন কালৰ পৰাই হৈ আহিছে। সংস্কৃত সাহিত্যত এওঁলোকৰে এভাগক নাগ বুলিও কোৱা হৈছে। এওঁলোকৰ মাজত নৱপ্ৰস্তৰ যুগৰ কৃষি ব্যৱস্থা গঢ় লৈ উঠিছিল। গতিকে নাঙলৰ ব্যৱহাৰো এই নাগ সকলৰ মাজত আৰম্ভ হ'ব পাৰে। লিংগ, লাংগল ( নাঙল ) প্ৰভৃতি শব্দ অষ্ট্ৰিক ভাষাৰ পৰা সংস্কৃতলৈ অহা বুলি কয়। গতিকে বৈদিক পৰম্পৰাৰ লোকসকলে পাছত নাঙলৰ ব্যৱহাৰ কৰি কৃষিক্ষেত্ৰত আগবাঢ়িলেও সংকৰ্ষণৰ প্ৰতীক মূৰ্তিত নাঙলৰ লগতে সৰ্পফণাও সংযোগ কৰিলে। পাছৰ যুগত মানৱ-নাগজাতিৰ পৰিবৰ্তে পৌৰাণিক কাহিনীত সৰ্পৰ প্ৰতীক ব্যৱহাৰ কৰা হ'ল।

গুপ্তসকল মূলতঃ অযোধ্যা অথবা উত্তৰবংগ আৰু বিহাৰৰ পূৰ্বাঞ্চলৰ লোক আছিল।* তেওঁলোকে মগধ সাম্ৰাজ্য জয় কৰি আগৰ পাটলিপুত্ৰকে নিজৰো ৰাজধানী কৰি ৰাখিছিল। গতিকে সমুদ্ৰগুপ্তৰ কামৰূপ-বিজয়ৰ লগে লগে মগধ আৰু মিথিলা অঞ্চলৰ লগত কামৰূপৰ সম্বন্ধ তীব্ৰগতিত দৃঢ় হৈ আহিবলৈ ধৰিলে। যজ্ঞভূমি কৰ্ষণ কৰোঁতে সীতাক পোৱা জনক ৰজাই নৰকাসুৰকো মানৱ শিশু-ৰূপত পোৱাৰ কাহিনী লাহে লাহে কামৰূপত প্ৰচলিত হ'বলৈ ধৰিলে। এইদৰে জনকৰ পালিত, বৰাহ আৰু পৃথিৱীৰ সন্তান নৰকে কামৰূপ জয় কৰা কাহিনীৰ আঁৰত আৰ্থিক দৃষ্টিত কৃষি আৰু সাংস্কৃতিক দৃষ্টিত বৈদিক পৰম্পৰাৰ প্ৰভাৱ লুকাই থকা বুলি ধৰিব পাৰি।

(চ) প্ৰাগ্‌জ্যোতিষ্ বিদৰ্ভ আৰু হিড়িম্বাপুৰৰ লগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সম্পৰ্ক স্থাপন কৰাৰ দৰেই শোণিতপুৰৰ লগতো সম্পৰ্ক স্থাপন কৰা হ'ল। কালিকাপুৰাণত শোণিতপুৰৰ ৰজা বাণৰ লগত নৰকাসুৰৰ মিত্ৰতাৰ প্ৰসংগ বহলাই বৰ্ণোৱা হৈছে। আমি এই শোণিতপুৰ বৰ্তমান তেজপুৰ বুলি ধৰি লওঁ। ডিমাছা ভাষাত বংশ বা শোণিত অৰ্থ প্ৰকাশ কৰা 'থৈচ' শব্দৰ অপভ্ৰংশ ৰূপ 'তেজ' হ'ব পাৰে। তাৰ লগত 'পুৰ' অংশতো সংস্কৃত ভাষাৰ পৰাও যোগ হ'ব পাৰে। নাইবা ডিমাছা প্ৰভৃতি অন্যান্য কিৰাত গোষ্ঠীৰ ভাষাৰ পৰাও সামান্য পৰিবৰ্তিত ৰূপত লগ লাগিবহি পাৰে। পাছত 'তেজপুৰ'ৰ সংস্কৃত ৰূপ কালিকাপুৰাণত 'শোণিতপুৰ' হৈ পৰিল। এই প্ৰসংগত মন কৰিব লগীয়া যে —মগধ অঞ্চলৰ নালন্দা আৰু বেলাৰ ওচৰতো এখন শোণিতপুৰ আছে। ইফালে হৰিবংশত শোণিত-পুৰ গংগাৰ ওচৰ বুলিও সংকেত দিছে। শোণিতপুৰৰ কাষত থকা গংগাৰ পৰাহে জুই নুমুৱাবৰ কাৰণে গৰুড় পক্ষীয়ে পানী ব্যৱহাৰ কৰা বুলিছে +। আন হাতে ভ্ৰমণ-কাৰীসকলৰ বিবৰণৰপৰা হিমাচল প্ৰদেশতো এখন শোণিতপুৰ থকাৰ কথা পোৱা যায়। ঊষা আৰু হৰিহৰ যুদ্ধৰ কাহিনীৰ লগত সেইখন শোণিতপুৰকো জড়িত কৰা হয়। প্ৰকৃততে এনে ধৰণৰ বহুত কথাই ইতিহাসক পথভ্ৰষ্ট কৰা পৌৰাণিক মৰীচিকা মাত্ৰ।

প্ৰাচীন ভাৰতৰ ঐতিহ্যৰ লগত সুদীৰ্ঘ যোগসূত্ৰ স্থাপনৰ চেষ্টাই পৌৰা-ণিক কাহিনী আৰু লোককথাৰ অন্তৰালত এই দৰেই ব্ৰহ্মপুত্ৰ উপত্যকাৰ জীৱন-ধাৰাত বহুবিধ সামগ্ৰীৰে বৈচিত্ৰ্য সৃষ্টি কৰি আহিছে।

---

* দ্ৰ° জয়চন্দ্ৰ বিদ্যালংকাৰৰ 'ভাৰতীয় ইতিহাসকা উন্মীলন' পৃ° ২২৬;

+ দ্ৰ° হৰিবংশ বিষ্ণুপৰ্ব-অঃ ১২২/১৮-২০;

# প্ৰাচীন যুগৰ জনসমূহ,

## [ আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক জীৱন ]

**জনসমূহ :—** বৰ্মণ, শালস্তম্ভ আৰু পালবংশীয় ৰজাসকলৰ তাম্ৰফলকবোৰত ব্ৰাহ্মণ প্ৰভৃতি বুদ্ধিজীৱী শ্ৰেণীৰ লোকক ভূমিদান কৰাৰ প্ৰসংগতে আন কিছুমান বৃত্তিধাৰী লোকৰ কথাও উল্লেখ কৰিছে। সেই উল্লেখবোৰৰ পৰা সেই সময়ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনসমূহৰ বিষয়ে কিছু জানিব পাৰি। ধৰ্মপালৰ ( খ্ৰী° ১০৯৫—১১২০ ) প্ৰথম ফলকত দুবাৰ 'তন্তুবায়' অৰ্থাৎ বয়নজীৱীলোকৰ অধিকাৰত থকা মাটিৰ কথা কোৱা হৈছে। কূৰ্মনাথ আৰু বীৰ অধিকৃত ভূমিৰ উল্লেখো একে প্ৰসংগতে কৰা হৈছে। ইন্দ্ৰপালৰ ( খ্ৰী° ১০৪০—১০৬৫ ) প্ৰথম ফলকত কৈৱৰ্তসকলৰ 'ভোগদীৰ্ঘিকা'ৰ ( কৈৱৰ্তসকলে মাছমৰা পুখুৰী ) উল্লেখ কৰা আছে। হৰ্জৰবৰ্মাৰ ( খ্ৰী° ৮১৫—৮৩৫ ) তেজপুৰৰ প্ৰস্তৰ লেখতো মৎস্য-জীৱী আৰু ৰাজকীয় সেনাবাহিনীৰ লোকসকলক নিৰ্দিষ্ট সীমা পাৰহৈ গ'লে দণ্ডযোগ্য হ'ব বুলি সাৱধান কৰি দিয়া হৈছে। হৰ্জৰবৰ্মাৰ সিংহাসন আৰোহণৰ সময়ত ৰজাসকলৰ মাজত থকা হৰ্জৰদেৱক বণিকসকলৰ আগতে সদ্বংশজাত ৰাজপুত্ৰসকলে সকলো তীৰ্থৰ জল থকা মাংগলিক ৰৌপ্যকলসেৰে অভিষিক্ত কৰা বুলিছে [ ১৩।১৪ ]। বনমালবৰ্মণৰ ( খ্ৰী° ৭৫০ — ৭৬৫ ) ফলকত হাটকেশ্বৰ মহাদেৱৰ মন্দিৰৰ বাবে গাওঁ, প্ৰজা, হাতী আৰু বেশ্যা দিয়া কথা পোৱা যায় [ ২৪ ]। ৰত্নপালৰ প্ৰথম তাম্ৰশাসনত নৰকবংশী ব্ৰহ্মপালক প্ৰজাসকলে ৰজা নিৰ্বাচিত কৰা বুলিছে [ ১০ ]। ভাস্কৰবৰ্মাৰ ( খ্ৰী° ৫৯৪ — ৬৫০ ) তাম্ৰশাসনৰ মতে কুশীনদীৰ ওচৰত ভূমিদান পাওঁতাসকলৰ ভিতৰত হৰদত্তকায়স্থও এজন আছিল । মন কৰিব লগীয়া যে–খ্ৰী° ১২ শতিকামানলৈকে কায়স্থসকল এটা জাতিত পৰিণত হোৱা নাছিল ; ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য সকলোৰে গ্ৰহণ কৰিব পৰা এটা বৃত্তিহে আছিল। ইন্দ্ৰপালৰ প্ৰথম তাম্ৰশাসনৰ প্ৰথম শাৰীতে শিৱক কিতৱ ( জুৱাৰী, ঠগ বা ধূৰ্ত ) বোলা হৈছে। এইদৰে অনেক লিখিত প্ৰমাণৰ আধাৰত আৰু লোকপৰম্পৰাৰ সহায়ত তৎকালীন কামৰূপ বা ব্ৰহ্মপুত্ৰ উপত্যকা আৰু তাৰ লগত সম্বন্ধ থকা অঞ্চলবোৰৰ জনসমূহৰ আৰ্থিক-সামাজিক অৱস্থাৰ অনুমান কৰিব পাৰি : ওপৰৰ উল্লেখবোৰত পোনপটীয়াকৈ ধাতুশিল্পৰ কোনো কথা প্ৰকাশ

পোৱা নাই যদিও, সামাজিক বিকাশৰ স্তৰলৈ চকু দিলে তাম আৰু লোহাৰ বাহি-ৰেও, সোণ, ৰূপ, কাঁহ প্ৰভৃতি ধাতুৰ ব্যৱহাৰ নিশ্চয় হৈছিল বুলি ধৰিব পাৰি।

ওপৰত যিবোৰ বৃত্তিৰ কথা কোৱা হ'ল, সেইবোৰ বৃত্তিধাৰীলোকৰ ভিতৰত মৎস্যজীৱী আৰু বয়নজীৱীসকলৰ অধিকাংশই খ্ৰী° ৪ শতিকাৰ আগৰ অধিবাসী হ'ব যেন লাগে। কিয়নো জীৱিকাৰ কাৰণে উন্নত স্তৰৰ কৃষিব্যৱস্থাত অভ্যস্ত হোৱা লোকে মাছমৰা প্ৰভৃতি চিকাৰৰ অবিকশিত ব্যৱস্থা জীৱিকাৰ মুখ্য-সাধনৰূপে গ্ৰহণ কৰি থকাটো টান কথা। গতিকে গংগা উপত্যকাৰ ফালৰপৰা অহা লোকে এই অঞ্চলত কৃষিপ্ৰধান সংস্কৃতিৰ বিস্তাৰ ঘটোৱাৰ আগৰে পৰা তেওঁলোকে চিকাৰী জীৱন যাপন কৰি আহিছিল আৰু কৃষি-ব্যৱস্থা গা কৰি উঠাৰ পাছত তাৰ পৰিপূৰকৰূপে সেই মাছমৰা ব্যৱসায় জীয়াই ৰাখিলে। আন-হাতে কৃষিজীৱী সংস্কৃতিৰ লগত খাপ খুৱাই নিজক আগবঢ়াই নিব নোৱৰা বাবে তেওঁলোকে নিজকে পাছ পৰা বুলি চিনাকি দিলে; কিন্তু ভাষাৰ ফালৰ পৰা বিচাৰ কৰি চালে কৃষিজীৱী আৰু বয়নজীৱী উভয় শ্ৰেণীৰে লোক সমুদ্ৰগুপ্তৰ বিজয়-যাত্ৰাৰ পিছত উত্তৰ ভাৰতৰ পৰা অহা যেনহে ধাৰণা হয়।

বয়নজীৱীসকলৰ অধিকাংশই বোধ হয় কপাহী বস্ত্ৰ শিল্পতকৈ ৰেচম বস্ত্ৰ শিল্পতহে অধিক পাৰদৰ্শিতা দেখুৱাইছিল। ব্ৰহ্মপুত্ৰ উপত্যকা বা তাৰ সমীপ-বৰ্তী পাৰ্বত্য অঞ্চলৰ কপাহ বৰ উন্নত স্তৰৰ নহয়। হয়তো উত্তৰ আৰু পশ্চিম ভাৰতৰ লোকসকলৰ প্ৰব্ৰজনৰ লগে লগেহে এই অঞ্চলত কপাহী বস্ত্ৰ শিল্পই গা কৰি উঠিছিল। আগছোৱাত হিমালয় অঞ্চলত থাকি বলখ আৰু চীনৰ বাণি-জ্যত মধ্যস্থতা কৰা কিৰাতসকলৰ বংশধৰসকলে ৰেচমী বস্ত্ৰৰ ব্যৱসায় আৰু বয়ন শিল্পত গুৰুত্ব দিছিল। আজিও অসমৰ মুগা আৰু পাট কাপোৰৰ বৈশিষ্ট্য এওঁ-লোকৰে এটা শ্ৰেণীৰ লোকে ৰক্ষা কৰি আহিছে। গোৰখনাথৰ সম্প্ৰদায়ভুক্ত হৈ এই সকলৰ এভাগেই খ্ৰী° ১১ শতিকা মানৰ পৰা যোগী আৰু নাথ নামে পৰিচিত হৈ আহিছে। আনহাতে সূতা কটা শিল্পৰ বাবেই তেওঁলোক কাটনি নামেও জনাজাত হৈ থাকিল। সমাজৰ সকলো স্তৰৰ লোকৰ মাজত বয়নশিল্পই যি সম্মানিত স্থান এই ৰাজ্যত পাই আহিছে, সেই সম্মানিত স্থান ভাৰতৰ অন্য কোনো ৰাজ্যতে পোৱা নাই। বয়নশিল্পৰ এই সন্মানৰ বাবে কিৰাত গোষ্ঠীৰ এই শ্ৰেণীৰ লোকেই ধন্যবাদৰ পাত্ৰ।

মৎস্যজীৱী আৰু বয়নজীৱীসকলৰ সকলোৱেই যে কিৰাতগোষ্ঠীৰ লোক, সেই কথা সম্পূৰ্ণৰূপে বা নিসন্দেহে মানি লোৱাত অসুবিধাও আছে। ভাৰতবৰ্ষৰ

অন্যান্য ঠাইৰ একে বৃত্তিধাৰীলোকৰ লগত এওঁলোকৰ সম্পৰ্ক কেনেধৰণৰ সেই কথাৰ বিচাৰ এই ক্ষেত্ৰত কৰিব লগীয়া হ'ব। ১৯০১ চনৰ লোক-পিয়লমতে গৃহস্থী যোগী সম্প্ৰদায়ৰ লোক তেতিয়াৰ অবিভক্ত ভাৰতত আছিল প্ৰায় ১৫০ লাখ। ( সেই সময়ৰ মুঠ জন সংখ্যা ২৫ কোটিতকৈ বেছি নাছিল। গতিকে দেশৰ মুঠ জনসংখ্যাৰ প্ৰায় ১৬ ভাগৰ এভাগেই যোগী আছিল )। এওঁলোকৰ সকলোৰেই প্ৰধান জীৱিকা আছিল বস্ত্ৰশিল্প। তাৰ ভিতৰত কপাহী বস্ত্ৰশিল্পৰ লগত জড়িত লোক আছিল প্ৰায় ৩৪ লাখ আৰু বাকী ১১৬লাখ লোকৰ ভিতৰত পঞ্জাব, উত্তৰ ভাৰত, দক্ষিণ ভাৰতৰ বিভিন্ন অঞ্চল আৰু পশ্চিম ভাৰতৰ ছটা যোগী সম্প্ৰদায়ৰ জীৱিকাৰ সাধন উনী বস্ত্ৰ। মন কৰিব লগীয়া যে দক্ষিণ আৰু পশ্চিম ভাৰতৰ এই বস্ত্ৰশিল্পীসকল কিৰাত নহৈ অষ্ট্ৰিক আৰু দ্ৰাবিড় হোৱাৰ সম্ভাৱনাহে বেছি। তথাপি ভাৰতৰ বয়নজীৱীসকলৰ বিপুল জনসংখ্যাৰ তুলনাত অতি কম সংখ্যক হ'লেও অসমৰ বয়নজীৱীসকলৰ এটা বুজন অংশৰ ৰেচমশিল্পটো আৰু তাৰ পৰম্পৰাত থকা কিৰাতসকলৰ অৱদানেই গুৰুত্বপূৰ্ণ যেন ধাৰণা হয়।

'কৈবৰ্ত' শব্দৰ অৰ্থ হৈছে পানীৰ ওপৰত নিৰ্ভৰশীললোক। গতিকে কৃষিজীৱী আৰু মৎস্যজীৱী দুই শ্ৰেণীৰ কৈবৰ্ত হ'ব পাৰে। সেই বাবে হালোৱা আৰু জালোৱা দুবিধ কৈবৰ্ত আছিল বুলি জনা যায়। পাছত সকলো শ্ৰেণীৰ লোকেই কম-বেছি পৰিমাণে কৃষিৰ ওপৰত নিৰ্ভৰ কৰিবলৈ ধৰিলত হালোৱা কৈবৰ্ত সকল 'কেওত' নামে পৰিচিত হ'লেও অন্যান্য বণিক্ শিল্পী, ৰাজকৰ্মচাৰী আৰু পুৰোহিতসকলৰ বেছি ওচৰ চাপি গ'ল। ওপৰত উল্লেখ কৰা ডিমাছা বা কছাৰী সকলৰ লগত কৈবৰ্তসকলৰ কিবা সম্পৰ্ক ঘটিলেও ( পানীৰ ওপৰত নিৰ্ভৰশীল লক্ষণৰ ফালৰপৰা ) ভাষাৰ ফালৰপৰা বিচাৰ কৰি চালে কৃষিজীৱী আৰু মৎস্য-জীৱী উভয় শ্ৰেণীৰে কৈবৰ্তৰ অধিকাংশলোক ব্ৰহ্মপুত্ৰ উপত্যকালৈ বংগ আৰু মগধ-মিথিলা অঞ্চলৰ পৰা আহিছিল যেন অনুমান হয়।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন জনগোষ্ঠীৰ মাজত এটা উমৈহতীয়া ভাষাৰ প্ৰচলন কৰা লোকসকলৰ ভিতৰত মৎস্যজীৱী, কৃষিজীৱী, বয়নজীৱী সকলৰ দৰেই কিছু পৰিমাণে অধিক বুদ্ধিজীৱী কায়স্থ আৰু ব্ৰাহ্মণ পুৰোহিতসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই শ্ৰমজীৱী আৰু বুদ্ধিজীৱীসকলৰ মাজত মধ্যস্থতা কৰা কলিতা নামে পৰিচিত জাতিটোৱেও ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভাষা আৰু সংস্কৃতিৰ বিকাশত বিশেষ ভাবে নিজক জড়িত কৰি আহিছে।

ড° বাণীকান্ত কাকতিদেৱে 'কলিতা জাতিৰ ইতিবৃত্ত'নামৰ পুথিত বহলাই কলিতা জাতিৰ বিষয়ে আলোচনা কৰিছে। সেই মতে কোলতা, কুলতা, কলতা, কুলটা প্ৰভৃতি নামেৰে পৰিচিত উচ্চ সংস্কৃতিসম্পন্ন এটা জাতিৰ লোক নেপাল, উত্তৰ প্ৰদেশ, উৰিষ্যা, বংগ আৰু অসমত সিচঁৰিত হৈ থকা বুলি জনা যায়। উৰিষ্যা, বংগ আৰু অসমত এওঁলোকক কলিতা বোলা হয়। খ্ৰী° ৮ শতিকাত গৌড়ৰ ধৰ্মপাল ৰজাই উত্তৰ ভাৰতৰ পৰা ব্ৰাহ্মণ, কায়স্থ আৰু কলিতা আনি পণ্ডিতৰ সভাপতা কথা ড° কাকতিয়ে কামৰূপৰ বুৰঞ্জীৰ পৰা উদ্ধৃত কৰিছে। বংগৰ উত্তৰ ভাগত হিমালয়ৰ নামনি অংশত থকা কম্বোজ ৰাজ্যৰ সময় ইতিহাসৰ মতে খ্ৰী° ১০ শতিকা বুলি জনা যায়। এই কম্বোজসকলেই পাছত কুবাচ বা কোচ নামে পৰিচিত হয়। কলিতাসকল এই কোচসকলৰ পুৰোহিত আছিল। গতিকে ১২ শতিকামানৰ ভিতৰত তেওঁলোক ব্ৰহ্মপুত্ৰ উপত্যকাৰ পূব সীমাৰ শদিয়া পৰ্যন্ত সিচঁৰিত হৈ পৰাটো অসম্ভৱ নাছিল। এনে স্থলত খ্ৰী° ১১ শতিকামানৰ বুলি ঁৰাজমোহন নাথে অনুমান কৰা শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰৰ নিৰ্মাতাসকল চুতীয়া নহৈ কলিতাও হ'ব পাৰে। শদিয়াৰ উত্তৰ কি পূব দিশে হিমালয়ৰ পাদ-দেশত থকা কলিতা-দেশলৈ দুজন বৰগোঁহাইৰ ল'ৰা ৪০০ বছৰ মানৰ আগতে যোৱা কথাও কাকতিদেৱে উল্লেখ কৰিছে। খ্ৰী° ১৬ শতিকাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ পূব ভাগত কলিতা জাতিৰ লোক আছিল বুলি কথাগুৰুচৰিততো কৈছে।

অসমত 'কুললুপ্ত কলিতা' আৰু 'কলতলীয়া কলিতা' বোলা কথাৰ আঁত বিচাৰি ডং কাকতিদেৱে খ্ৰীঃ পূ° ৬ শতিকাৰ কোলিয় সকলৰ লগত কলিতা সকলৰ সম্পৰ্ক থকাৰ সম্ভাৱনা দেখুৱাইছে। তেখেতৰ মতে সংস্কৃত ভাষাত একে অৰ্থতে 'ক' প্ৰত্যয় ( যেনে — বাল > বালক ) যোগ হোৱাৰ দৰেই অষ্ট্ৰিক ভাষা গোষ্ঠীত 'ত' বা তা' প্ৰত্যয় যোগ হোৱা দেখা যায় +। গতিকে কোলিয় > কলিঅ শব্দত 'তা' প্ৰত্যয় যোগ হৈ 'কলিতা' শব্দ গঢ় ল'ব পাৰে। উত্তৰ প্ৰদেশৰ অযোধ্যা অঞ্চলত থকা আৰু ব্ৰাহ্মণৰ নিচিনা আচাৰ ব্যৱহাৰ জনা, পুৰাণৰ কথাবাচক শিল্প-সংগীতত পটু কোলিয়সকলৰ আঁতি-গুৰি ঐতিহাসিক ভাবে জনা নাযায়। সেইবাবে তেওঁলোকৰ কুল লুপ্ত হোৱা বুলি কোৱা হ'ল। আন হাতে বৌদ্ধজাতকৰ মতে লিচ্ছবিসকলৰ দুটা ভাগৰ এভাগ শাক্য আৰু আনটো ভাগ কোলিয় আছিল। 'কোল' এবিধ বগৰীগছৰ নাম। কোলগছ বেঁছিকৈ থকা অঞ্চলৰ বাসিন্দা কাৰণে শাক্যসকলে কোলিয়সকলক কোলৰ খোৰোঙত থকা বুলি

---

+ চামতা, ডিপুতা প্ৰভৃতি স্থানবাচক শব্দবোৰৰ 'তা' প্ৰত্যয় এই শ্ৰেণীৰ।

ইতিকিং কৰিছিল। সেই কথাই ৰূপান্তৰিত হৈ অসমত 'কলতলীয়া কলিতা' বুলি প্ৰচলিত হ'ব পাৰে। মন কৰিব লগীয়া যে জাতিত তেওঁলোক ক্ষত্ৰিয় হ'লেও কৃষিহে মুখ্য জীৱিকা আছিল। কৃষি কাৰ্যত পানীৰ প্ৰয়োজন হয় কাৰণে ৰোহিণী নৈৰ পানী লৈ কোলিয় আৰু শাক্যসকলৰ মাজত কাজিয়া হৈছিল। বুদ্ধদেৱৰ প্ৰভাৱত কোলিয় সকল বৌদ্ধ হৈছিল যদিও পাছত, মহাযানী বৌদ্ধ-সকল যোগমাৰ্গী শাক্ত আৰু শৈৱ হৈ পৰিছিল।

ব্ৰহ্মপুত্ৰ-উপত্যকালৈ এই কলিতাসকল কেতিয়াৰ পৰা কেনে ধৰণে আহিবলৈ ধৰিছিল, তাৰ বিতং বিবৰণ জনা নাযায়। উত্তৰ ভাৰতৰ আন আন শ্ৰেণীৰ লোক গুপ্তযুগৰ পৰা আহিবলৈ ধৰাৰ দৰেই সম্ভৱতঃ তেওঁলোকো আহিবলৈ ধৰিছিল। সমুদ্ৰগুপ্তৰ মাক লিচ্ছবি বংশৰ জীয়ৰী আছিল। গতিকে গুপ্তসকলৰ প্ৰভাৱ ব্ৰহ্মপুত্ৰ উপত্যকাত পৰাৰ সময়ৰ পৰাই কলিতাসকলৰ ধৰ্ম, কলা, শিল্প, কৃষি আৰু লোক-পৰম্পৰাৰ প্ৰভাৱ পৰিব পাৰে।

এই পৰ্যন্ত কৰি অহা আলোচনাৰ পাছত ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনসমূহৰ সামাজিক বিভাজন তলত দিয়া ধৰণে কৰিব পাৰি।

(১) আদিবাসী সকলৰ মাতৃ-সত্তাপ্ৰধান, অনুন্নত কৃষিজীৱী আৰু উত্তৰ ভাৰতৰ পৰা অহা লোকৰ ভাষাৰ লগত সম্পৰ্কৰহিত কিৰাত আৰু অষ্ট্ৰিক গোষ্ঠীৰ সুকীয়া সুকীয়া গোটপ্ৰধান সমাজ।

(২) সুকীয়া সুকীয়া জনসমূহ বা একোটা গোটৰ মুখিয়াল সকলে উত্তৰ ভাৰতৰ মাজেদি অহা লোকসকলৰ লগত সম্পৰ্ক ৰক্ষা কৰি কৃষি, শিল্প, বাণিজ্য প্ৰভৃতি আৰ্থিক আৰু ভাষা, ধৰ্ম, কলা আদি সামাজিক ক্ষেত্ৰত নতুন বাটেদি আগ-বাঢ়িবলৈ চেষ্টা কৰা সমাজ।

(৩) ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা উত্তৰ ভাৰতৰ মাজেদি আহি ব্ৰহ্মপুত্ৰ উপত্যকাত স্থায়ী ভাবে বাস কৰিবলৈ লোৱা লোকৰ সমাজ। এওঁলোকৰ ভিতৰত অনেক স্তৰৰ ৰাজকৰ্মচাৰী, বণিক, শিল্পী, কৃষক আৰু পুৰোহিত শ্ৰেণীৰ লোকো পৰে।

(৪) ধৰ্ম আৰু প্ৰশাসনীয় কাৰ্যত নেতৃত্ব বহন কৰা ব্ৰাহ্মণ-কায়স্থ প্ৰভৃতি সামন্ত স্তৰৰ সমাজ। এওঁলোকে প্ৰশাসনীয় কাৰ্যত ৰজাক সহায় কৰাৰ উপৰিও মাজে-সময়ে নিজে ৰাজ্য শাসনৰ দায়িত্বও লৈছিল। ভূঞাসকল এই শ্ৰেণীৰ শাসনকৰ্তা আছিল। পুৰোহিতো সমাজভেদে পৃথক্ পৃথক্ শ্ৰেণীৰ আছিল। আদিবাসী বা স্থানীয় জনগোষ্ঠীৰ নিজা নিজা (অব্ৰাহ্মণ) পুৰোহিত আছিল।

পৌৰাণিক আৰু তান্ত্ৰিক ধৰ্ম গ্ৰহণ কৰা কোচসকলৰ পুৰোহিত খ্ৰী° ১৬ শতিকা পৰ্যন্ত কলিতা জাতিৰহে আছিল। ১০ শতিকাৰ পাছত গোৰখনাথৰ সংগঠনৰ অন্তৰ্ভুক্ত হোৱা যোগমাৰ্গী সকলবো গুৰু বা পুৰোহিত হ'বৰ কাৰণে ব্ৰাহ্মণ হোৱাৰ প্ৰয়োজন নাছিল। দেখদেখকৈ নহ'লেও তান্ত্ৰিক ধৰ্মৰ পৰম্পৰাত লুকাই থকা বৌদ্ধ প্ৰভাৱেও অব্ৰাহ্মণ গুৰু আৰু পুৰোহিতৰ ব্যৱস্থা জীয়াই ৰাখিছিল; কিন্তু বৈদিক পৰম্পৰাৰ ওপৰত গুৰুত্ব দিয়া পৌৰাণিক ধৰ্মই বিস্তাৰ লাভ কৰাৰ লগে লগে ব্ৰাহ্মণ পুৰোহিতৰ গুৰুত্ব পুনৰ বাঢ়ি আহিছিল।

বৃটিছ-শাসনৰ আগতে শদিয়াৰ পৰা ধুবুৰী পৰ্যন্ত সম্পূৰ্ণ ব্ৰহ্মপুত্ৰ উপত্যকাত কোনো দিনেই এজন ৰজাৰ শাসন হোৱা নাছিল। সাধাৰণতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিম অঞ্চল বা কামৰূপৰ শাসনৰ লগত উত্তৰ বংগ বা গৌড় অঞ্চলৰ শাসনৰ সম্পৰ্ক দেখা যায়। খ্ৰী° ৭ শতিকাৰ ভাস্কৰবৰ্মা আৰু ৮ শতিকাৰ শ্ৰীহৰ্ষ প্ৰভৃতি ৰজাসকলৰ দিনত বংগৰ পশ্চিম অঞ্চলৰো অধিক ঠাই কামৰূপৰ শাসনকৰ্তাৰ অধীনত আছিল। আনহাতে ৯ শতিকাৰ প্ৰথম ভাগত বংগৰ ৰজা দেৱপালে কামৰূপ আৰু কম্বোজ জয় কৰি নিজ শাসনৰ অধীনলৈ নিছিল। খ্ৰী° ১৩ শতিকাৰ পৰা ১৫ শতিকালৈকে তিনিশ বছৰ কাল থকা কমতা ৰাজ্যও ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিমাংশ আৰু উত্তৰ বংগৰ একাংশেৰে গঢ় লৈছিল। কমতাৰ পাছত কোচ ৰাজ্যৰ ক্ষেত্ৰও প্ৰায় একে অঞ্চলেই আছিল। গতিকে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত ভাৰতৰ অন্যান্য অঞ্চলৰ প্ৰভাৱ সময়ে সময়ে নানা ৰূপত পৰি অহা দেখা যায়। খ্ৰী° ৯ শতিকাৰ হৰ্জৰ বৰ্মাৰ তেজপুৰ-প্ৰস্তৰ-লেখত ৫১০ গুপ্তাব্দৰ উল্লেখেই নহয়, তাৰ পাছৰ পৰা আজি পৰ্যন্ত শকাব্দৰ ব্যৱহাৰেও এসময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সামাজিক জীৱনত উত্তৰ ভাৰতৰ পোনপটীয়া প্ৰভাৱৰ পৰিচয় দিয়ে। আনহাতে খ্ৰী° ৫৭৪ চনত ভাস্কৰ বৰ্মাৰ শাসনকালত আৰম্ভ হোৱা 'চন' বংগত চলি থাকিলে যদিও সম্পূৰ্ণ ব্ৰহ্মপুত্ৰ উপত্যকাত তাৰ প্ৰভাৱ দেখা নগ'ল। এই বিলাক কথাই উত্তৰ আৰু পশ্চিম ভাৰতৰ লগত সেই সময়ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সম্পৰ্ক কেনে আছিল তাৰ সংকেত দিয়ে।

ধৰ্ম আৰু কলা-সংস্কৃতিয়েও সামাজিক জীৱনৰ অনেক দিশৰ ওপৰত আলোকপাত কৰিব পাৰে। এই প্ৰসংগত প্ৰাচীন যুগৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ধৰ্ম, কলা আৰু সংস্কৃতি সম্বন্ধে কেইটামান উদাহৰণ দাঙি ধৰা হৈছে।

খ্ৰী° ১১ শতিকাৰ শেষভাগৰ ধৰ্ম পালৰ প্ৰথম তাম্ৰ-ফলকত কূৰ্মনাথ আৰু বীৰ অধিকৃত ভূমিৰ কথা কোৱা হৈছে। ঐতিহাসিক অনুবিদ পণ্ডিত-

সকলৰ মতে কূৰ্ম অৱতাৰ সম্বন্ধীয় মূলে কথা অষ্ট্ৰিক সকলৰ পৰা পোৱা সম্ভৱ। পশ্চিম বংগত প্ৰচলিত ধৰ্ম ঠাকুৰৰ পূজাৰ লগত এই কূৰ্মৰ সম্পৰ্ক আছে। আৰু নাথ পন্থী যোগীসকলৰো এভাগে ধৰ্মক শিৱ ৰূপে মানি আহিছে। অব্ৰাহ্মণ পূজাৰীয়ে পূজা কৰা এই ধৰ্ম দেৱতাৰ 'ধৰ্ম' শব্দটো অষ্ট্ৰিক গোষ্ঠীৰ ভাষাত 'কাছ' বুজোৱা শব্দ। কাছৰ নিচিনা এচটা সৰু শিল এই পূজাত কূৰ্মৰ প্ৰতীক ৰূপে লোৱা হয়। তাম্ৰ ফলকৰ এই কূৰ্মনাথ হয়তো গোৰখনাথৰ সংগঠনৰ ভিতৰলৈ অহা বয়নজীৱীসকলৰ ধৰ্ম-দেৱতা শিৱৰেই এটা নাম আছিল। লিংগ-ৰূপত শিৱৰ প্ৰতীক পূজাৰ দৰে কূৰ্মৰো প্ৰতীক পূজাই কৰা হয়। আনহাতে কূৰ্মক বিষ্ণুৰ অৱতাৰৰ শ্ৰেণীত ধৰা হৈছে যদিও মহাপুৰাণসমূহৰ অন্তৰ্গত কূৰ্মপুৰাণত বৈষ্ণৱ উপাদানতকৈ শৈৱ উপাদানহে বেছি হোৱাটো এটা মন কৰিব লগীয়া কথা।

কূৰ্ম শব্দৰ দৰেই 'বীৰ' শব্দৰ প্ৰয়োগো তাৎপৰ্যপূৰ্ণ। উত্তৰ ভাৰতত 'বীৰপূজা'ই যক্ষৰ পূজাক বুজায়। অপদেৱতা 'বীৰা' এই বীৰ বা যক্ষৰ ৰূপান্তৰ হ'ব পাৰে। অসমৰ জনসাধাৰণৰ মাজত যখ-যক্ষিণীৰ কল্পনা এতিয়াও অপদেৱতা ৰূপত চলি আছে। 'ঘৰে প্ৰতি ঘৰিণী, খালে প্ৰতি যখিণী' উক্তিয়ে যখিণীৰ বহুত্বৰ প্ৰমাণ আজিও দাঙি ধৰে। উত্তৰ ভাৰতত ঋগ্বেদৰ যুগৰ পৰা আজিলৈকে যক্ষ-পূজা লোকধৰ্ম ৰূপে চলি আহিছে। 'গাওঁ-গাওঁকা ঠাকুৰ, গাওঁ-গাওঁকা বীৰ'—এই হিন্দী লোকোক্তি ফাঁকিয়েও বীৰ বা যক্ষৰ প্ৰভাৱ কিমান ব্যাপক তাৰ ইংগিত দিয়ে। ধনপতি কুবেৰো যক্ষৰ ৰজা আছিল। গায়ক তথা বীৰ গন্ধৰ্ব আৰু নৃত্য-গীতৰ বাবে প্ৰসিদ্ধ অপ্সৰাসকলো যক্ষ-সমাজৰ ভিতৰত পৰে। গতিকে এই বীৰপূজাৰ লগত সামন্তী সমাজ-ব্যৱস্থাৰ সম্পৰ্ক থাকিব পাৰে। হৰ্জৰ বৰ্মাৰ তাম্ৰফলকত শিৱ মন্দিৰৰ বাবে গাওঁ, প্ৰজা, হাতী আৰু বেশ্যা দিয়া কথায়ো ধৰ্মৰ লগত উগ্ৰ সামন্তী ব্যৱস্থাৰ সম্পৰ্ক থকা কথাকে বুজায়।

খ্ৰী° ৪ শতিকাৰ পৰা ১২/১৩ শতিকা পৰ্যন্ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমাজ-ব্যৱস্থাত সামন্তী প্ৰভাৱৰ মূলতে ভাৰতীয় সমাজ-ব্যৱস্থাৰ কেনে সম্পৰ্ক আছিল, সেইটোও এই প্ৰসংগত বিচাৰ কৰি চাব লগীয়া কথা। গতিকে ভাৰতীয় সমাজ-ব্যৱস্থাৰ এটি চমু ইতিহাস এইখিনিতে আমাৰ আলোচনাৰ বিষয় হৈ পৰে।

**ভাৰতীয় সমাজ-ব্যৱস্থা :**

(ক) বৌদ্ধ, জৈন আৰু বৈষ্ণৱ আন্দোলনৰ আগৰ যুগতে (খ্ৰী°পূ° ৬/৭ শতিকাৰো আগতেই) ভাৰতীয় সমাজত কৃষি, পশুপালন আৰু বাণিজ্যৰ গুৰুত্ব

বাঢ়ি আহিছিল। সেয়ে নোহোৱা হ'লে এই তিনিওটা ধৰ্মই সমাজৰ আগবঢ়া শ্ৰেণীটোৰ কাৰণেও চিকাৰ প্ৰধান সমাজ-ব্যৱস্থাৰ বিপৰীতে অহিংসাৰ বাণী প্ৰচাৰ কৰিব নোৱাৰিলেহেঁতেন। গুপ্তকালীন আৰু তাৰ পূৰ্ববৰ্তী সমাজতো ভগৱান বুলি স্বীকৃতি লাভ কৰা শ্ৰীকৃষ্ণৰ চৰিত্ৰত শ্ৰমজীৱী পশুপালক, বুদ্ধিজীৱী ৰাজনীতিজ্ঞ আৰু যৌগিক চমৎকাৰসহ ধৰ্মোপদেশক ৰূপটোৱে তৎকালীন সমাজৰ তিনিটা বিশেষ চিন্তাধাৰাৰ প্ৰতিনিধিত্ব কৰিছে।

শ্ৰীকৃষ্ণৰ ৰাজনীতিজ্ঞ ৰূপটোৰো এটা বিশেষত্ব হৈছে ৰজা নহৈয়ো প্ৰশাসক-সকলৰ ওপৰত অনুশাসন ৰাখিব পৰা এটা সুকীয়া ৰাজনৈতিক বিচাৰধাৰাৰ তেওঁ পথপ্ৰদৰ্শক আছিল। শ্ৰীকৃষ্ণ নিজে ৰজা নাছিল ; কিন্তু যদুপতি আছিল। বসুদেৱ-দৈৱকীও হয়তো প্ৰশাসক কংসৰ বিপক্ষ-ৰাজনীতিৰ ব্যক্তি আছিল। এইবোৰ কথাই সেই সময়তে ৰজাৰ বাহিৰেও একোটা সুকীয়া ৰাজনৈতিক সত্তা বা দলৰ অস্তিত্ব বিষয়ক প্ৰশ্ন মনলৈ আনে। ব্ৰহ্মপুত্ৰ উপত্যকাত খ্ৰী° ১০ম শতিকাত (৯৯০) চনত প্ৰথম পাল ৰজা ব্ৰহ্মপালক প্ৰজা বা বিষয়াসকলে নিৰ্বা-চন কৰা কথায়ো তেনে আদৰ্শৰ ইংগিত দিয়ে। মন কৰিব লগীয়া যে আলেক-জেণ্ডাৰৰ আক্ৰমণৰ সময়ত মালৱ আৰু ক্ষুদ্ৰক সংঘ ৰাজ্য আৰু গুপ্তযুগৰ আগ-ছোৱাত লিচ্ছবি গণৰাজ্যৰ অস্তিত্ব ইতিহাসে স্বীকাৰ কৰে।

(খ) প্ৰাচীন ভাৰতৰ সামাজিক জীৱনৰ চৰমবিকাশ গুপ্তযুগতেই হোৱা বুলি সাধাৰণতে ধৰা হয়। এই যুগত অৰ্থনীতি, কলা, দৰ্শন, বিজ্ঞান প্ৰভৃতি বিবিধ দিশত দেশ আগ বাঢ়িছিল ; কিন্তু সমাজত সাম্প্ৰদায়িক স্তৰভেদো কম নাছিল। শাসক, বুদ্ধিজীৱী আৰু বণিক শ্ৰেণীৰ লোকে সমাজত সামন্তী ব্যৱস্থা সবল কৰি তুলিছিল। আনহাতে পূৰ্বৰ বংশানুক্ৰমিক বৰ্ণাশ্ৰম ধৰ্ম শিথিল হৈ আহিছিল। সেইবাবে মনু, পৰাশৰ, যাজ্ঞবল্ক্য প্ৰভৃতি প্ৰাচীন প্ৰতিষ্ঠিত ব্যক্তিৰ নামত ধৰ্মীয় আচৰণৰ ব্যৱস্থা দিয়া ধৰ্ম শাস্ত্ৰ বা স্মৃতি শাস্ত্ৰৰ ৰচিয়তাসকলে পূৰ্বৰ বৰ্ণ ব্যৱস্থা জীয়াই ৰাখিবৰ উদ্দেশ্যেই কঠোৰ বিধান ৰচনা কৰিছিল ; কিন্তু স্মৃতিৰ বিধানেই সমাজক অনুশাসনত ৰাখিব পৰা অৱস্থা ক্ৰমে লোপ পাই আহিছিল। সেই বাবে তৎকালীন সাহিত্যৰ ঠায়ে ঠায়ে জাতিভেদৰ বিৰুদ্ধে সামা-জিক চেতনাৰ ইংগিত পোৱা যায়। মহাভাৰতত থকা ধৰ্মব্যাধৰ কাহিনীটো (বনপৰ্ব অধ্যায় ২০৬-২১৬ পৰ্যন্ত) এই শ্ৰেণীৰে এটা উদাহৰণ। তাত জাতি আৰু জীৱিকাৰ সাধন বা ব্যৱসায়তকৈ জ্ঞাননিষ্ঠ আদৰ্শহে শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিছে। তথাপি সুকীয়া সুকীয়া জনগোষ্ঠীৰ মাজত আৰ্থিক আৰু মানসিক স্তৰ

সুকীয়া হৈ থকা বাবে আগবঢ়াসকলে নিজৰ সুবিধাৰ কাৰণে পাছ পৰি থকা সকলক পাছ পেলাই থোৱাৰো ব্যৱস্থা কৰা নাছিল বুলি ক'ব নোৱাৰি। কিয়নো আগবঢ়াসকলৰ সুবিধাৰ কাৰণে নিজতকৈ পাছ পৰি থকা শ্ৰেণী এটাৰ প্ৰয়োজন সদাই থাকে। এনে স্থূলত প্ৰভু আৰু দাস এই দুটা ভাগত সামাজিক কৰ্তৃত্ব-বোধৰ বিভাজন হোৱাটো স্বাভাৱিক হৈ পৰিছিল, যাৰ ফলত সামাজিক অৱনতিৰ কাৰণেও এটা নতুন বাট মুকলি হৈছিল। চিকাৰ-প্ৰধান অবিকশিত সমাজ-ব্যৱস্থাৰ লোকক দাস বা অস্পৃশ্য শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হৈছিল; আনহাতে সকলো সুবিধা ভোগ কৰিব পৰা শাসক শ্ৰেণীৰ লোকৰ বাবে চিকাৰ আৰু নৰহত্যা উভয়েই যুদ্ধ, প্ৰশাসন আৰু বিলাসিতা সকলো ক্ষেত্ৰতে ধৰ্মৰ দৃষ্টিতো দোষমুক্ত বুলি স্বীকৃত হৈছিল।

(গ) সেই যুগৰ ধৰ্মীয় দৰ্শন আৰু কলাৰ ক্ষেত্ৰত উগ্ৰ প্ৰতীকধৰ্মিতাৰ যি প্ৰভাৱ পৰিল, সিও সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকৰ মাজত অন্ধবিশ্বাস বঢ়াই তোলাত অত্যন্ত সহায়ক হৈ পৰিল। চমৎকাৰ সাধু কথাৰে ল'ৰাক ফুচুলাই ৰখাৰ নিচিনাকৈ সাহিত্যই বিবিধ কল্পনাৰ মায়াজাল ৰচনা কৰি নতুন সাংস্কৃতিক জাগৰণত বাধাৰ সৃষ্টিও নকৰাকৈ থকা নাছিল। এনেবোৰ কাৰণতে সমাজৰ বিকাশ সংৰক্ষণশীল লোকৰ হাতত পৰি বহু পৰিমাণে বাধাগ্ৰস্ত হৈছিল। তাৰ ফলত খ্ৰীঃ ৬ শতিকাৰ মাজভাগ মানৰপৰা ১০ শতিকাৰ আৰম্ভণিলৈকে এই সময় ছোৱাত ধীৰ গতিৰে ভাৰতীয় সংস্কৃতিত গৰাখহনীয়া চলিবলৈ ধৰিলে। তাৰ পাছত এই খহনীয়া তীব্ৰ ৰূপ ধাৰণ কৰা দেখা গ'ল।

(ঘ) ভাৰতীয় সমাজ-ব্যৱস্থাৰ পতনমুখী যুগটোত সৃষ্টিধৰ্মী নতুন চিন্তাৰ অভাৱ আৰু সংকোচনধৰ্মী মনোবৃত্তিৰ প্ৰভাৱ ক্ৰমে বাঢ়ি আহিছিল। এই যুগতে সমুদ্ৰযাত্ৰা নিষিদ্ধ হ'ল আৰু তাৰ লগতে অন্য দেশৰ লগত থকা সম্পৰ্কও বেয়া হৈ আহিল। সংকুচিত অৰ্থনীতি আৰু ৰাজনীতিৰ অনুকূলে সামাজিক চেতনাৰ স্পন্দনো ক্ৰমে ক্ষীণ হৈ আহিবলৈ ধৰিলে। বিচাৰহীন আচাৰৰ প্ৰাচুৰ্যই বৈজ্ঞানিক আৰু দাৰ্শনিক চিন্তাৰ লগতে ধৰ্ম আৰু সংস্কৃতিৰ ক্ষেত্ৰতো জড়তাৰ পৰিমাণ বঢ়াই আনিলে। উদাহৰণ স্বৰূপে এই যুগৰ সংস্কৃতিৰ কিছুমান লক্ষণ তলত দাঙি ধৰা হৈছে।

১। খ্ৰীঃ ৭ শতিকাৰ পৰাই ভাৰতৰ পশ্চিমভাগত ইছলাম ধৰ্ম গ্ৰহণ কৰা শাসকৰ প্ৰভাৱ বাঢ়ি আহিছিল। হজৰত মহম্মদৰ পৰলোকপ্ৰাপ্তিৰ মাত্ৰ ৫।৬ বছৰৰ পাছতেই (খ্ৰীঃ ৬৩৭।৩৮ চনত) পাৰস্য আৰু ১২ বছৰৰ পাছত (খ্ৰীঃ

৬৪৪ চনত ) সিন্ধুনদৰ পশ্চিমে থকা ভাৰতীয় উপকূল অঞ্চলৰ মকৰান মুছলমান শাসকৰ হাতলৈ গৈছিল। খ্ৰীঃ ৬৫২ চনৰ ভিতৰতে ৰোম সাম্ৰাজ্যৰ অন্তৰ্গত পেলেষ্টাইন, চিৰিয়া আৰু মিছৰদেশ আৰবসকলৰ অধীনলৈ গৈছিল। এই দৰে পশ্চিম এচিয়াত প্ৰখৰ গতিৰে ইছলামী চেতনাৰ প্লাৱন আহিছিল। ১৩ শতিকাত সেই প্লাৱনে উত্তৰ ভাৰতক সামৰি লোৱাৰ লগতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিম ভাগকো চুইছিল। আনহাতে বিদেশৰ লগত ভাল সম্পৰ্ক ৰক্ষাৰ ফালে চকু নৰখা সেই সময়ৰ ভাৰতীয়সকলে আত্মবিকাশৰ কথা বাদেই, আত্মৰক্ষাৰ চেষ্টাও প্ৰণালীবদ্ধ ভাৱে কৰিব নোৱাৰিলে। সংস্কৃতিৰ ব্যাপক পৰিসৰতকৈ নিজক সকীৰ্ণ কৰি পেলোৱা বাবে তৎকালীন ভাৰতীয় ধৰ্মৰো ধাৰণ ক্ষমতা ক্ষয়িষ্ণু হৈ আহিল। সেই বাবে ভাৰতীয় ধৰ্ম আৰু ভাৰতীয় সংস্কৃতি দুয়োটা তেতিয়াৰ পৰা ক্ৰমে সুকীয়া বস্তুত পৰিণত হ'বলৈ ধৰিলে। তেতিয়াৰ পৰা ভাৰতীয় ধৰ্ম-হিন্দু ধৰ্ম নামে এটা আঞ্চলিক বা সম্প্ৰদায়িক ধৰ্মৰ স্তৰলৈ নামি আহিল। ইয়াৰ আগতে বৌদ্ধ আৰু জৈন বৃপত দুটা সম্প্ৰদায়িক সংগঠন গঢ় লৈছিল যদিও এই যুগত বিভিন্নদেৱতাৰ নামত সৃষ্টি হোৱা উপসম্প্ৰদায়বোৰেহে সমাজৰ অংগচ্ছেদৰ ক্ষেত্ৰত বেছি সহায় কৰিলে।

২। সামাজিক চেতনাৰ লগত সম্পৰ্কহীন ভাবে কেৱল বুদ্ধিজীৱীৰ চমৎকাৰপ্ৰদৰ্শনত পৰিণত হ'বলৈ ধৰা দাৰ্শনিক বিচাৰ আৰু উপসম্প্ৰদায়ৰ পৃথক্ পৃথক্ উপাস্যদেৱতাৰ নামত বিশিষ্ট সাধন-প্ৰদ্ধতিপ্ৰধান তান্ত্ৰিক ধৰ্মই সংস্কৃতিৰ প্ৰগতিশীল জীৱন-দৰ্শনৰ লগত সংগতি ৰাখিব নোৱাৰিলে। জীৱনৰ প্ৰয়োজন আৰু ধৰ্মীয় ব্যৱস্থাৰ মাজত সৃষ্টি হোৱা এই সংগতিহীনতাই আত্মবিশ্লেষণৰ পৰিবৰ্তে আত্মহননৰ বাটহে মুকলি কৰি দিলে। তাৰ ফলত ধৰ্মীয় সধানা বেছি পৰিমাণে ব্যক্তিকেন্দ্ৰী হৈ আহিল। বৌদ্ধধৰ্মত জ্ঞানী গুৰু, সাংস্কৃতিক চেতনা আৰু সমাজৰ প্ৰতিনিধিত্ব কৰা তিনিটা বস্তু বুদ্ধ, ধৰ্ম আৰু সংঘৰ প্ৰতি থকা দায়িত্ববোধৰ অভাৱ ঘটিল। বহুজনৰ হিতৰ বাবে বহুল বাট দেখুৱাবলৈ যোৱা মহাযানপন্থী বৌদ্ধমত ব্যক্তিকেন্দ্ৰী যোগ আৰু তান্ত্ৰিক চমৎকাৰৰ জালত পৰি বিকৃত হ'ল। ইফালে কঠোৰতম ব্যৱস্থাৰে জীৱনক বান্ধি পেলোৱা জৈনধৰ্ম এটা মুষ্টিমেয় সম্প্ৰদায়ত পৰিণত হ'ল। হিন্দুধৰ্মত জাতিভেদৰ সংকীৰ্ণতাতো দূৰ নহলেই, তাৰ পৰিবৰ্তে আধ্যাত্মিক আৰু বৌদ্ধিক উৎকৰ্ষৰ বাধক, অন্ধবিশ্বাস-বৰ্দ্ধক, ভোগলিপ্সা-উত্তেজক সকাম ব্ৰত-উপবাস, তীৰ্থভ্ৰমণ আৰু যোগসিদ্ধিৰ বিবিধ চেষ্টাই সাধনাৰ পথ দূষিত আৰু কণ্টকিতহে কৰি তুলিলে।

৩। ধৰ্মীয় সম্প্ৰদায়ৰ লগত জাতিভেদৰ সম্পৰ্কও গুৰুত্বপূৰ্ণ। খ্ৰী° ১০ শতিকা মানৰ আগতে জাতিভেদৰ স্বৰূপটো বৰ্তমান প্ৰচলিত ধৰণৰ নাছিল। প্ৰাচীন ভাৰতত মানসিক আৰু আৰ্থিক স্তৰৰ আধাৰত জাতি-বিভাজন হৈছিল যদিও সি খোৱা-বোৱা আৰু বিয়া-বাৰুৰ ক্ষেত্ৰত বাধাসৃষ্টি কৰা বিধৰ নাছিল। ১২ শতিকা মানৰ পৰাহে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ মাজত জাতিভেদে পাৰস্পৰিক বুজাবুজি আৰু বিশ্বাসৰ ওপৰত আঘাত কৰিবলৈ ধৰিলে। সকলোৱেই নিজ নিজ ধৰ্মীয় আচৰণৰ ওপৰত ভিত্তি কৰি জাতি-ৰক্ষাৰ নামত সাম্প্ৰদায়িক সংকীৰ্ণতা বঢ়াই আনিলে। ব্ৰত-উপবাস, পূজা-পাৰ্বণ আদি ধৰ্মৰ বাহ্যিক আড়ম্বৰবোৰেই সাম্প্ৰদায়িক শ্ৰেষ্ঠতাৰ মানদণ্ডৰূপে স্বীকৃত হৈ আহিল। তাৰ ফল স্বৰূপে ধৰ্মৰ নামত আড়ম্বৰ কৰিব নোৱৰা অৱস্থাৰ শ্ৰমজীৱী শ্ৰেণীৰ লোকসকল নিম্নজাতিত পৰিণত হ'বলৈ ধৰিলে। কিয়নো আৰ্থিক ভাবে পাছপৰাব উপৰিও বৌদ্ধিক ক্ষমতাৰ অভাৱৰ কাৰণে সামাজিক বিধি-ব্যৱস্থাক নিয়ন্ত্ৰিত কৰিব পৰা সুবিধাও তেওঁলোকৰ হাতত নাছিল। +

সমগ্ৰ ভাৰত জুৰি এই নতুন জাতিভেদ প্ৰথাটো সমানে গা-কৰি উঠিব পৰা নাছিল। এই প্ৰসংগত খ্ৰী° ১২ শতিকাত হোৱা এটা ঘটনাৰ উদাহৰণ মন কৰিব লগীয়া। খ্ৰী° ১১৭৮ চনত গুজৰাতত বন্দী হৈ থাকি যোৱা চাহাবুদ্দিন গোৰীৰ সৈন্যবোৰক দাড়ি মোছ খুৰাই সমাজৰ লগত খাপ খোৱাকৈ নিজ বুদ্ধি-বৃত্তিৰ স্তৰ অনুসৰি সামৰি লোৱা হৈছিল *। কিন্তু ইয়াৰ বিপৰীতে পৌৰাণিক আৰু তান্ত্ৰিক ধৰ্মৰ নামতো বৈদিক পৰম্পৰা ৰক্ষা কৰি থাকিবলৈ বিচৰা বুদ্ধিজীৱীসকলে কৃষি-শিল্পৰ ক্ষেত্ৰত দেশৰ ভিতৰত আৰু ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত দেশৰ বাহিৰতো ঘূৰি-পকি ফুৰিব লগীয়া হোৱা শ্ৰমজীৱী শ্ৰেণীটোৰ প্ৰতি হেয় ভাৱ লোৱা কাৰণে বহিৰ্বাণিজ্য আৰু জ্ঞানৰ প্ৰসাৰত বাধা সৃষ্টি হ'ল। এনে পৰিস্থিতিত খ্ৰী° ৮ শতিকাৰ পৰা বহু পৰিমাণে আহিবলৈ ধৰা আৰবদেশীয় মুছলমান নাৱিকৰ সম্পৰ্কলৈ যোৱা ভাৰতীয় নাৱিকসকলৰ বহুতেই স্ব ইচ্ছাই ইছলাম ধৰ্ম গ্ৰহণ কৰিলে। আন হাতে ভাৰতীয়সকলে যুদ্ধত বিদেশীৰ হাতত পৰাস্ত হোৱা দেশী সৈনিককো জাতিভ্ৰষ্ট হ'ল বুলি ধৰা ব্যৱস্থাৰে সমাজৰ এটা সবল শ্ৰেণীৰ পৰা পাব লগীয়া সেৱাও হেৰুৱালে। সংস্কাৰমুখী মনোভাৱৰ অভাৱে এনেদৰেই সমকালীন ভাৰতীয় জীৱনক

---

+ দ্ৰঃ জয়চন্দ্ৰ বিদ্যালংকাৰৰ 'ভাৰতীয় ইতিহাসকা উন্মীলন' পৃঃ ৩৭৯।
* দ্ৰঃ ভা° ই° উ° পৃঃ ৩৪৬।

সাংস্কৃতিক অধঃপতনৰ গহ্বৰলৈ ঠেলি পঠিয়ালে *। বিদেশী আক্ৰমণকাৰীৰ হাতত পৰাজয় স্বীকাৰ কৰি ৰাজনৈতিক স্বাধীনতা হেৰুৱাব লগীয়া হোৱাৰ মূলতেও এনেবোৰ সাংস্কৃতিক দুৰ্বলতাই ক্ৰিয়া কৰি আহিছিল। বুদ্ধিজীৱী সামন্ত আৰু পুৰোহিত শ্ৰেণীটোৰ অদূৰদৰ্শিতাৰ ফলতেই সেই যুগৰ সংস্কৃতিৰ প্ৰেৰণা-শক্তি-স্বৰূপ জীৱন-দৰ্শন বিকলাংগ হৈ পৰিছিল।

(ঙ) সমগ্ৰ ভাৰততে কম-বেছি পৰিমাণে প্ৰচলিত যোগমাৰ্গও বৈদিক ধৰ্মৰ দৰেই অতি প্ৰাচীন। ব্যক্তিকেন্দ্ৰী-সাধনা হ'লেও যোগৰ লক্ষ্য আগতে মোক্ষৰ অভিমুখী আধ্যাত্মিক উৎকৰ্ষ সাধনহে আছিল। পাছলৈ তান্ত্ৰিক সাধকসকলৰ কিছুমানে যোগক কাপালিক প্ৰভৃতি ভয়ানক আৰু বীভৎস সাধনাৰ লগত জড়িত কৰা কাৰণে সাধাৰণ শ্ৰেণীৰ লোকৰ মনত যোগৰ প্ৰতি ভয় আৰু সন্দেহৰ ভাব বাঢ়িবলৈ ধৰিলে। যোগৰ আশ্ৰয় ল'বলগীয়া হোৱা সন্ন্যাসীসকলৰ প্ৰতিও এনে সন্দেহ আৰু ভয় সমাজত হোৱাটো এক প্ৰকাৰৰ স্বাভাৱিক কথা হৈ পৰিল। এইদৰে শাৰীৰিক আৰু মানসিক উভয় দিশতে উন্নতিৰ সাধক হ'লেও যোগৰ সম্পৰ্ক তথা আনুষ্ঠানিক আড়ম্বৰে ধৰ্মৰ লোকহিতকৰ আৰু সামাজিক ৰূপটো বিকৃত কৰিবলৈ ধৰিলে। গতিকে মানৱচেতনাৰ বিকাশৰ বাবে যি ব্যৱস্থাসমূহ সংস্কৃতিৰ ঘাই উপাদান ৰূপে থকা আৱশ্যক, সেই ব্যৱস্থাসমূহ শুদ্ধ ৰহস্যবাদী দাৰ্শনিক বা বৈজ্ঞানিক হোৱাৰ পৰিবৰ্তে যাদুবিদ্যাৰ দৰে চমৎকাৰমুখী, ক্ষণ-স্থায়ী, আড়ম্বৰপূৰ্ণ আৰু ইন্দ্ৰিয়গ্ৰাহ্য স্তৰলৈ নামি আহিল। এনে পৰিৱেশতে আধ্যাত্মিক সাধনাৰ নামত বামাচাৰেও স্বীকৃতি লাভ কৰিলে। তন্ত্ৰ আৰু পুৰাণ-উপ-পুৰাণ উভয়তে কম-বেছি পৰিমাণে ঠাই পোৱা এনেধৰণৰ ব্যৱস্থাই সেই সময়ৰ বুদ্ধিজীৱী আৰু পুৰোহিত সকলক প্ৰভাৱিত কৰিছিল। ভাৰতীয় ধৰ্ম আৰু সমাজ ব্যৱস্থাৰ এনে আৰ্হিতে ১০/১১ শতিকাৰ কামৰূপতো কালিকাপুৰাণৰ নিচিনা তান্ত্ৰিক উপপুৰাণৰ ৰচনা হ'বলৈ পাইছিল।

(চ) বৈদিক পৰম্পৰাৰ লগত নিজৰ অবিচ্ছিন্ন সম্পৰ্ক দেখুৱাই গৌৰৱ বোধ কৰা পুৰোহিত শ্ৰেণীৰ ব্ৰাহ্মণ সকলেও বহুতেই অবৈদিক তান্ত্ৰিক ধৰ্মত দীক্ষিত হৈ শবৰ, কিৰাত প্ৰভৃতি জাতিৰ মাজত প্ৰচলিত সাধন-পদ্ধতি গ্ৰহণ কৰি তাক শিৱ বা শক্তিৰ উপাসনাৰ লগত সম্বন্ধিত কৰি দেখুৱালে। সন্ন্যাসী আৰু গৃহস্থী উভয়শ্ৰেণীৰে লোকৰ বাবে গৃহীত এনে ধৰ্মীয় ব্যৱস্থাৰ ভিতৰত এটা গোপন অসামাজিক স্তৰো আছে। সেই স্তৰত জাতিভেদৰ ঠাই নাই আৰু কিবা নহয় কিবা

---

+ জয়চন্দ্ৰঃ ভাঃ ইং উং পৃঃ ৩৮০/৮১

প্ৰকাৰে যোগমাৰ্গৰ চমৎকাৰপূৰ্ণ দিশটোৰ দ্বাৰাও এই শ্ৰেণীৰ সাধন-পদ্ধতিবোৰ প্ৰভাৱিত হৈছিল। সংসাৰৰ অনিত্যতাৰ লগতে সামাজিক বিধি-ব্যৱস্থাৰ সাৰ-শূন্যতাৰ সিদ্ধান্তই এই স্তৰৰ কিছুমান সাধকক ইন্দ্ৰিয়ভোগৰ অতীত অতীন্দ্ৰিয় উপলব্ধিৰ বাবে প্ৰেৰণা দিয়ে; কিন্তু অধিকসংখ্যক অপৈণত বিচাৰৰ সাধকক সাধনাৰ অসামাজিক গোপন আৰু ব্যক্তিকেন্দ্ৰী ব্যৱস্থাই ইন্দ্ৰিয়-তৃপ্তিৰ মায়াজালতো বন্দী কৰে। এইদৰে সুসংস্কৃত জীৱন যাপনৰ কাৰণে প্ৰয়োজনীয় এটা স্পষ্ট জীৱনদৰ্শন-তকৈ পৃথক্ ধৰ্মীয় দৰ্শনৰ নামত অন্ধবিশ্বাসী ৰহস্যৰ ধাৰণাই আৰু শৰীৰৰ লগত ভাৰসাম্য ৰক্ষা কৰিব পৰা আচৰণ ধৰ্মতকৈ সুকীয়া কিছুমান ক্ৰিয়াকলাপে ধৰ্মৰ সাৰ্বজনীন চৰিত্ৰৰ ওপৰত আঘাত হানিলে। তাৰ ফলত সাংস্কৃতিক জীৱন ক্ষত-বিক্ষত হ'ল।

অস্থিৰ মানসিক স্থিতিয়ে সবল শাৰীৰিক ক্ৰিয়াকো অসাৰ্থক কৰি পেলোৱাৰ দৰে বিকাৰগ্ৰস্ত সংস্কৃতিয়েও ভাৰতৰ ৰাজনৈতিক জীৱনক অস্থিৰ কৰি পেলালে। সেই সুযোগতে ভাৰতৰ ৰাজনৈতিক অধিকাৰ তুৰ্ক, পাঠান আৰু মোগল-সকলে নিজৰ হাতলৈ লৈ গ'ল। মধ্যযুগৰ বৈষ্ণৱ আন্দোলন এনেকুৱা সামাজিক পটভূমিৰ প্ৰতিক্ৰিয়া ৰূপেই গঢ় লৈ উঠিছিল; কিন্তু এই প্ৰতিক্ৰিয়াও ৰাজনৈতিক স্তৰত পৰিবৰ্তন সাধন কৰিব পৰা বিধৰ সবল নাছিল। সেই বাবে সাংস্কৃতিক জাগৰণৰ ওপৰতেই এই আন্দোলনে বেছি গুৰুত্ব দিব লগীয়া হৈছিল। বৌদ্ধিক (দৰ্শন-বিজ্ঞানৰ নতুন আৱিষ্কাৰ প্ৰভৃতি) আৰু আৰ্থিক (কৃষি, শিল্প আৰু বাণি-জ্যৰ উন্নয়ন) ক্ষেত্ৰত সক্ৰিয় অংশ গ্ৰহণ কৰিব নোৱৰা এই সাংস্কৃতিক জাগৰণ প্ৰকৃততে পূৰ্ণাংগ সামাজিক জাগৰণ নাছিল। গতিকে গুপ্তযুগৰ পাছত হোৱা সামা-জিক ক্ষতিপূৰণৰ বাবে এই জাগৰণ সমৰ্থ হ'ব নোৱৰাটো স্বাভাৱিক আছিল। গুপ্তযুগৰ পৰা হোৱা ভাৰতীয়কৰণৰ ফলত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সামাজিক জীৱনতো ভাৰতীয় সমাজৰ সকলো শ্ৰেণীৰে দোষ-গুণৰ প্ৰভাৱ পৰিছিল। ব্ৰহ্মপুত্ৰ-উপত্যকাৰ বৈষ্ণৱ জাগৰণো ভাৰতীয় সামাজিক পটভূমিত গঢ়লোৱা বৈষ্ণৱ জাগৰণৰেই এটা অংশ আছিল।

# প্ৰাচীন কামৰূপত ভাৰতীয় কলা, ধৰ্ম আৰু ভাষা

ভাৰতীয় সমাজ-ব্যৱস্থাৰ লগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমাজ—ব্যৱস্থাৰ সম্পৰ্ক দেখুৱাই এই পৰ্যন্ত কিছু আলোচনা কৰা হৈছে ; কিন্তু কলা, ধৰ্ম আৰু ভাষা সম্বন্ধে কিছুমান দিশত স্পষ্টীকৰণৰ প্ৰয়োজন এতিয়াও আছে। এই প্ৰসংগত তলত উল্লেখ কৰা কথাকেইটা উদাহৰণ স্বৰূপে মাত্ৰ দাঙি ধৰা হ'ল।

**কলা আৰু ধৰ্ম ঃ**

১) ব্ৰহ্মপুত্ৰ উপত্যকাত ভাৰতীয় সমাজ-ব্যৱস্থাৰ, সংস্কৃতি আৰু ভাষাৰ পৃষ্ঠপোষকতা কৰোঁতাসকল বৰ্মণ, শালস্তম্ভ, পাল, চুতীয়া আৰু ডিমাছা বংশীয় ৰজা আছিল। তেওঁলোকক এই কাৰ্যত সহায় কৰা স্থানীয় কৰ্মচাৰীৰ বাহিৰেও ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰ পৰা অহা ব্ৰাহ্মণ-কায়স্থ, শিল্পী, বণিক প্ৰভৃতি বিভিন্ন শ্ৰেণীৰ লোকসকল আছিল। গতিকে ভাৰতীয়কৰণৰ প্ৰক্ৰিয়াটোৱে ক্ৰমে ওপৰৰ পৰাহে তললৈ প্ৰভাৱ বিস্তাৰ কৰিছিল। এনেস্থলত ৰাজধানী, নগৰ আৰু শিল্প বাণিজ্যৰ কেন্দ্ৰস্থলৰ পৰা আঁতৰত থকা সমাজৰ অধিকাংশলোকে নতুন সংস্কৃতি বা জীৱন-ব্যৱস্থা গ্ৰহণ কৰোঁতে কেইবা শতাব্দীও লাগিছিল। বৰ্তমান যুগত বৈজ্ঞানিক সাধনৰ ফলস্বৰূপে দ্ৰুতপৰিবৰ্তন ঘটি অহা সমাজতো মহানগৰ আৰু নগৰৰপৰা দূৰত থকা আওহতীয়া গ্ৰামাঞ্চলৰ জীৱন-ব্যৱস্থাৰ মাজত আকাশ-পাতালৰ পাৰ্থক্য দেখা পোৱা যায়। আনহাতে কোনো এটা নতুন সমাজ-ব্যৱস্থা আৰু সংস্কৃতি মানুহৰ ওপৰত জোৰেৰে জাপি দিব নোৱাৰি। নতুন সমাজ-ব্যৱস্থা আৰু সংস্কৃতি এটা গ্ৰহণৰ বাবে মানসিক প্ৰস্তুতিৰ প্ৰয়োজন হয়। এই মানসিক প্ৰস্তুতিটোৰ বাবে সমাজৰ উচ্চ স্তৰৰ লোকতকৈ সাধাৰণ স্তৰৰ লোকক বেছি সময়ৰ প্ৰয়োজন হয়। সেইবাবে ৰাজকীয় প্ৰচেষ্টা আৰু পৃষ্ঠপোষকতাত হোৱা শিলালেখ, তাম্ৰফলক, মন্দিৰ তথা মূৰ্তি প্ৰভৃতি ভাস্কৰ্য আৰু সংস্কৃত ভাষাত ৰচিত সাহিত্য সমূহে সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকৰ চিন্তা আৰু আচৰণৰ প্ৰতিনিধিত্ব কৰিছিল বুলি ধৰিব নোৱাৰি। এইবোৰ বস্তুৰ মাজেদি তৎকালীন ব্যৱস্থাৰ সামন্তী ৰূপটোহে বিশেষ ভাৱে প্ৰকাশ পাইছিল।

২) বাস্তু, মূৰ্তি, চিত্ৰ, সঙ্গীত আৰু সাহিত্য-কলাৰ ভিতৰত চিত্ৰ আৰু সংগীতৰ বিষয়েই উপযুক্ত উদাহৰণৰ অভাৱ বেছি। সিমান পুৰণি কালৰ চিত্ৰ অসমৰ জল-বায়ুত থকাটো সম্ভৱ নহয়। গতিকে বাস্তুকলা আৰু মূৰ্তিকলাত থাকি যোৱা আঁহিৰ পৰাই চিত্ৰৰ লক্ষণ সম্বন্ধে কিছু ধাৰণা কৰিব পাৰি। মূৰ্তি-চিত্ৰ আৰু সাহিত্যত থকা উল্লেখৰ বাহিৰে সংগীতৰ বিষয়েও জানিবৰ অন্য উপায় নাই। বৰ্তমান প্ৰচলিত লোক-গীত আৰু লোকনৃত্যসমূহো তেতিয়াৰপৰা এতিয়ালৈকে একে ৰূপতে থকা নাই। তথাপি লোকগীতবোৰত বহু যুগৰ শিলত খুন্দা-খাই কাণ-মূৰ ভগা অৱস্থাত হ'লেও কিছুমান বিষয়ৰ বিকৃত ৰূপ একোটা চোৱাৰ সুবিধা আছে। খ্ৰীঃ ৫ শতিকাৰ পৰা ১২ শতিকা পৰ্যন্ত ব্ৰহ্মপুত্ৰ উপত্যকাত গঢ় লোৱা বাস্তুকলাৰো কিছুমান ভগ্নাৱশেষৰ বাহিৰে অবিকৃত বস্তু কোনো ঠাইতে দৃষ্টিগোচৰ নহয়; কিন্তু খ্ৰীঃ ৮ ৰ পৰা ১৩ শতিকাৰ ভিতৰত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত গঢ়লোৱা বা সিচঁৰিত হৈ পৰা মূৰ্তিসমূহে সেই যুগৰ কলাৰ লগতে তৎকালীন ধৰ্মীয় ইতিহাসৰো কিছু তথ্যৰ যোগান ধৰে।

ধৰ্ম সম্বন্ধীয় তথ্যলৈ চকু ৰাখি বিচাৰ কৰিবলৈ হ'লে কামৰূপীয় মূৰ্তি-কলাক বৈষ্ণৱ, শৈৱ-শাক্ত বা তান্ত্ৰিক, পৌৰাণিক অন্য কাহিনী প্ৰধান আৰু লৌকিক এই চাৰিটা শ্ৰেণীত ভাগ কৰিব পাৰি। পৃষ্ঠপোষক ৰজাসকলৰ ধৰ্ম আৰু ৰুচি অনুসৰিয়েই মূৰ্তিবোৰ গঢ় লোৱাৰ সম্ভাৱনা বেছি। গতিকে মূৰ্তিৰ লগতে তৎকালীন শাসক আৰু সমাজৰ ৰুচিৰ সম্বন্ধেও বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আছে।

সাম্প্ৰদায়িক ধৰ্মৰ ক্ষেত্ৰত গুপ্ত ৰজাসকল উদাৰ আছিল। তথাপি বিষ্ণু আৰু শিৱৰ প্ৰতিয়েই তেওঁলোকৰ আকৰ্ষণ বেছি যেন অনুমান হয়। যদি গুপ্ত সম্ৰাট্ দ্বিতীয় চন্দ্ৰগুপ্তকে কালিদাসৰ পৃষ্ঠপোষক বিক্ৰমাদিত্য বুলি ধৰা হয়, তেনেহ'লে উজ্জয়িনীৰ 'মহাকাল'ৰ মন্দিৰে তেওঁক শৈৱ যেন ইংগিত দিয়ে। আনহাতে মধ্যপ্ৰদেশৰ বিদিশাৰ ওচৰৰ উদয়গিৰিত চন্দ্ৰগুপ্তই নিৰ্মাণ কৰোৱা বৰাহ মূৰ্তিয়ে তেওঁক বৈষ্ণৱ যেনহে প্ৰতিপন্ন কৰায়। ভাৰতীয় মূৰ্তিকলাৰ শ্ৰেষ্ঠ উদাহৰণবোৰৰ ভিতৰত এই বৰাহ-মূৰ্তিও এটা। যদি ধ্ৰুৱস্বামিনীক উদ্ধাৰ কৰা চন্দ্ৰগুপ্তৰ বীৰত্ব-ব্যঞ্জিত কৰিবৰ উদ্দেশ্যে পৃথিৱী উদ্ধাৰ কৰা বৰাহৰ মূৰ্তি নিজে শৈৱ হৈয়ো নিৰ্মাণ কৰাইছিল, তেনেহলে সেইটো সুকীয়া কথা। এই প্ৰসংগত ভাস্কৰবৰ্মা শৈৱ হ'লেও বৰাহ-বংশী বুলি চিনাকি দিয়া কথাৰ লগত ইয়াৰ সাদৃশ্য মন কৰিবলগীয়া। গুপ্ত সম্ৰাটসকলৰ আৰ্হি গ্ৰহণ কৰা কামৰূপৰ ৰজাসকলেও শৈৱ-বৈষ্ণৱ উভয় সম্প্ৰদায়ৰ মাজত সমন্বয়ৰ চেষ্টা কৰিব পাৰে।

মূৰ্তিমাত্ৰেই পূজাৰ বিগ্ৰহ বুলি ধৰিব নালাগে। মন্দিৰৰ ভিতৰত থকা প্ৰধান উপাস্যদেৱতাৰ মূৰ্তিৰ বাহিৰেও মন্দিৰৰ ভিতৰে-বাহিৰে অনেক দেৱতাৰ মূৰ্তি থাকিব পাৰে। তথাপি উপাস্যদেৱতা নোহোৱা দেৱ-দেৱীৰ মূৰ্তিবোৰে তৎকালীন সমাজ আৰু শিল্পীৰ ৰুচিৰ পৰিচয় দিয়ে। এই দৃষ্টিৰে চালে খ্ৰী° ৮ শতিকাৰ পৰা ১২।১৩ শতিকা পৰ্যন্ত কামৰূপৰ মূৰ্তি কলাত বিষ্ণুৱেই প্ৰধান অন্যান্য দেৱ-দেৱীতকৈ বেছি যেন ধাৰণা হয়। শিৱসাগৰৰ বৰাহমূৰ্তি, দেওপানীৰ ( কাৰ্বিআংলং জিলাত ) বিষ্ণুমূৰ্তি আৰু গুৱাহাটীৰ হৰিহৰ মূৰ্তিয়েই ব্ৰহ্মপুত্ৰ উপত্যকাৰ মূৰ্তিবোৰৰ ভিতৰত প্ৰাচীন। কাৰ্বিআংলং জিলাৰ কুবেৰ, শিৱসাগৰৰ গজলক্ষ্মী, বীণাবাদিনী ( সৰস্বতী ? ) আৰু দণ্ড-কমণ্ডলুধাৰী ঋষি প্ৰভৃতিৰ মূৰ্তিও প্ৰায় অষ্টম শতিকাৰ বুলি ধৰা হৈছে। উপাসনাৰ লগত সম্পৰ্ক নথকা অন্যান্য মূৰ্তিৰ ভিতৰত গুৱাহাটীৰ নৃত্যৰত গণেশ-কাৰ্তিক, সৰু হাতী এটাৰ ওপৰত মানুহৰ দৰে দুটা ভৰিৰত ভিৰ দি থিয় হৈ থকা সিংহমূৰ্তি প্ৰভৃতি চকুত লগা বস্তু। দেওপানীৰ বিষ্ণুৰ মূৰ্তিটো পুৰীৰ জগন্নাথ মূৰ্তিৰ লগত হস্তভংগিমাৰ দৃষ্টিত কিছু সাদৃশ্য থকা যেন লাগে আৰু গুৱাহাটীৰ সিংহ মূৰ্তিটোৰ লগত তামিলনাদুৰ ৭ শতিকাৰ পল্লৱ কলাৰো সাদৃশ্য দেখা যায়।

গুৱাহাটীত পোৱা হৰিহৰৰ মূৰ্তিৰ ( খ্ৰী° ৮ শতিকাৰ ) বাহিৰেও দেওপানীত খ্ৰী° ৯ শতিকামানৰ এটা হৰিহৰ মূৰ্তি পোৱা গৈছে। এই দুয়োটা মূৰ্তিয়ে সেই সময়ত শৈৱ-বৈষ্ণৱৰ সমন্বয়ৰ ওপৰত গুৰুত্ব দিয়াৰ ইংগিত দিয়ে; কিন্তু ৯ শতিকাৰ পৰাই শিৱৰ সম্পৰ্ক বিষ্ণুতকৈ শক্তি ( কালী বা দুৰ্গা ) ৰ লগতহে দেখুৱাবলৈ যোৱা চেষ্টা প্ৰবল হৈ আহিল। গুৱাহাটীৰ আমবাৰীত পোৱা ৯ শতিকাৰ পীঠসহ শিৱলিংগই মূৰ্তিকলাতকৈ উপাসনাৰ দৃষ্টিত শিৱৰ গুৰুত্ব বৃদ্ধি হোৱাৰ ইংগিত দিয়ে। তদুপৰি একে ঠাইতে পোৱা চতুৰ্ভুজ ভৈৰৱ, সৰু আকৃতিৰ উমালিংগন মূৰ্তি আৰু পদ্মমধ্যস্থ সশস্ত্ৰ অথচ ধ্যানমগ্ন বহুশীৰ্ষদশভুজ শিৱমূৰ্তিয়েও শৈৱ প্ৰভাৱ বৃদ্ধিৰ পৰিচয় দিয়ে। গুৱাহাটী আৰু ডবকা দুয়ো ঠাইতে যৌন ক্ৰীড়াৰত উমা-মহেশ্বৰৰ মূৰ্তি পোৱা গৈছে। দুয়োটাৰে সময় খ্ৰী° ৯।১০ শতিকামান বুলি অনুমান কৰা হৈছে। গতিকে ১০ শতিকামানৰ ভিতৰতে তান্ত্ৰিক আদৰ্শৰ শৈৱ-শাক্ত ধৰ্মৰ প্ৰভাৱ কামৰূপত আৰম্ভ হৈছিল বুলি বুজিব পাৰি। আনহাতে ৯ শতিকাৰে গুৱাহাটীত পোৱা নৃসিংহ, স্তম্ভৰ গাত থকা বুদ্ধ আৰু কল্কি, অজ্ঞাত স্থানত পোৱা নৰাকৃতি যুক্ত নৃসিংহ, কূৰ্ম আৰু বৰাহৰ সৰু মূৰ্তিয়ে বৈষ্ণৱ পৰম্পৰাৰো পৰিচয় দিয়ে।

৩ — খ্ৰী° ৯ শতিকাৰপৰা শৈৱ-শাক্ত ধৰ্মই ব্ৰহ্মপুত্ৰ উপত্যকাত গা কৰি উঠাৰ দুটা কাৰণ হ'ব পাৰে। তাৰে এটা হ'ল শংকৰাচাৰ্যৰ স্মাৰ্ত ধৰ্মৰ প্ৰভাৱ। শংকৰাচাৰ্যই বৌদ্ধধৰ্মৰ ঠাইত স্মৃতি সন্মত যি ধৰ্মৰ প্ৰচাৰ কৰিলে তাত পঞ্চদেৱতাৰ উপাসনাই ঠাই পাইছিল। বিষ্ণু, শিৱ, শক্তি, সূৰ্য আৰু গণপতি এই পঞ্চদেৱৰ ভিতৰত বিষ্ণু আৰু শিৱৰ প্ৰতিষ্ঠা আগৰে পৰাই বেছি আছিল। বৈদিক যুগতে আৰম্ভ হোৱা অন্য দেৱনিৰপেক্ষ শক্তি যথাক্ৰমে পাছত বৈষ্ণৱী আৰু শৈৱী হৈ আহিল। শংকৰাচাৰ্যৰ সময়ত এই শক্তি শিৱৰ শক্তি দুৰ্গা, কালী আদি ৰূপত প্ৰধান ভাৱে পৰিচিত হৈছিল। বিষ্ণুৰ শক্তি লক্ষ্মী আৰু আগতে ব্ৰহ্মাৰ; কিন্তু পাছত বিষ্ণুৰ শক্তিৰূপে পৰিচিত সৰস্বতী উভয়ৰে গুৰুত্ব এই সময়ত হ্ৰাস পালে। শক্তিৰ এই নতুন ৰূপটোৰ লগত শিৱৰ সম্পৰ্ক দৃঢ় কৰাৰ ক্ষেত্ৰত কাশ্মীৰী শৈৱদৰ্শনৰ প্ৰভাৱ মন কৰিব লগীয়া। ত্ৰিক, স্পন্দ আৰু প্ৰত্যভিজ্ঞাদৰ্শন নামে পৰিচিত এই দৰ্শন খ্ৰী° ৫/৬ শতিকা মানতে গঢ় লৈ উঠিছিল; কিন্তু খ্ৰী° ৮ শতিকাৰ বসুগুপ্তৰ দিনত স্পন্দৱাদী দৰ্শনে অধিক বিকশিত ৰূপ পাইছিল। ওপৰত উল্লেখ কৰা পদ্মমধ্যস্থ সশস্ত্ৰ ধ্যানমগ্ন শিৱৰ মূৰ্তিত স্পন্দৱাদ ব্যঞ্জিত হৈছে। কেন্দ্ৰস্থ শিৱৰপৰা বহিৰ্মুখে বিকশিত পদ্ম বিশ্বপ্ৰকৃতি ৰূপিণী শক্তিৰ প্ৰতীক আৰু ধ্যানস্থ শিৱ স্পন্দনাত্মক বিশ্বৰ মূল স্থিৰ সত্তা।

পঞ্চদেৱৰ উপাসনাৰ বিধান থাকিলেও শংকৰাচাৰ্যৰ সাধনাত শিৱৰ প্ৰাধান্য থকা যেন লাগে। সেই বাবে শিৱৰ লগত থকা শক্তিৰ আৰু স্বতন্ত্ৰভাৱে থকা বিষ্ণুৰ গুৰুত্ব সূৰ্য আৰু গণপতিয়ে লাভ কৰিব নোৱাৰিলে। কামৰূপৰ মূৰ্তি কলাতো সূৰ্য আৰু গণেশৰ স্থান বিষ্ণু, শিৱ আৰু শক্তিৰ তুলনাত সামান্য বুলি সহজে ধৰিব পৰা হৈ আছে।

শৈৱ-শাক্তধৰ্ম কামৰূপত সবল হৈ উঠাৰ আনটো কাৰণ স্থানীয় জনসমূহৰ পৰম্পৰা আৰু বৌদ্ধতন্ত্ৰৰ প্ৰভাৱ হ'ব পাৰে। যৌনক্ৰীড়াৰত উমা-মহেশ্বৰ আৰু উমালিংগন মূৰ্তিয়ে কামৰূপীয় মূৰ্তি কলাৰ ওপৰতো তান্ত্ৰিক প্ৰভাৱৰ পৰিচয় দাঙি ধৰিছে। আনহাতে এই শ্ৰেণীৰ শাক্ততন্ত্ৰৰ লগত তিব্বতৰপৰা অহা বৌদ্ধ তন্ত্ৰৰো সম্পৰ্ক থকা বুলি পণ্ডিতসকলে কয় +। তদুপৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিম আৰু উত্তৰবংগত খ্ৰী° ৮ শতিকাৰ মাজভাগৰপৰা প্ৰতাপী হৈ পৰা বংগৰ পালসকল বৌদ্ধ আছিল আৰু সেই সময়ৰ পৰা তিব্বতৰ লগতো ধৰ্মীয় সম্পৰ্ক বৃদ্ধি পাইছিল। গতিকে কামৰূপতো তাৰ প্ৰভাৱ পৰাটো স্বাভাৱিক আছিল। মদ্য, মাংস, মৎস্য, মৈথুন্য আৰু মুদ্ৰা (প্ৰতীক

+দ্ৰ° ড° শশিভূষণদাশগুপ্তৰ 'ভাৰতেৰ শক্তিসাধনা ও শাক্তসাহিত্য' ( চতুৰ্থ অধ্যায় বৌদ্ধদেৱী )।

চিহ্ন ) এই পঞ্চতত্ত্বৰ প্ৰয়োগে বৌদ্ধ আৰু শাক্ততন্ত্ৰত তিব্বত-বৰ্মী জনগোষ্ঠীৰ সামাজিক প্ৰভাৱৰ ইংগিত দিয়ে। শীত প্ৰধান অঞ্চলৰ পৰা অহা কিৰাত জনগোষ্ঠীৰ লোকসকলৰ মাজত মদ্য আৰু মাংসৰ ব্যৱহাৰ স্বভাৱসিদ্ধ প্ৰয়োজনীয় ব্যৱস্থা আছিল। চিকাৰজীৱী মাংসভোজীলোক পানীৰ কাষত থাকিব লগীয়া হ'লে মৎস্যভোজীও হ'ব। আনহাতে কৃষি প্ৰধান সংস্কৃতিৰ প্ৰভাৱ নোহোৱা বা অতি কম হৈ থকা অৱস্থাৰ মাতৃসত্তাপ্ৰধান সমাজত যৌন-সম্পৰ্কও বহু পৰিমাণে শিথিল হৈ থকা দেখা যায়। মুদ্ৰা বা প্ৰতীকৰ প্ৰয়োগ সকলো স্তৰৰ সমাজতে পৃথক্ পৃথক্ ৰূপত থাকিব পাৰে। এনেস্থলত বৈদিক পৰম্পৰাৰ লগত বেছি সম্পৰ্ক ৰাখি অহা উত্তৰ ভাৰতৰ অহিংসাপ্ৰধান বৈষ্ণৱ আদৰ্শতকৈ কামৰূপৰ কিৰাত আৰু অষ্ট্ৰিক সংখ্যাগৰিষ্ঠলোকসকলৰ কাৰণে তান্ত্ৰিক শৈৱ-শাক্তধৰ্ম অধিক জনপ্ৰিয় হোৱাটো স্বাভাৱিক আছিল। নিজ নিজ জনগোষ্ঠীৰ মাজত আগৰেপৰা থকা লোকদেৱতা আৰু লোকদেৱীসকলকো তান্ত্ৰিক শৈৱ-শাক্তধৰ্মই যেনেকৈ আত্মসাৎ কৰি ল'ব পাৰিছিল, বৈষ্ণৱধৰ্মই সেইদৰে নোৱাৰিছিল।

৪—উচ্চ দাৰ্শনিক স্তৰৰ বিষ্ণু আৰু শিৱৰ মাজত কোনো পাৰ্থক্য নাই যদিও, জনসাধাৰণৰ বোধগম্য দেৱতাৰ স্তৰত এই দুয়োজন দেৱতাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। বিষ্ণুত বৈদিক আৰ্য আৰু দ্ৰাবিড়সকলৰ দাৰ্শনিক উপাদানে প্ৰাধান্য লাভ কৰি আহিছে। গতিকে বিষ্ণুৰ মূল ৰূপটো প্ৰতীকাত্মক। অৱতাৰবাদে বিষ্ণুৰ প্ৰতীকাত্মক ৰূপৰ লগতে ঐতিহাসিক ব্যক্তিত্বৰ ওপৰতো গুৰুত্ব দিলে। ৰাম আৰু কৃষ্ণৰ চৰিত্ৰত অৱতাৰবাদৰ লগতে ঐতিহাসিক মূল্যও আৰোপ কৰা হৈছে। আনহাতে শিৱৰ অৱতাৰ সম্বন্ধীয় কথা বিষ্ণুৰ অৱতাৰৰ দৰে পুৰাণ প্ৰসিদ্ধ আৰু জনপ্ৰিয় নহয়। শিৱৰ ১৮ জন অৱতাৰৰ ভিতৰত প্ৰথমজন নকুলীশ বা লকুলীশৰ সময় খ্ৰী° ২ শতিকামান বুলিহে পণ্ডিতসকলে অনুমান কৰিছে। এই লকুলীশৰপৰা পাশুপত শৈৱমত প্ৰচাৰ হোৱা বুলি কয়।

ঐতিহাসিক ব্যক্তি লকুলীশ শিৱৰ অৱতাৰ হ'লেও যোগসিদ্ধ অনেক শৈৱ সাধককো শিৱ বোলা হৈছিল যেন লাগে। এই শ্ৰেণীৰ শিৱ ভিক্ষাজীৱী, ভঙুৱা আৰু যোগী হোৱাৰ উপৰিও কৃষিৰ লগত সম্পৰ্ক কম, সুকীয়া সুকীয়া একোখন সমাজৰ প্ৰতিনিধিত্ব কৰা লোক যেন ধাৰণা হয়। শংকৰাচাৰ্যৰ গুৰু পৰম্পৰাৰ গুৰুসকলকো শংকৰাচাৰ্য বোলাৰ দৰেই সিদ্ধ শৈৱ সাধককো পুৰাণ আৰু লোককথাত শিৱ বোলাটো অসম্ভৱ নহয়। বংগ আৰু অসমত এনে ধৰণৰ লৌকিক শিৱৰ কাহিনী প্ৰচলিত আছে।* পত্নীৰ লগত যৌন সম্পৰ্ক

* দ্ৰ° ড° শশিভূষণ দাশগুপ্তৰ 'ভাৰতেৰ শক্তিসাধনা ও শাক্তসাহিত্য।' অসমীয়া সাহিত্যত ভীমচৰিত আৰু মুখলগা মন্ত্ৰৰ শিৱও এই শ্ৰেণীৰ।